

গুৱাহাটী আৰু ডিব্রুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বার্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩১২ ■ গুৱাহাটী ■ মঙলবাৰ, ২১ জুন, ২০২২, ৬ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 312 Dainandin Barta ■ Guwahati, Tuesday ■ 21 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



ফাৰ্মাচিষ্টৰ কলম

■ ৰিপন জামান
(বি, ফাৰ্ম প্ৰেক্টিছ)

## যোগা অবিহনে শৰীৰ চৰ্চা আধৰুৱা

২১ জুন, বিশ্ব যোগ দিৱস। যোগা হ'ল ভাৰতৰ ঐতিহ্য, ভাৰতৰ অহংকাৰ, ভাৰতীয় সংস্কৃতিৰ একচেটিয়া সম্পত্তি। যিহেতু ভাৰততেই ইয়াৰ জন্ম আৰু ভাৰতেই আছিল ইয়াৰ চৰ্চাৰ প্ৰধান কেন্দ্ৰস্থল। পুৰণি কালৰ পৰাই ঋষি-মুনিসকলে যোগ চৰ্চাৰ দ্বাৰাই সুস্থ-সবল আৰু দীৰ্ঘ সময়ৰ বাবে এক ■ ২ পৃষ্ঠাত

## ঘৰলৈ যাবলৈ দিয়া হ'ল ছোনিয়া গান্ধীক

বিশ্ৰামৰ পৰামৰ্শ

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২০ জুন ঃ জুন মাহৰ প্ৰথম ভাগত ক'ভিডত আক্ৰান্ত হোৱা কংগ্ৰেছ অধ্যক্ষ ছোনিয়া গান্ধীক চিকিৎসালয়ৰ পৰা ■ ৮ পৃষ্ঠাত



অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত বিষ্ণু ৰাভা দিৱসত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰী শৰ্মাই



# কলাগুৰুক স্মৰণ

কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ শৈল্পিক প্ৰতিভা আছিল স্বপ্ৰতিভাৰে মণ্ডিত ঃ মুখ্যমন্ত্ৰী

দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুন ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ৰ চৌকিডিঙ্গী খেলপথাৰত আজি অনুষ্ঠিত ■ ৮ পৃষ্ঠাত

## ইতিহাসবিদ, শিক্ষাবিদ, ড° সৃষ্টিধৰ দত্তৰ মৃত্যু

অসম চুক্তি ৰূপায়ণ সমিতিৰ সদস্য

শোকস্তব্ধ ডিব্ৰুগড়



দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২০ জুন ঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰে এগৰাকী ইতিহাসবিদ, অসমৰ অন্যতম প্ৰাচীন ভূমিপুত্ৰ মটক জনগোষ্ঠী এগৰাকী বিশিষ্ট শিক্ষাবিদ, গৱেষক, বুৰঞ্জীবিদ, অৰুণাচল প্ৰদেশৰ ইতিহাস, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক ইতিহাসলৈ অনবদ্য বৰঙণি আগবঢ়াই থৈ যোৱা তথা উত্তৰ-পূব বুৰঞ্জী সন্মিলন, ভাৰতীয় বুৰঞ্জী ■ ৮ পৃষ্ঠাত



তেজপুৰত বিপ্লৱী মনিষী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন

## গীত-মাত-নৃত্যৰে মুখৰ ঊষানগৰী

সমাধি 'সমন্বয় ক্ষেত্ৰ'ত বিভিন্ন দল-সংগঠন-অনুষ্ঠানৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন ঃ বিষ্ণুপ্ৰসাদ ৰাভা বিষয়ক অসমীয়া-বড়ো-হিন্দী-ইংৰাজী ভাষাৰ হাতপুথি উন্মোচন ঃ পিতৃক স্মৰণ বিধায়ক পৃথ্বিৰাজ ৰাভাৰ ঃ সাংসদ পল্লৱ লোচন-মন্ত্ৰী অশোক সিংহালৰ শ্ৰদ্ধাঞ্জলি ঃ সাহিত্য সভা-বাণ থিয়েটাৰ-আছুকে ধৰি বিভিন্ন অনুষ্ঠানৰ বিষ্ণুৰাভা দিৱস পালন



দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ জুন ঃ তেজৰ বোলেৰে লিখি যাম ইতিহাস বুলি কৈ সমাজৰ উচ্চ-নীচ-হীন-পৰ, শ্ৰেণী বৈষম্য দূৰ কৰি দাসত্বৰ বান্ধোন চিঙাৰ প্ৰয়াস কৰা সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই জীৱনৰ তিনিকুৰি বছৰ আয়ুস ■ ২ পৃষ্ঠাত

## বুধবাৰৰ পৰা আৰম্ভ হ'ব অম্বুবাচী

দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুন ঃ বুধবাৰৰ পৰা আৰম্ভ হ'ব অম্বুবাচী। সেই মৰ্মে শক্তিপীঠ কামাখ্যাত সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। বান তথা ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এইবাৰ অনুষ্টুপীয়াকৈ আয়োজন কৰা হ'ব অম্বুবাচী মেলা। অম্বুবাচী মেলা উপলক্ষে আজি কামৰূপ মহানগৰৰ উপায়ুক্তই এখন সংবাদ মেলৰ আয়োজন কৰে। ২২ জুনৰ পৰা ■ ৮ পৃষ্ঠাত

## উপায়ুক্তৰে মুখ্যমন্ত্ৰীৰ ভিডিঅ' কনফাৰেন্স

## উদ্ধাৰ-সাহায্য অভিযান তীব্ৰতৰ কৰি-বলৈ নিৰ্দেশ



দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুন ঃ ৰাজ্যখনৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত তেওঁৰ সভাকক্ষৰ পৰা উপায়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্স যোগে এক বৈঠকত মিলিত হয়। ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত উপায়ুক্তসকলে জিলাসমূহত হোৱা বানপানীৰ ক্ষয়-ক্ষতি, উদ্ধাৰ-সাহায্য অভিযান ইত্যাদি বিষয়সমূহৰ ক্ষেত্ৰত প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৰাজিৰ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ উপায়ুক্তসকলক উদ্ধাৰ অভিযান ক্ষিপ্ৰতৰ কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। এনডিআৰএফ, এছডিআৰএফৰ উপৰি প্ৰয়োজন সাপেক্ষে সেনা ■ ৮ পৃষ্ঠাত

নিজৰ কৰ্তব্য সমাপন কৰিবলৈ গৈ কামপুৰত কপিলীৰ বলিয়া বানত উটি যোৱা কামপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু কনিষ্টবলৰ মৃতদেহ উদ্ধাৰ

# দুগৰাকী সৎ, কৰ্মদক্ষ, ডেকা আৰক্ষীৰ মৃত্যুত সৰ্বত্ৰ শোকৰ ছাঁ



## কমলপুৰৰ নিজ বাসগৃহত গভীৰ শোকাকুল পৰিৱেশ

দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২০ জুন ঃ নগাঁও জিলাৰ কামপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সমুজ্জ্বল কাকতিৰ (২৭) দেওবাৰে নিশা অপৰাধী বিচাৰি গৈ সলিল সমাধি ঘটাৰ খবৰ আজি পুৱা বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসস্থান ■ ৮ পৃষ্ঠাত



## দুই মৃত আৰক্ষীক শেষ শ্ৰদ্ধা মন্ত্ৰী পীযূষ হাজৰিকাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ জুন ঃ নিষ্ঠাৰে কৰ্তব্য সমাপন কৰিবলৈ গৈ কপিলী নদীৰ বাঢ়নী পানীত উটি গ'ল এগৰাকী আৰক্ষী বিষয়া আৰু এগৰাকী আৰক্ষী জোৱান। কপিলীৰ বলিয়া বানে উটুৱাই নিলে দুজনকৈ ডেকা আৰক্ষীক। কালি নিশা কামপুৰ থানাৰ এটা গোচৰ সন্দৰ্ভত কামপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সমুজ্জ্বল কাকতিসহ দুজন আৰক্ষী কনিষ্টবল গৈছিল থানাখনৰ ■ ৮ পৃষ্ঠাত



শেষ শ্ৰদ্ধা অনুষ্ঠানত কনিষ্টবল ৰাজীৱ বৰদলৈৰ পত্নীৰ শোকাকুল বিননি

## তেওঁৰ ফটোত মালা কিয় দিছে, তেওঁ জীয়াই আছে, মই তেওঁক এই ৰূপত নাচাও

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ জুন ঃ তেওঁৰ ফটোত মালা কিয় দিছে, তেওঁ জীয়াই আছে। মই তেওঁক এই ৰূপত নাচাওঁ— নগাঁৱৰ কামপুৰত বানপানীত ডুবি মৃত্যু হোৱা আৰক্ষীৰ কনিষ্টবল ৰাজীৱ বৰদলৈৰ মৃতদেহ দেখাৰ লগে লগে এইদৰে চিঞৰি চিঞৰি শোকত ভাগি পৰে তেওঁৰ পত্নী কবিতা ডেকা বৰদলৈ। সংজ্ঞাহীন হৈ পৰা কবিতা ডেকা বৰদলৈক তাৎক্ষণিকভাৱে নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। উল্লেখ্য যে, কামপুৰৰ মধুপুৰত নিশা এক অভিযান চলাবলৈ গৈ বানপানীত ডুবি মৃত্যু হোৱা আৰক্ষীৰ কনিষ্টবল ৰাজীৱ ■ ৮ পৃষ্ঠাত

কলিয়াবৰত কাৰ্যবাহী দণ্ডাধীশৰ ধমক !

## হেলমেট্ কিয় পিন্ধা নাই, চুলি বেয়া হ'ব ?

দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২০ জুন ঃ 'হেলমেট্ কিয় পিন্ধা নাই, চুলি বেয়া হ'ব?' — কলিয়াবৰত কাৰ্যবাহী দণ্ডাধীশৰ ধমক।।এই বাক্যবাণ হেলমেট্ নিপিন্ধা এগৰাকী যুৱতী আৰোহীলৈ। বানাক্ৰান্ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱকূলৰ সুৰক্ষা বাবে কলিয়াবৰ ৰাজহ চক্ৰ বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশ নীতিশা বৰা আৰু পৰিবহণ বিভাগে চলোৱা এক অভিযানৰ সময়ত খঙত অগ্নিশৰ্মা হৈ এই মন্তব্য কৰে। নগাঁও পৰিবহণ বিভাগৰ সহযোগত প্ৰশাসনিক বিষয়াগৰাকীয়ে কাজিৰঙাৰ ৰাজপথত চলাইছে অভিযান। কলিয়াবৰৰ কাঞ্চনজুৰি এনিমেল ক'ৰিডৰত চলালে অভিযান। জীৱ-জন্তুৰ সুৰক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কলিয়াবৰ মহকুমা প্ৰশাসনৰ। ৰাষ্ট্ৰীয় ■ ৮ পৃষ্ঠাত

বছৰৰ দ্বিতীয়টো বানত অসমত ৭২জন নিহত

# বহু এলেকা আজিও পানীৰ তলত

দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুন ঃ বছৰৰ দ্বিতীয়টো বানে বিধ্বস্ত কৰিছে ৰাজ্যৰ ৩২খন জিলাক। এতিয়ালৈকে নিহত হৈছে ৭২জনকৈ লোক। বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান কৰা অনুসৰিয়েই অসমত এতিয়া ধাৰাসাৰ বৰষুণ হৈয়েই আছে। অসমৰ বহু জিলাৰ লগতে হাইলাকান্দি জিলাতো বানে ধাৰণ কৰিছে সংহাৰী ৰূপ। জিলাৰ মাজেৰে বৈ যোৱা তিনিওখন নৈ ধলেশ্বৰী, কাটাখাল আৰু বৰাক দেওবাৰৰ পৰা বিপদসীমা অতিক্ৰম কৰিছে। লগতে যোৱা তিনি দিনৰ পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলতে বিভিন্ন ঠাইত কৃত্ৰিম বানৰ সৃষ্টি ■ ৮ পৃষ্ঠাত



*টীয়কত অসম যুৱ পৰিষদে উদ্‌যাপন কৰা বিষ্ণু ৰাভা দিৱসত শিল্পী পুণ্যপ্ৰভা দত্ত তামুলীক কলাগুৰু বঁটা-২০২২ প্ৰদান কৰিছে অগপ সভাপতি অতুল বৰাই*

## শিৱসাগৰ নগৰত একেলগে দুটা শিশু সন্ধানহীন

দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ২০ জুন ঃ শিৱসাগৰ নগৰৰ ৰে'ল ষ্টেচনৰ পৰা যোৱা কিছু দিন ধৰি দুই শিশু সন্ধানহীন আছে। সন্ধানহীন হোৱা শিশু দুটাৰ নাম ক্ৰমে লুহিত ভূঞা আৰু চিতান্ত গগৈ। লুহিত ভূঞাৰ মাতৃয়ে জানিবলৈ দিয়া মতে যোৱা বৃহস্পতিবাৰে বিয়লিৰ পৰা দুটি শিশু সন্ধানহীন হৈ আছে। আনহাতে, পৰিয়ালৰ লোকৰ পৰা জানিব পৰা মতে ■ ৮ পৃষ্ঠাত



# কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নৱ-নিৰ্বাচিত সদস্যৰ শপত গ্ৰহণ

দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ২০ জুন ঃ আজি কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নৱ-নিৰ্বাচিত সদস্যসকলে ডিফুৰ তাৰালাংছ' সাংস্কৃতিক প্ৰকল্পত শপতবাক্য পাঠ কৰিলে। ড° তুলিৰাম ৰংহাঙৰ নেতৃত্বত মুঠ ২৬গৰাকী নৱ-নিৰ্বাচিত সদস্যই অসমৰ ৰাজ্যপাল প্ৰফেছৰ জগদীশ মুখীৰ উপস্থিতিত শপতবাক্য পাঠ কৰিলে। ৰাজ্যপালগৰাকীক পাহাৰীয়া জিলাখনৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ সাংস্কৃতিক দলসমূহে আদৰণি জনায়। উক্ত শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। লগতে জিলাখনৰ বিভিন্ন সামাজিক, ৰাজনৈতিক দল-সংগঠনৰ বিষয়ববীয়া, বিশিষ্ট সাহিত্যিক, সাংস্কৃতিক কৰ্মীসকলেও আজিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। ৰাইজৰ উপস্থিতিত নৱ-নিৰ্বাচিত সদস্যসকলে আজি কাৰ্বি, তিৱা, ডিমাচা, বড়ো আৰু অসমীয়া ভাষাত শপত বাক্যপাঠ কৰিলে। ড° তুলিৰাম ৰংহাঙৰ নেতৃত্বত আজি শপত গ্ৰহণ কৰা সদস্যসকল হ'ল ডি উফিং মাচলাই, মংগলছিং তিমুং, হেডছিং ৰংফাৰ, লংবিচন বে, পৱন কুমাৰ, প্ৰভাত চন্দ্ৰ তাৰ', অজিত কুমাৰ দে', মধুৰাম লেকথে, কাংবুৰা কিলিং, বিলিমোহন খাখলাৰি, ৰাজু তিছ', লুনছিং টেৰণ, ৰিতেশ ইংহি, কাচে ৰংপিপী, জনি তিমুং, তিলোত্তমা হাঞ্চু, ৰীণা তেৰাংপী, অমৰছিং তিছ', ■ ৮ পৃষ্ঠাত

## ৰহমৰীয়াত নাও ডুবি নিৰুদ্দিষ্ট হোৱা ৪জনৰ আজিও শুং-সূত্ৰ নাই

দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২০ জুন ঃ ডিব্ৰুগড়ৰ ৰহমৰীয়াত ব্ৰহ্মপুত্ৰত ভয়ংকৰ নাও দুৰ্ঘটনাত নিৰুদ্দিষ্ট হৈ থকা চাৰিজনৰ বৰ্তমানেও সন্ধান নাই। ৰহমৰীয়া ম'হমৰা পলসভঙা চাপৰিৰ পৰা বালিজান ঘাটলৈ গৈছিল মুঠ ৯জন লোক। দেওবৰীয়া বালিজান বজাৰলৈ গৈ থকা অৱস্থাতে নাওখন হঠাৎ বিশাল ব্ৰহ্মপুত্ৰত বুৰ গৈছিল। সন্ধানহীন নাওখনৰ পৰা ইয়াৰে পাঁচজনক জীৱন্তে উদ্ধাৰ কৰা হয় যদিও ■ ৮ পৃষ্ঠাত

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানো স্পৰ্শ কৰিছে লুইতৰ বাঢ়নী পানীয়ে

# বুঢ়াপাহাৰ বনাঞ্চলৰ ছটা বন শিবিৰ বানৰ কৱলত

কলিয়াবৰত বন্যহস্তীৰ জাক

দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২০ জুন ঃ শেহতীয়াকৈ ৰাজ্যত বৰষুণৰ মাত্ৰা ক্ৰমাৎ বৃদ্ধি পোৱাত জলস্তৰ বৃদ্ধি পাবলৈ ধৰিছে ব্ৰহ্মপুত্ৰকে ধৰি আন-আন নৈ-উপনৈসমূহৰ। ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি হোৱা মানেই ৰাজ্যবাসীৰ বাবে ■ ৮ পৃষ্ঠাত

## ডিমৌ আদৰ্শ চিকিৎসালয়ত পাষাণ মাতৃয়ে এৰি থৈ গ'ল নৱজাতকক

তীব্ৰ চাঞ্চল্য

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২০ জুন ঃ ডিমৌ আদৰ্শ চিকিৎসালয়ত আজি এগৰাকী পাষাণ মাতৃয়ে এটি নৱজাতকক এৰি থৈ যোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে আজি দুপৰীয়া ভাগতেই ডিমৌ আদৰ্শ চিকিৎসালয়ত ■ ৮ পৃষ্ঠাত

# ৰাজ্যত বানৰ বিভীষিকা, আনফালে বৰষুণৰ বাবে হাহাকাৰ



খৰাঙে জুৰুলা কৰা ধনশিৰি মহকুমাত বৰুণ দেৱতাক সন্তুষ্ট কৰিবলৈ ভেকুলীৰ বিয়া

দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২০ জুন ঃ ৰাজ্যত এফালে বানৰ কালৰূপ। অসমৰ অধিকাংশ ঠাইতে হৈ থকা বানৰ বিভীষিকাৰ মাজতে অনুষ্ঠিত হৈছে এখন ব্যতিক্ৰমী বিবাহ। পিছে বৰুণ দেৱতাক সন্তুষ্ট কৰিবলৈহে আয়োজন কৰা হ'ল এই বিয়াখনৰ। কিয়নো আজিও বৰুণ দেৱতাৰ কোপদৃষ্টিয়ে লগ এৰা নাই ধনশিৰি মহকুমাক। মহকুমাটোৰ অধিকাংশ ঠাইতেই এতিয়া বৰষুণৰ অভাৱৰ বাবে খেতিলৈ আগবাঢ়িব পৰা নাই কৃষিজীৱী ৰাইজ। ফলত বৰষুণৰ আশাত মহকুমাটোৰ বৰপথাৰ মৌজাৰ অন্তৰ্গত বৰপাভজান, ■ ৮ পৃষ্ঠাত

## অগ্নিপথ আঁচনিৰ অধীনত নিযুক্তিৰ জাননী জাৰি

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২০ জুন ঃ ভাৰতীয় সেনাৰ সূত্ৰই প্ৰকাশ কৰা মতে চলিত বৰ্ষৰ জুলাই মাহত সেনাত অগ্নিপথ নিযুক্তি ২০২২ৰ বাবে পঞ্জীয়ন আৰম্ভ হ'ব। সোমবাৰে ভাৰতীয় সেনাই নতুনকৈ আৰম্ভ কৰা অগ্নিপথ সামৰিক নিযুক্তি আঁচনিৰ অধীনত সৈনিকসকলক অন্তৰ্ভুক্ত কৰাৰ বাবে এক জাননী জাৰি কৰি কয় যে পঞ্জীয়ন প্ৰক্ৰিয়া অহা মাহত আৰম্ভ হ'ব। সেনাই জনোৱা অনুসৰি নতুন আঁচনিৰ অধীনত সকলো চাকৰি প্ৰাৰ্থীৰ বাবে বাহিনীৰ নিযুক্তি ৱেবছাইটত (https://joinindianarmy.nic.in) অনলাইন ■ ৮ পৃষ্ঠাত

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা





মৰিগাঁও ছাত্ৰ সন্থাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে পালন কৰা বিশ্ব ৰাভা দিৱসৰ ছবি

# লখিমপুৰত ৰঙানদীৰ মথাউৰিলৈ তীব্ৰ ভাবুকি

## বৰ্তমানেও অপৰিৱৰ্তিত লখিমপুৰৰ বানপৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২০ জুন ঃ** অসমৰ লগতে চুবুৰীয়া পাহাৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হৈ থকা নেৰানেপেৰা মুষলধাৰ বৰষুণৰ ফলত লখিমপুৰ জিলাৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত অৱস্থাতে আছে। ইতিমধ্যে জিলাখনৰ বিহপুৰীয়া, নাওবৈচা, উত্তৰ লখিমপুৰ, কদম আৰু সোৱণশিৰি ৰাজহ চক্ৰৰ অন্তৰ্গত ৬৬ খন গাঁও জলমগ্ন অৱস্থাতে আছে। জানিব পৰা মতে, বিহপুৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ধৰ্মপুৰ, তৰাজুলি, খেৰবাৰী, দৌলতপুৰ, বিহপুৰীয়া গাঁও, চিচাপথাৰ, গড়মূৰকে ধৰি ১৪ খন গাঁও, নাওবৈচা ৰাজহ চক্ৰৰ আহোমনি, গেলাহাটী, বৰগঞা, ভৰলুৱা, বামুনগঞা, বিষ্ণুপুৰ, বোকানৈ, চেঙেলীজান, ম'হঘুলি, পানধোৱা, ৰাণাবাৰী আৰু পাঁচনৈকে ধৰি ৩৮ খন গাঁও, উত্তৰ লখিমপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত আজাৰগুৰি, আমতলা, শান্তিপুৰ, দেওবিল, ১ নং আদৰ্শ হিন্দু গাঁও, কদম ৰাজহ চক্ৰৰ অন্তৰ্গত কদম বাগান গাঁও, কদমিয়াল বঙালি, ন-ভঙনীয়া, নাহৰবাৰী, ৪ নং কাতৰিচাপৰিকে ধৰি ৭ খন গাঁও আৰু সোৱণশিৰি ৰাজহ চক্ৰৰ অন্তৰ্গত হাতীগড় তথা এন চি লেজুৱা গাঁৱৰ বান পৰিস্থিতি আজিও অপৰিবৰ্তিত অৱস্থাতে আছে। ইতিমধ্যে জিলাখনত ৪০,৯৬৫ গৰাকী লোক বানাক্ৰান্ত হোৱাৰ লগতে ৫৪৯.৩০ হে''ৰ কৃষিভূমি বানত বিধ্বস্ত হৈছে। বানবিধ্বস্ত এলেকাসমূহৰ বিপৰীতে জিলা প্ৰশাসনে পৰ্যাপ্ত হাৰত সাহায্য সামগ্ৰী আগবঢ়োৱা বুলি প্ৰকাশ কৰিছে যদিও দিন হাজিৰা কৰি তথা ঠেলা-ৰিক্সা চলাই পেটে-ভাতে জীৱন নিৰ্বাহ কৰি থকা লোকসকলৰ নেৰানেপেৰা বৰষুণৰ ফলত উপাৰ্জনৰ পথ ৰুদ্ধ হৈ পৰাত তেওঁলোকৰ পৰিয়ালৰ মাজত হাহাকাৰ পৰিবেশৰ সৃষ্টি হৈছে। ইফালে অৰুণাচল প্ৰদেশৰ দুইমুখস্থিত ডিক্ৰং নদীৰ পাৰে প্ৰকল্পৰ পৰা নিপকো কৰ্তৃপক্ষই যোৱা ১৬ জুনৰ নিশাৰপৰা আজিপৰ্যন্ত প্ৰায় ধাৰাবাহিকভাৱেই ১ নং আৰু ২ নং গেটেৰে দিনে-নিশাই ২০০০ মিঃমিঃৰ পৰা ৪৩০০ মিঃমিঃপৰ্যন্ত পানী এৰি অহাত তথা ৰঙানদী প্ৰকল্পৰ পৰাও ১০০০ মিঃমিঃ ৰ পৰা ১৫০০ মিঃমিঃ কৈ পানী মাজে-সময়ে এৰি থকাত নদী দুখনৰ নামনি অংশত বসবাস কৰা লোকসকলৰ মাজত আতংকই বিৰাজ কৰিছে। শেহতীয়াকৈ লখিমপুৰৰ বগলীজানত ৰঙানদীৰ মথাউৰিৰ প্ৰতি খহনীয়াই তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে।

# শ্বহীদ উদ্যানৰ মাজেৰে দীপৰ বিললৈ বৈ আছে ডাম্পিং গ্ৰাউণ্ডৰ দূষিত পানী

## ২৬ জুনত পশ্চিম বৰাগাঁৱত ডাম্পিং গ্ৰাউণ্ড বন্ধৰ দাবীত অৱস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুন ঃ** দীপৰ বিলৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণ , সংবৰ্ধনৰ বাবে গঠন কৰা দীপৰ বিল সুৰক্ষা মঞ্চই গুৱাহাটী পৌৰ নিগমে পশ্চিম বৰাগাঁৱৰ বেলৰতলত বিগত বৰ্ষৰ আগষ্ট মাহত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ নিৰ্দেশ উলংঘা কৰি কোনো ধৰণৰ বৈজ্ঞানিক পদ্ধতি অৱলম্বন নকৰাকৈ ডাম্পিং গ্ৰাউণ্ড স্থাপন কৰা বাবে বৃহত্তৰ অঞ্চলটোৰ ৰাইজ তথা দাঁতিকাষৰীয়া ১৬খন গাঁৱৰ বাসিন্দাসকলে দুৰ্গন্ধৰ সৈতে সহাৱস্থান কৰিবলগীয়া হৈছে। আনকি গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱশিস শৰ্মাই যোৱা ফেব্ৰুৱাৰী মাহতে ডাম্পিং গ্ৰাউণ্ডত এমাহৰ ভিতৰতে বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি আৱৰ্জনা পেলোৱা হ'ব বুলি সদৰী কৰিছিল। পৰৱৰ্তী সময়ত সেই এমাহ উকলি গৈ তিনি মাহ অতিক্ৰম কৰাত যোৱা মে' মাহত দীপৰ বিল সুৰক্ষা মঞ্চই ডাম্পিং গ্ৰাউণ্ডৰ সন্মুখত গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাত নিগমৰ আয়ুক্ত দেৱাশিস শৰ্মাই ২৪ মে'ত দীপৰ বিল সুৰক্ষা মঞ্চৰ এটা সঁজাতী দলৰ সৈতে যুটীয়াভাৱে নাৱেৰে দীপৰ বিল পৰিদৰ্শন কৰি ডাম্পিং গ্ৰাউণ্ডৰ দূষিত, গেলা-পচা আৱৰ্জনাই দীপৰ বিলক কিদৰে প্ৰদূষিত কৰি বিলখনক মৃত্যুৰ মুখলৈ ঠেলি দিছে সেই দৃশ্য স্বচক্ষে প্ৰত্যক্ষ কৰি এমাহৰ ভিতৰতে দীপৰ বিলৰ পানী যাতে দূষিত নহয় তাৰ বাবে বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিহে ডাম্পিং গ্ৰাউণ্ডত আৱৰ্জনা পেলোৱা হ'ব বুলি ঘোষণা কৰিছিল । কিন্তু সেই ঘোষণাও এতিয়া উকলি যাবলৈ মাজতে মাত্ৰ তিনিদিন বাকী থকা অৱস্থাত নিগমৰ ফালৰ পৰা ডাম্পিং গ্ৰাউণ্ডত কোনো ধৰণৰ ন্যূনতম ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলটোৰ ৰাইজ উদ্বিগ্ন হৈ পৰিছে । আনকি এই বিষয়টো লৈ ১৯ জুনত দীপৰ বিলৰ পাৰৰ শ্ৰীশ্ৰীভাণ্ডাৰা গোহাঁই মন্দিৰৰ সভাগৃহত দীপৰ বিল সুৰক্ষা মঞ্চৰ এখন জৰুৰী সভা অনুষ্ঠিত হয় । মঞ্চৰ সভাপতি হেনৰী ডেভিড টেৰণৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক প্ৰমোদ কলিতাই। সভাত মঞ্চৰ উপদেষ্টা বিমল মেধি, উপ সভাপতি বলেশ্বৰ ৰংপি, সহকাৰী সাধাৰণ সম্পাদক সুশীল টেৰণ, কোষাধ্যক্ষ দ্বিপেন ৰংচাল, কাৰ্যকৰী সদস্য ভনিতা বড়ো টেৰণ, প্ৰমিলা টেৰণ, মিনতি ৰংচাল, সোণালী টেৰণকে ধৰি কেবাজনো কৰ্মকৰ্তা উপস্থিত থাকে। সভাত পৌৰ নিগমে বাৰে বাৰে ঘোষণা কৰিও বিগত কেবামাহ ধৰি সেই ঘোষণা কাৰ্যকৰী নকৰাৰ প্ৰতিবাদত ২৬ জুনত পুনৰ ডাম্পিং গ্ৰাউণ্ডৰ সন্মুখত অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । উদ্যোক্তাসকলে সিদিনা দিনৰ ১১ বজাৰ পৰা ১ বজালৈ অনুষ্ঠিত হ'বলগীয়া অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচীত দল-মত নিৰ্বিশেষে সকলো শ্ৰেণীৰ ৰাইজৰ উপস্থিতি কামনা কৰিছে। উল্লেখ্য যে বিগত দিনকেইটাত হৈ থকা বৰষুণৰ বাবে দীপৰ বিলৰ পানী ডাম্পিং গ্ৰাউণ্ডৰ সৈতে একাকাৰ হৈ পৰিছে । আনকি ওচৰতে ১০০ বিঘা ভূমিত নিৰ্মাণৰত অৱস্থাত থকা অসম আন্দোলনৰ জাতীয় শ্বহীদ উদ্যানৰ মাজৰে গৈ ডাম্পিং গ্ৰাউণ্ডৰ মাজেৰে গৈ দীপৰ বিলত পৰিছে । ফলত সম্পূৰ্ণ প্ৰদূষণৰ কবলত পৰিছে শ্বহীদ উদ্যান চৌহদ। পৰৱৰ্তী সময়ত ডাম্পিং গ্ৰাউণ্ডৰ বাবেই যে জাতীয় শ্বহীদ উদ্যানখন সংকটৰ গৰাহত পৰিব সেয়া নিশ্চিত।

## বিধায়িকা নন্দিতা দাসৰ বিৰুদ্ধে ক্ষোভ

**দৈনন্দিন বাৰ্তা সেৱা, নগৰবেৰা, ২০ জুন ঃ** ৰাজ্যত অব্যাহত আছে বান বিভীষিকা, চৌদিশে জলবন্দী জনতাৰ হাহাকাৰ। সমন্তৰালকৈ বকো সমষ্টিৰ নগৰবেৰা ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় সমূহ গাওঁ আজি বানৰ কবলত পৰিছে। বৃহত্তৰ নগৰবেৰাৰ জামলাই, মন্দিৰা, মন্দিৰা এন চি, ডেকাচাং, মালিবাৰী, জাওকাটাদিয়া, টুপামাৰী, বদলা, ৰাঙ্গাপানী আদি গাওঁ সমূহত দেখা গৈছে বন্যাৰ্তৰ হাহাকাৰ। জনপ্ৰতিনিধি কিম্বা চৰকাৰ-প্ৰশাসনে বন্যাৰ্তৰ কোনো খবৰ নোলোৱাত ক্ষোভিত হৈ পৰিছে ৰাইজে। স্থানীয় বিধায়িকা নন্দিতা দাসে এই বিপৰ্যয় সময়ত কোনো খবৰ নোলোৱাত অঞ্চলটোৰ সচেতন ৰাইজে ক্ষোভ উজাৰিছে লগতে পৰৱৰ্তী সময়ত ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব বুলি মন্তব্য প্ৰকাশ কৰে বন্যাৰ্তই। বিশেষকৈ মন্দিৰা এন চি গাওঁত ওখ ঠাইৰ অভাৱত একাংশই মন্দিৰা এন চি ফকিৰপাৰা প্ৰাঃ বিদ্যালয়ৰ মুধচত বহি বান দুৰ্যোগৰ পৰিত্ৰাণৰ পৰিকল্পনা কৰিছে গয়াই। চৌপাশে সাগৰ সদৃশ পৰিবেশ, ঘৰৰ চাৰিওফালে পানী আৰু পানী, অ'ৰ মানুহ ত'লৈ যাব নোৱাৰা অৱস্থা, বিশ্চিন্ন হৈ পৰিছে বহিঃজগতৰে যোগাযোগ। অঞ্চলটোত বিশুদ্ধ খোৱা পানী লগতে খাদ্য সংকটে দেখা দিছে বুলি মন্তব্য কৰে ৰাইজে। মুঠতে এক আতংকময় পৰিবেশ, শীঘ্ৰে অসম চৰকাৰৰ মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব, চৰকাৰ-প্ৰশাসন লগতে জনপ্ৰতিনিধি সকলক এই দুৰ্যোগৰ পৰা পৰিত্ৰাণ বিচাৰি বন্যাৰ্তই ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে।

# ধুবুৰীত বানপৰিস্থিতিৰ বুজ ল'বলৈ সাংসদ মাৰ্ঘেৰিটা, ৰাজ্যিক সাধাৰণ সম্পাদক গোহাঁই

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২০ জুন ঃ** বান পৰিস্থিতিৰ বুজ ল'বলৈ ধুবুৰীত উপস্থিত হ'ল ৰাজ্য সভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা আৰু ৰাজ্যিক সাধাৰণ সম্পাদক পুলক গোহাঁই। দৰাচলতে ধুবুৰী ঐতিহাসিক চহৰখনৰ ৩নং, ১১নং আৰু ১২নং ৱাৰ্ডত পৰিদৰ্শন কৰি বানাক্ৰান্ত ৰাইজৰ বুজ লয় ৰাজ্য সভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটাৰ লগতে ৰাজ্যিক সাধাৰণ সম্পাদক পুলক গোহাঁয়ে। গুৱাহাটীৰ মহানগৰীৰ দৰে কেবাদিন ধৰি মুষলধাৰ বৰষুণৰ ফলত ধুবুৰী চহৰখনৰ বিভিন্ন ৱাৰ্ডৰ জলবন্দী হৈ গৃহবন্দী হৈ পৰিছিল বিভিন্ন ৱাৰ্ডৰ জনতা। ইয়াৰ পাছত ধুবুৰীত বান পৰিস্থিতিৰ বুজ ল'লে ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটাৰ লগতে ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পুলক গোহাঁয়ে। শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ বিপদসংকুল বাঢ়নীৰ পানীয়ে ক্ৰমান্বয়ে ধুবুৰী চহৰৰ বিভিন্ন ৱাৰ্ডত প্ৰৱেশ কৰিছে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী। ইয়াৰ উপৰি চহৰখনৰ বিভিন্ন ৱাৰ্ডৰ ঘৰে ঘৰে গৈ



বানাক্ৰান্ত লোকসকলৰ পৰিস্থিতিৰ বুজ লয় ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা তথা

ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পুলক গোহাঁইৰ লগতে উপস্থিত থাকে জিলা বিজেপিৰ সভাপতি প্ৰসেনজিৎ দত্ত, সংখ্যালঘু বোৰ্ডৰ জিলা অধক্ষ্য মতিউৰ ৰহমানৰ লগতে জিলা বিজেপিৰ বিষয়ববীয়াসকল আৰু কৰ্মীসকল। বানাক্ৰান্তৰ বুজ লৈ অৱগত কৰিব মুখ্যমন্ত্ৰী তথা ধুবুৰী জিলা প্ৰশাসনক। ক্ষতিগ্ৰস্ত বানাক্ৰান্ত ৰাইজক সহায় কৰিবলৈ আহ্বান জনাব বুলি জানিবলৈ দিয়ে।

# শিৱসাগৰৰ বানপীড়িতৰ কাষত বিধায়ক অখিল গগৈ

## শিৱসাগৰৰ দিচাংমুখ-শান্তিপুৰ গাঁও পঞ্চায়তত খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২০ জুন ঃ** বিগত প্ৰায় পোন্ধৰ দিন ধৰি ৰাজ্যখনত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ নদীৰ লগতে ইয়াৰ উপনৈ সমূহৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত সমগ্ৰ ৰাজ্যখনৰ লগতে শিৱসাগৰ জিলাখনৰো বিভিন্ন অঞ্চল বানত প্লাৱিত হৈ পৰিছে। এই বানৰ প্ৰকোপৰ ফলত ইতিমধ্যে গৃহহাৰা হৈছে শ শ পৰিয়াল। পোহনীয়া জীৱ-জন্তুৰ লগতে বন্যাক্ৰান্তেয়ও একেলগে মথাউৰি আদিত থাকিবলগীয়াত পৰিছে। এক দুৰ্বিষহ জীৱন অতিবাহিত কৰিব লগীয়াত পৰিছে। শিৱসাগৰ জিলাৰ ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টিৰ নৈপৰীয়া জনসাধাৰণৰ এই একেই অৱস্থা। সমষ্টিটোৰ নৈপৰীয়া অঞ্চল দিচাংমুখ গাঁও পঞ্চায়তৰ বানত আক্ৰান্ত লোকৰ আজি সমস্যাৰ বুজ লয় সমষ্টিটোৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। আজি পুৱাৰ ভাগতে বিধায়ক গৰাকীয়ে দিচামুখৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰে। সংবাদ মাধ্যমৰ আগত সভাপতিগৰাকীয়ে উল্লেখ কৰে যে সম্প্ৰতি বিধানসভা সমষ্টিটোৰ অন্তৰ্গত বহু অঞ্চল বানত আক্ৰান্ত হোৱাৰ লগতে ১০খন গাঁৱত খাদ্য যোগান ধৰাৰ পৰিৱেশৰ সৃষ্টি হৈছে। ইতিমধ্যে বানত আক্ৰান্ত হোৱা এই গাঁওসমূহলৈ প্ৰশাসনৰ তৰফৰ পৰা খাদ্য যোগান ধৰিবৰ বাবে শিৱসাগৰ উপায়ুক্তৰ লগতে চক্ৰ বিষয়াক নিৰ্দেশ দিয়াৰ ফলত কালিৰেই পৰা সংশ্লিষ্ট গাঁওসমূহৰ বানাক্ৰান্তক খাদ্য যোগান ধৰাৰ ব্যৱস্থা শিৱসাগৰ জিলা প্ৰশাসেন আৰম্ভ কৰিছে বুলি বিধায়কগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ লগতে বিধায়কগৰাকীয়ে কয় যে, ইতিমধ্যে বানত আক্ৰান্ত হৈ খাদ্য সংকটত পৰা দিচাংমুখ গাঁও পঞ্চায়তৰ ৮ খন গাঁও আৰু শান্তিপুৰ গাঁও পঞ্চায়তৰ ২ খন গাঁৱত খাদ্য যোগান ধৰিবলগীয়া হৈছে। এই প্ৰত্যেকখন গাঁৱৰ বানপীড়িতৰ কাষলৈ যোৱাৰ চেষ্টা কৰা হৈছে। যাতে বানত আক্ৰান্ত প্ৰতিটো পৰিয়ালে খাদ্য সামগ্ৰী লাভ কৰিবলৈ সক্ষম হয় ইয়াৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বৰ্তমান ৰাইজৰ দলৰ কৰ্মী সকলে বানপীড়িতৰ কাষত থিয় দি সমস্যাৰ বুজ লৈছে। ইতিমধ্যে দিচামুখ গাঁও পঞ্চায়তৰ অন্তৰ্গত লিগিৰিবাৰী এন.চি, (বাহিৰ লিগিৰিবাৰী-টিয়ংৰবস্তী-জাহাজঘাট), অফলা এন.চি,, আলিছিগা, জগৰাহাবী, মামল গড়ভগা, চৰাইপৰা, বলমা আদি গাঁৱৰ লগতে শান্তিপুৰ গাঁও পঞ্চায়তৰ ফুকনফদীয়া আৰু গোৱালগাঁও সৰাগুৰিত খাদ্য সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে বুলি বিধায়ক অখিল গগৈয়ে জানিবলৈ দিয়ে।

**বেংক অব বৰোদা (Bank of Baroda)**

## শিৱসাগৰ শাখা

প্ৰথম মহলা, ভৰালী কমাৰ্চিয়েল কমপ্লেক্স, হস্পিতাল ৰোড, জি. এন. বি. ৰোড, শিৱসাগৰ, অসম-৭৮৫৬৪০

ই-মেইল ঃ vjsibs@bankofbaroda.co.in

[ৰুল-৮(১)]

**দখলৰ জাননী ( স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু,

তলত স্বাক্ষৰদানকাৰী **বেংক অব বৰোদা, হস্পিতাল ৰোড শাখা, শিৱসাগৰৰ** কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট (দ্বিতীয়) এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(১২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি **ৰুল-৩,** ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ অধীনত এখন দাবী জাননী জাৰি কৰা হৈছিল **১২.১১.২০২১** তাৰিখে ঋণ লওতা **শ্ৰী ধ্ৰুৱ জ্যোতি নেওগ** লৈ, যাতে জাননীত উল্লেখ থকা আদায় দিবলৈ থকা **ধনৰাশি ১৫,৭০,৮০২.০৪ টকা (পোন্ধৰ লাখ সত্তৰ হাজাৰ আঠশ দুই টকা চাৰি পইচা কেৱল)** এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে। ঋণ লওতাই উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা(৪)ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি **বিধি-৮** অনুসৰি ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ ভিত্তিত, **১৭ জুন, ২০২২ তাৰিখে।**

ঋণ লওতা বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা বেংক অব বৰোদাক আদায় দিবলৈ বাধ্য হ'ব **১৫,৭০,৮০২.০৪ টকা (পোন্ধৰ লাখ সত্তৰ হাজাৰ আঠশ দুই টকা চাৰি পইচা কেৱল)** আৰু তাৰ ওপৰত সুত। উক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ ঃ**

আৱাসী ভূমিৰ সকলো অংশ আৰু সম্পদসহ দাগ নং ২০২৫, পট্টা নং ৩৯৯, পৰিমাপ হ'ল ৩ কঠা, অৱস্থিত আছে গাঁও- দেচিয়েল, মৌজা- জকাইচুক, জিলা- শিৱসাগৰ, অসম।

চাৰিসীমা হ'ল ঃ **উত্তৰে ঃ** পথ, **দক্ষিণে ঃ** বৰ-আলি(পথ), **পূবে ঃ** বাবা দত্ত, **পশ্চিমে ঃ** মিনেশ্বৰ।

**পূৰ্বে জাৰি কৰা দখলৰ জাননীৰ তাৰিখ ০৭-০৩-২০২২ মনত পেলোৱা হৈছে**

**তাৰিখ ঃ ১৭.০৬.২০২২** কৰ্তৃত্বশীল বিষয়া
**স্থান ঃ শিৱসাগৰ** (বেংক অব বৰোদা, হস্পিতাল ৰোড, শিৱসাগৰ শাখা)

# পুত্ৰ-বোৱাৰী-নাতিনীৰ দ্বাৰা প্ৰহৃত আশীবছৰীয়া বৃদ্ধাৰ শেষ আশ্ৰয়ৰ সিদ্ধান্ত বৃদ্ধাশ্ৰম



**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২০ জুন ঃ** নিজ পুত্ৰ বোৱাৰী আৰু নাতিনীৰ দ্বাৰা প্ৰহৃত হৈ শুৱালকুছিৰ এগৰাকী অশীতিপৰ বৃদ্ধা ঘৰৰ পৰা পলায়ন কৰিব লগা হোৱা ঘটনা এটি পোহৰলৈ অহাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পিছত বৃদ্ধাগৰাকীয়ে ন্যায় বিচাৰি তিনিওৰে বিৰুদ্ধে শুৱালকুছি থানাত এজাহাৰ দাখিল কৰে। মানৱতাক ভূ-লুণ্ঠিত কৰা ঘটনাটি সংঘটিত হৈছে বস্ত্ৰনগৰী শুৱালকুছিৰ পশ্চিম পঞ্চায়তৰ দক্ষিণ সিদ্ধেশ্বৰ পাহাৰত। বৃদ্ধা গৰাকীৰ ভাষ্য মতে দক্ষিণ সিদ্ধেশ্বৰ পাহাৰৰ অশ্বনী বালা দাস নামৰ আশী বছৰীয়া বৃদ্ধাগৰাকীক তেওঁৰ পুত্ৰ সনক দাস, বোৱাৰী নিকু দাস আৰু নাতিনী আকাংক্ষা দাসে বিভিন্ন শাৰীৰিক আৰু মানসিক অত্যাচাৰ কৰাৰ অভিযোগ উত্থাপন কৰিছে । অনবৰতে শাৰীৰিক-মানসিক অত্যাচাৰ চলায় বৃদ্ধাগৰাকীৰ ওপৰত । বিনা কাৰণত বৃদ্ধাগৰাকীক চৰ-ভুকু-লাঠিৰে অত্যাচাৰ কৰে এই বয়সত। বিগত বিশ বছৰে স্বামীহীনা মহিলাগৰাকীয়ে নিজে ৰান্ধি খোৱা-লোৱা কৰে যদিও এওঁলোকৰ অত্যাচাৰত সময়ে সময়ে লঘোণে থাকিব লগা হয় বুলিও অভিযোগ তেওঁৰ। এনেদৰে বছৰৰ পিছত বছৰ ধৰি নিৰ্যাতন সহ্য কৰি দিন পাৰ কৰিছিল বৃদ্ধাগৰাকী। অত্যাচাৰ চৰম সীমাত উপনীত হোৱাত যোৱা ৯ জুনত বৃদ্ধাগৰাকীয়ে নিজ গৃহ ত্যাগ কৰি আশ্ৰয় লয় মাতৃৰ পৰিয়ালত। শেষত উপায়ান্তৰ হৈ পুত্ৰ-বোৱাৰী-নাতিনীৰ বিৰুদ্ধে ১৮ জুনত শুৱালকুছি থানাত এজাহাৰ দি বৃদ্ধাশ্ৰমত শেষ আশ্ৰয় লোৱাৰ ইচ্ছা প্ৰকাশ কৰে আৰক্ষীৰ ওচৰত। ইতিমধ্যে আৰক্ষীয়ে ৮০/২২ গোচৰ ৰুজু কৰি বৃদ্ধাগৰাকীৰ বিবাহিত জীয়ৰী সুৰমা দাসৰ জিম্মাত দিয়ে। ইফালে সকলো ঘটনা জানিও নিৰ্দিষ্ট দূৰত্বত অৱস্থান কৰিছে বৃদ্ধাগৰাকীৰ দ্বিতীয় পুত্ৰ ৰঞ্জিত দাসে। বৃদ্ধাগৰাকীৰ দুৰৱস্থাৰ বাবে সমানে জগৰীয়া ৰঞ্জিত দাসো। তেওঁকো আইনৰ আউটিলৈ আনিবলৈ আৰক্ষীক দাবী জনায় চুবুৰিবাসী ৰাইজে। এগৰাকী জন্মদাত্ৰী মাতৃৰ দুটাকৈ পুত্ৰ সন্তান থাকোতে জীৱন শেষৰ সময়ছোৱাত বৃদ্ধাশ্ৰমত থাকিব লগা পৰিৱেশ সৃষ্টি হোৱাটো গৰ্হিত আৰু লজ্জাজনক বুলি মন্তব্য কৰিছে সচেতন ৰাইজে। ইয়াৰ উচিত বিচাৰ কৰিবলৈ প্ৰশাসনক অনুৰোধ জনায়।




লখিমপুৰত অগ্নিপথ আঁচনিৰ প্ৰতিলিপি দাহন আৰু বিক্ষোভ কাৰ্যসূচী এ আই ডি ৱাইঅ', এ আই ডি এছ অ', এআইএমএছএছৰ

# নগৰবেৰা ৰাজহ চক্ৰ এলেকাত বানাক্ৰান্তৰ হাহাকাৰ

## বানবিধ্বস্ত অঞ্চলৰ পৰিস্থিতিৰ বুজ ল'লৈ ৰাজহ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২০ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা ৰাজহ চক্ৰ এলেকাতো বান পৰিস্থিতি অধিক জটিল ৰূপ ধাৰণ কৰাত সৰ্বসাধাৰণ ৰাইজৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে । ইতিমধ্যে ৰাজহ চক্ৰটোৰ অন্তৰ্গত ২৭ খনকৈ গাওঁ ভয়াবহ পানীয়ে বুৰাই পেলোৱাত খেতি পথাৰ, পুখুৰী, বাট পথৰ বিস্তৰ ক্ষতি সাধন হোৱাৰ লগতে ঠাই বিশেষে কিছু কিছু পৰিয়ালৰ ঘৰ দুৱাৰত পানী উঠি এক হাহাকাৰ অৱস্থাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে । বহু পথ ইতিমধ্যে প্ৰলয়ংকাৰী বানে বুৰাই পেলোৱাত যাতায়ত ব্যৱস্থা ব্যাহত হৈ পৰিছে। এনে জটিল পৰিস্থিতিৰ মাজতে আজি কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰৰ লগতে নগৰবেৰা সাংবাদিক সন্থাৰ এটি সজাতি সজাতি দলে সমষ্টিটোৰ বিভিন্ন বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি বানত আক্ৰান্ত হোৱা লোকৰ সৈতে মত বিনিময় কৰে। নগৰবেৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰে কাৰ্যালয় খনৰ একাংশ বিষয়া কৰ্মচাৰী লগত লৈ মন্দিৰা এন চি, ৰংগেশ্বৰী পাম, ধানবান্ধা বৰীৰ লগতে কেবা খনো বানাক্ৰান্ত অঞ্চল পৰিভ্ৰমণ কৰি বানাক্ৰান্ত লোকৰ সকলৰ ক্ষয় ক্ষতিৰ বুজ লোৱাৰ বানাত আক্ৰান্ত হোৱা লোক সকলে হোৱা বিভিন্ন অসুবিধাৰ বিষয়ে অৱগত হয়। বানত আক্ৰান্ত হোৱা লোক সকলক সাহায্য প্ৰদান কৰাৰ বাবেও চৰকাৰক অনতি পলমে আহ্বান জনোৱা হব বুলিও চক্ৰ বিষয়া গৰাকীয়ে আশ্বাস প্ৰদান কৰে। ইপিনে বানাক্ৰান্ত অঞ্চল সমূহত ৰাইজৰ কোনো অসুবিধা হলে স্থানীয় গাওঁবুঢ়া নাইবা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত ততাতৈয়াকৈ যোগাযোগ কৰিবলৈও চক্ৰ বিষয়া বনশ্ৰী মালাকাৰে ৰাইজক আহ্বান জনায়।

## দিল্লী আৰক্ষীয়ে দলৰ কেন্দ্ৰীয় কাৰ্যালয়ত শীৰ্ষ নেতৃত্বক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগত ধুবুৰীত ব্লক কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২০ জুন ঃ** ১৫ জুনত দিল্লী আৰক্ষীয়ে দলৰ কেন্দ্ৰীয় কাৰ্যালয়ত শীৰ্ষ নেতৃত্বক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ তুলি আজি ধুবুৰীৰ ৰাজীৱ ভৱনৰ সমীপৰ ৰাজপথত জিলা কংগ্ৰেছৰ উদ্যোগত এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়িত হয়। ধুবুৰী জিলা কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সভাপতি ছামছুল ইছলামৰ নেতৃত্বত প্ৰতিবাদকাৰীসকলে বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে ৰাজপথ উত্তাল কৰি তোলে।

# চাফাই কৰ্মীৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি 'এৰিডা'ৰ সুৰক্ষামূলক কিট বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুন ঃ** ৰাজধানী চহৰ গুৱাহাটী মহানগৰীক পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে গুৱাহাটী পৌৰ নিগমৰ কৰ্মীসকলে। গুৱাহাটীৰ আৱৰ্জনা পৰিষ্কাৰ কৰাৰ দায়িত্বত থকা এইসকল চাফাই কৰ্মীৰ শাৰীৰিক সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ উদ্যোগ গ্ৰহণ কৰিছে আসাম ৰিয়েল ইষ্টেট ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেল'পাৰ এছ'চিয়েশ্যন চমুকৈ 'এৰিডা'ই। ইয়াৰ অংশ হিচাপে আজি 'এৰিডা'ই গুৱাহাটী পৌৰ নিগমৰ চাফাই কাৰ্মীসকলৰ মাজত বিতৰণ কৰে সুৰক্ষামূলক সামগ্ৰীৰ কিট। গুৱাহাটী পৌৰ নিগমৰ পানবজাৰস্থিত আয়ুক্তৰ কাৰ্যালয়ত আয়োজন কৰা এক অনুষ্ঠানত এই কিটসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয় ।অনুষ্ঠানত অংশ গ্ৰহণ কৰি গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱাশীষ শৰ্মাই উদ্যোক্তাসকলক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। ৰ'দ-বৰষুণ নেওচি গুৱাহাটীখনক সুন্দৰ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা পৌৰ নিগমৰ কৰ্মীসকলৰ স্বাস্থ্যৰ কথা চিন্তা কৰি সুৰক্ষামূলক কিট দিয়াৰ বাবে আয়ুক্ত শৰ্মাই এৰিডাৰ শলাগ লয়। শাৰীৰিক সুৰক্ষাৰ এই কিটত আছে উৎকৃষ্ট মানৰ গামবুট, ৰেইন কোট আৰু স্কেভেঞ্জিং গ্ল'ভছ। এই সন্দৰ্ভত 'এৰিডা'ৰ সভাপতি পি কে শৰ্মাই কয় যে শেহতীয়াকৈ কৃত্ৰিম বানৰ কবলত পৰা গুৱাহাটী মহানগৰীক পৰিষ্কাৰ কৰি ৰখাৰ বাবে কৰ্দমৰ মাজত দিনে-নিশাই সেৱাৰত হৈ আছে পৌৰ নিগমৰ চাফাই কৰ্মীসকল। তেওঁলোকে বোকা-পানী তথা গেলা-পচা আৱৰ্জনাৰ মাজত কাম কৰিবলগীয়া হৈছে। বাট-পথ তথা নলা-নৰ্দমাবোৰ পৰিষ্কাৰ কৰিবলৈ চব্বিশ ঘণ্টাই পৰিশ্ৰম কৰি থকা এই সকল চাফাই কৰ্মীৰ সুৰক্ষিত স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এৰিডাৰ ফালৰ পৰা এই সুৰক্ষা কিট প্ৰদান কৰা হৈছে বুলি শৰ্মাই কয়। শৰ্মাই লগতে কয় যে এৰিডাই বিগত কেইবা বছৰ ধৰি বিভিন্ন সমাজ সেৱামূলক কামত নিয়োজিত হৈ আছে। ক'ভিডৰ সময়ত "মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি"লৈ অনুদান আগবঢ়োৱাৰ উপৰি গুৱাহাটীকে ধৰি বিভিন্ন জিলাত বান সাহায্যৰ কাম কৰি আহিছে। ২০২০ চনৰ ভয়াৱহ বানৰ সময়ত মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যত বন্যপ্ৰাণীৰ বাবে ঘাঁহৰ যোগান ধৰা হৈছিল। শৰ্মাই লগতে কয় যে ১৯ জুনৰ পৰা কৃত্ৰিম বানৰ কবলত পৰা গুৱাহাটীৰ বিভিন্ন অঞ্চলৰ বাসিন্দাৰ মাজত এৰিডাৰ ফালৰ পৰা আহাৰৰ যোগান ধৰা হৈছে। যিটো বৰ্তমান গুৱাহাটীৰ বিভিন্ন স্থানত চলি আছে। লায়ন্স ক্লাবৰ ভ্ৰাম্যমাণ যান্ত্ৰিক পাকঘৰৰ সহায়ত খাদ্য বিতৰণৰ এই প্ৰক্ৰিয়া গুৱাহাটীৰ বিভিন্ন স্থানত অব্যাহত আছে বুলি শৰ্মাই কয়। আজিৰ কাৰ্যসূচীত এৰিডাৰ ভালেসংখ্যক বিষয়ববীয়া উপস্থিত আছিল।






দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২১ জুন ■ ২০২২ ■ ৬ আহাৰ ■ গুৱাহাটী

# পৌৰ নিগমৰ উচ্ছেদ আৰু ক্ষুদ্ৰ ব্যৱসায়ী

বিজেপি দলৰ দ্বিতীয়খন ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনে কৰ'না মহামাৰীত অৰ্থনৈতিক বিপৰ্যয়ত বিধ্বস্ত হোৱাসকলক সংস্থাপিত কৰাৰ প্ৰতিশ্ৰুতিৰ জয়ঢোল বজাই থকাৰ সময়তেই গুৱাহাটী মহানগৰীৰ পথ, পদপথ ব্যৱসায়ীসকলক উচ্ছেদ কৰাৰ বাতৰি প্ৰকাশ পাইছে আৰু সেই মৰ্মে কেইবা হাজাৰ ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰিয়ালত হাহাকাৰ সৃষ্টি হৈছে আৰু সেইসকল উপাৰ্জনহীন হৈ পৰিছে। ক্ষুদ্ৰ ব্যৱসায়ীসকলে পথ আৰু পদপথৰ ব্যৱসায় কৰাটো বেআইনী। ৰাজহুৱা স্থান এনেদৰে দখল কৰাটো আইনবিৰোধী। কাৰণ ইয়াৰ বাবে যান-বাহন চলোৱা আৰু পথচাৰীসকলে অহা-যোৱা কৰাত বাধাৰ সৃষ্টি হয়। কিন্তু এইসকল লোকে পদপথসমূহৰ ওপৰত শাক-পাচলি, কাপোৰ আদি বিভিন্ন সামগ্ৰীৰ দোকান, চাহৰ দোকান আদি দিয়াৰ ফলত মহানগৰৰ পথচাৰীৰ নানা সমস্যাৰ সৃষ্টি হৈছে। যাৰ বাবে তেওঁলোকে ব্যৱসায় কৰাত ভীষণ অসুবিধাৰ সমস্যা হৈছে। লগতে যান-বাহনৰ চালকসকলে বাধাৰ সন্মুখীন হৈছে। চাবলৈ গ'লে সৰ্বত্ৰ সকলো সময়তে যান- জঁটৰ সৃষ্টি হৈছে আৰু যাতায়াত তথা পৰিবহণ ব্যৱস্থাত ভীষণ জটিলতাৰ উদ্ভৱ হৈছে। আনকি বহু সময়ত দুৰ্ঘটনাও হোৱা পৰিলক্ষিত হৈছে। এই কথাত মহানগৰৰ দোকান-বজাৰলৈ নাইবা কৰ্মস্থলীলৈ যোৱা লাখ লাখ লোকে পথ তথা পদপথৰ ওপৰত ব্যৱসায়ীৰ বেদখলৰ ফলত সমস্যা দেখা দিছে। ইয়াৰ বাবে পৌৰ নিগম কৰ্তৃপক্ষই এইসকলক উচ্ছেদ কৰিবলৈ বাধ্য। জনসাধাৰণৰ যাতায়াত নাইবা মুক্ত বিচৰণৰ সুবিধা পৌৰ নিগমে নিদিয়াকৈ থাকিব নোৱাৰে। এইক্ষেত্ৰত নিগম চকু মুদা কুলি হৈ থাকিব নোৱাৰে। বে-আইনীভাৱে বেদখল কৰি ব্যৱসায় কৰি থাকিবলৈ দিলে মহানগৰীৰ জীৱন যাত্ৰাত অভাৱনীয় বাধা আৰু সমস্যাই দেখা দিব। সেয়ে পৌৰ নিগমে কাকোকে সমৰ্থন কৰিব নোৱাৰে বা কৰাটো অনুচিত। তেনেকুৱা কৰিবলৈ হ'লে মহানগৰবাসীৰ জীৱন অসুৰক্ষিত হৈ পৰিব। চিকিৎসালয়লৈ ৰোগীক নিবৰ বাবে সেৱাত থকা এম্বুলেঞ্চ আদিৰ যাতায়াতৰ ক্ষেত্ৰত ভীষণ সমস্যাই গা কৰি উঠিব। তদুপৰি মহানগৰীত সংঘটিত হৈ থকা অপৰাধীসকলৰ ক্ষেত্ৰত আৰক্ষীয়ে তাৎক্ষণিক ব্যৱস্থা ল'বলৈ অসুবিধা হোৱাৰ সম্ভাৱনাই অধিক। তাতোকৈ অসুবিধাৰ সৃষ্টি হৈছে বয়োজ্যেষ্ঠ নাইবা শাৰীৰিকভাৱে অক্ষম লোকসকলে যাতায়াত কৰিবলৈ বন্ধ হোৱাৰ লেখীয়াই হৈছে পদপথবোৰ। ইমান দিন পৌৰ নিগমে পথপথসমূহত দোকান-বজাৰৰ প্ৰতি নৰম স্থিতি লোৱাৰ বাবেই হয় নলা-নৰ্দমাত আৱৰ্জনাৰে পৰিপূৰ্ণ হৈ আহিছে, যাৰ বাবে অন্যতম অস্বাস্থ্যকৰ পৰিৱেশ এটাৰ সৃষ্টি হৈ আহিছে আৰু তাৰ দুৰ্ভোগ ভুগিব লগা হৈছে মহানগৰীৰ জনসাধাৰণে। এইক্ষেত্ৰত ৰাইজে পৌৰ নিগমক অভিযোগ দি আহিছে। সৰ্বত্ৰ গুৱাহাটী মহানগৰৰ পদপথবোৰত এনেদৰে ব্যৱসায় প্ৰতিষ্ঠান গঢ়ি উঠাৰ বাবে আৰু আৱৰ্জনা আদিৰে পূৰ্ণ নলাবোৰ বন্ধ হোৱাৰ বাবেই অপৰিষ্কাৰ হৈ পৰাৰ অন্যতম কাৰণৰ বাবেই দেশৰ ভিতৰতেই অপৰিষ্কাৰ নগৰ হিচাপে নিম্নতম স্থানত আছে গুৱাহাটী মহানগৰী। পৌৰ নিগম এইক্ষেত্ৰত উচ্ছেদ কৰিবলৈ দায়বদ্ধ। সেয়ে নিগমে এইসকলৰ বাবে নিৰ্দিষ্ট এলেকা উলিয়াই দিয়াৰ দাবী ক্ষুদ্ৰ ব্যৱসায়ীসকলে দাবী জনাই আহিছে। পৌৰ নিগমে বিষয়টোত গুৰুত্ব দিলেহে এইসকল ক্ষুদ্ৰ ব্যৱসায়ী জীৱন তথা পৰিয়ালৰ পোহ-পালন সুবিধা হ'ব। অন্যথা এইসকলৰ জীৱন নিৰ্বাহৰ প্ৰতি ভাবুকি আহিব। যাৰ কাৰণে উচ্ছেদ বন্ধৰ কিছু দিনৰ পিছতেই তেওঁলোকে পুনৰ তেওঁলোকৰ ব্যৱসায়ৰ বাবে বেদখল কৰি বহিব আৰু পুনৰ আগৰ দৰেই সমস্যাৰ সৃষ্টি কৰিব। ইয়াৰ সু-মীমাংসা নোহোৱা পৰ্যন্ত এনেদৰেই সমস্যাৰ সৃষ্টি কৰিব আৰু মহানগৰবাসীয়ে ইয়াৰ পৰা সমস্যাৰ সমাধান নোহোৱা পৰ্যন্ত একেই সমস্যাতেই বাস কৰিব লাগিব। সেয়ে চৰকাৰে খন্তেকীয়া উচ্ছেদ কৰিয়েই সমস্যাটোৰ সমাধান হোৱা বুলি ভাবিব নালাগে। সু-পৰিকল্পিত চিন্তা কৰি ইয়াৰ সমস্যাটো সমাধানৰ পথ উলিওৱাটোতহে গুৰুত্ব দিব লাগে।

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

■ প্ৰসংগ ঃ ধৰ্মীয় উত্তেজনা ■

# ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰত ধৰ্মীয় উত্তেজনা কিয় ?

**ভূপেন মহন্ত**

২১ মে'। যেন এক ভয়াৱহ দিন অসমৰ বাবে। নগাঁও জিলাৰ ঐতিহাসিক বটদ্ৰৱা, য'ত জাতিৰ জনক, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল। য'ত নিতৌ হৰিনামৰ ধ্বনিৰে চৌদিশ ৰজনজনাই থাকে। সেই পৱিত্ৰ বৰদোৱাতে সংঘটিত হ'ল ইতিহাস কলংকিত কৰা এক অপ্ৰীতিকৰ ঘটনা। এজন পোনা মাছ বিক্ৰী কৰা ব্যৱসায়ী বটদ্ৰৱা থানাৰ আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা ঘটনাক কেন্দ্ৰ কৰি একাংশ বৰ্বৰ আৰু উত্তেজিত লোকে প্ৰথমে থানা ঘেৰাও কৰি প্ৰতিবাদ কৰাৰ পিছত পেট্ৰল ঢালি থানাখন জ্বলাই দি ভস্মীভূত কৰিলে। থানাখনৰ কৰ্মৰত আৰক্ষীকো গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰি অস্ত্ৰ ভাণ্ডাৰো জ্বলাই দিলে। প্ৰতিবাদৰ নামত এনেদৰে থানা জ্বলাই দিয়া ঘটনা অতি বিৰল। থানা এৰি পলাবলগীয়া হ'ল আৰক্ষীৰ লোকসকল। এগৰাকী বন্দী অভিযুক্ত থানাত যি কাৰণতে মৃত্যু নহওক সেয়া লগে লগে উপযুক্ত কাৰণসহ প্ৰথমতে পৰিয়ালৰ লোকক অৱগত কৰাটো অতি জৰুৰী। কিন্তু সেয়া নিশ্চয় কৰা হোৱা নাছিল। আনহাতে, অভিযুক্ত যদি কিবা ৰোগত আক্ৰান্ত হৈ আছিল অথবা আৰক্ষীৰ তৰফৰ পৰা জনোৱা অনুসৰি যদি তেওঁ সুৰাসক্ত আছিল তেনেহ'লে চিকিৎসকৰ হতুৱাই পৰীক্ষা কৰোৱাৰ ব্যৱস্থা তাৎক্ষণিকভাৱে কৰা হৈছিল নে? কিন্তু পৰিয়ালৰ লোকে পিছদিনা খবৰ কৰিবলৈ যাওঁতেহে গম পালে যে অভিযুক্তক নগাঁও ভোগেশ্বৰী ফুকননী হাস্পতালত ভৰ্তি কৰা হৈছে। হাস্পতাললৈ গৈ কিন্তু পৰিয়ালৰ লোকে মৰণোত্তৰ পৰীক্ষা গৃহতহে উদ্ধাৰ কৰে অভিযুক্তৰ মৃতদেহ। এনে বিসংগতিপূৰ্ণ ঘটনাৰ পৰাই আৰম্ভ হয় বটদ্ৰৱা থানাত উত্তপ্ত পৰিস্থিতি। আৰু শেষত অগ্নি সংযোগৰ ঘটনা সংঘটিত হ'ল। ইমানখিনি দীৰ্ঘ সময় পায়ো কিন্তু থানাখনৰ আৰক্ষীয়ে নগাঁও সদৰ থানালৈ সহায় বিচাৰিয়ে হওক অথবা শান্তি-শৃংখলা ৰক্ষাৰ বাবেই হওক খবৰ এটা নকৰিলে। বৰং থানা এৰি তেওঁলোকে পলাবলগীয়া হ'ল। ইমানৰ পিছতো কোৱা হৈছে উক্ত থানা জ্বলোৱা ঘটনাটো দুষ্কৃতিকাৰীসকলৰ পূৰ্বপৰিকল্পিত আছিল। কিন্তু কথা হ'ল, যদি ইমান ভয়ানক ঘটনা এটা সংঘটিত হ'ব বুলি অথবা পূৰ্বপৰিকল্পিত আছিল বুলি জানিছিলেই তেনেহ'লে পূৰ্বপৰিকল্পিত এই ঘটনা প্ৰতিৰোধ কৰাৰ বাবে আৰক্ষী-প্ৰশাসনৰ তৰফৰ পৰা ব্যৱস্থা কিয় গ্ৰহণ কৰা নহ'ল। তাৰ বাবে কাক দোষী সাব্যস্ত কৰা হ'ব। আনহাতে, থানা জ্বলোৱাৰ পিছদিনা মৃত অভিযুক্তজনৰ লগতে আৰু বহুকেইজনৰ বাসগৃহত হঠাতে আহি জিলা প্ৰশাসনে উচ্ছেদ চলায়। যদি সঁচা অৰ্থতে তেওঁলোকে বেদখলকাৰী তেনেহ'লে ইমান দিন কেনেকৈ সেই অঞ্চলত বসবাস কৰি থাকিবলৈ পালে, কোনে অনুমতি দিলে এই বেদখলকাৰীসকলক। গতিকে এজন লোকৰ আগদিনা থানাত আকস্মিক মৃত্যু আৰু তাৰ পিছদিনাই ঘৰখনো উচ্ছেদ কৰা কাৰ্য কিমান হৃদয়বিদাৰক হ'ব পাৰে। সেই পৰিয়ালটোৰ বাহিৰে আনে হয়তো এই কথা উপলব্ধি কৰিব নোৱাৰিব। ধৰি ল'লো তেওঁলোক সঁচাকৈ বহিৰাগত, অবৈধ বেদখলকাৰী (যদিও অভিযুক্ত পৰিয়ালকেইটাই দাবী কৰা অনুসৰি তেওঁলোকৰ এই উচ্ছেদ বে-আইনী, অমানৱীয়। এই ভূমি তেওঁলোকৰ নামত আছে।) কিন্তু এনেদৰে অমানৱীয়ভাৱে উচ্ছেদ কৰা কাৰ্য কিমান গ্ৰহণযোগ্য। মই সেইসকল থানা আক্ৰমণ কৰা লোকক সমৰ্থন কৰিবলৈ এই কথা কোৱা নাই। তেওঁলোক সম্পূৰ্ণভাৱেই জগৰীয়া। উপযুক্ত শাস্তি তেওঁলোকে পাব লাগিব। এখন থানাৰ ওপৰত আক্ৰমণ কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। তেওঁলোকে এই বৰ্বৰ কাণ্ড কৰাৰ আগতে তেওঁলোকৰ সকলো অভিযোগ জিলা প্ৰশাসনৰ ওচৰত দাখিল কৰি শান্তিপূৰ্ণভাৱে ন্যায় বিচাৰিব পাৰিলেহেঁতেন। তাকে নকৰি এই নজিৰবিহীন কাণ্ড কৰি তেওঁলোকে অক্ষমণীয় কাৰ্য কৰিছে। আইন অনুসৰি তেওঁলোকে শাস্তি পাবই লাগিব। নহ'লে আকৌ কৰ'বাত এনে কাণ্ড নঘটিব যে মানে নাই। কিন্তু শান্তি ৰক্ষাৰ নামধাৰী আৰক্ষীয়ে যদি অশান্তিজনক কাৰ্য কৰিবলৈ হয় তেনেহ'লে কি কৰা হ'ব। এই কথাবোৰ বাৰু অলক্ষিতে থাকি যাব নেকি? যদি তেওঁলোক অবৈধ বিদেশী বুলি চৰকাৰী প্ৰশাসন নিশ্চিত তেওঁলোকক আইনী প্ৰক্ৰিয়াৰ মাজেৰে অসমৰ পৰা বহিষ্কাৰৰ তাৎক্ষণিত পদক্ষেপ ল'ব লাগে। অসমৰ ৰাইজেতো তাকেই সদায় কৈ আহিছে। কিন্তু তাকে নকৰি সেই পদক্ষেপতো জটিলতাৰহে সৃষ্টি কৰা হৈছে। তেওঁলোক বিদেশী বুলি চিনাক্ত নোহোৱা পৰ্যন্ত য'তে আছে তাকেই থাকিবলৈ দি অসমত শান্তিৰ পৰিৱেশ ৰচনা কৰাত কিহৰ অসুবিধা থাকিব পাৰে। থানা জ্বলাবলৈ সাহস কৰা দুষ্কৃতিকাৰীসকল যেনেদৰে জগৰীয়া ঠিক তেনেদৰে থানা জ্বলোৱাৰ সুযোগ দিয়া বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনো দোষৰ পৰা সাৰি যাব নোৱাৰে। একাংশই আকৌ কৈছে — থানা জ্বলোৱাসকলৰ একাংশ প্ৰশিক্ষণপ্ৰাপ্ত জেহাদী। যদি এই কথা সত্য হয়, তেনেহ'লে দেশৰ বাবেই ই এক ভয়ংকৰ কথা হ'ব। ইমানবোৰ চোৰাংচোৱা সংস্থা, পুলিচ, চিআৰপি, সেনাবাহিনীৰে পূৰ্ণ হৈ থকা ৰাজ্যখনত কেনেকৈ বাংলাদেশী উগ্ৰপন্থী প্ৰৱেশ কৰি এখন সশস্ত্ৰ বাহিনীৰ লোকেৰে ভৰি থকা থানাত জুই দিবলৈ পালে। এয়া বাৰু কাৰ ব্যৰ্থতা। এটা সম্প্ৰদায়ক দোষী সাব্যস্ত কৰিলেই জানো এনেবোৰ স্পৰ্শকাতৰ বিষয়ৰ সমাধান কৰিব পৰা যাব? থানাখন জ্বলোৱাৰ পিছদিনাখনেই একাংশ লোকৰ ঘৰ লণ্ড-ভণ্ড কৰি পেলোৱা হ'ল উচ্ছেদৰ নামত। সেইবোৰ নিয়ম, আইন-কানুনৰ মাজেৰে কৰি যোৱা হ'লে ক'বলগীয়া একো নাছিল। কিন্তু থানা জ্বলোৱাৰ পিছতহে তেওঁলোক বিদেশী বুলি চিনাক্তকৰণ হ'ল নে? যদি তেওঁলোক বিদেশীয়েই আজি পৰ্যন্ত কিয় খেদি পঠিওৱা হোৱা নাই এইসকল লোকক। ফলত সমস্যা সেইসকলৰো হৈছে, চৰকাৰৰো হৈছে। আমি এইবোৰৰ সমাধান বিচাৰো, পৰিস্থিতিৰ অৱনতি নিবিচাৰো। ধৰ্মীয় অহষ্ণুিতা নিবিচাৰো।

এটা কথা ঠিক, অপৰাধ জগতখনৰ সৈতে ইছলামধৰ্মী একাংশ লোক বেছিকৈ জড়িত হৈ থকা দেখা যায়। যেনে, ড্ৰাগছ সৰবৰাহ, গৰুৰ চোৰাং ব্যৱসায়, নাৰী সৰবৰাহ, চোৰ-ডকাইতি আদিৰ লগত তেওঁলোক জড়িত থকা সততে দেখিবলৈ পোৱা যায়। আৰু এনেবিলাক দুষ্কাৰ্যৰ পৰাই তেওঁলোকৰ বদনামো হৈ আহিছে সততে। লগতে একাংশই ইয়াৰ সুযোগ লৈ সকলো ইছলামধৰ্মী লোককে বদনাম কৰিবলৈ সুবিধা পাইছে। গতিকে এইসকল লোকে তেনেবোৰ অপকৰ্মৰ পৰা বিৰত থাকি অসমৰ স্থায়ী উন্নতিত অৰিহণা যোগাওক, দেখিব তেওঁলোক এদিন দোষমুক্ত হ'ব। অৱশ্যে দোষ কৰিলে সি উপযুক্ত শাস্তি পাবই লাগিব। তেওঁ যি ধৰ্মৰ লোকেই নহওক কিয়? গতিকে এনেবোৰ অপবাদৰ পৰা হাত সৰাৰ উপায় সেইসকল লোকৰ হাততে আছে। যিসকল লোক এনেবোৰ অপকৰ্মত লিপ্ত হৈ নিজৰ জাতি আৰু ধৰ্মৰ গ্লানি আনিছে।

আনহাতে, লাহে লাহে আমাৰ দেশত ধৰ্মীয় উত্তেজনা বৃদ্ধি পাবলৈ ধৰিছে। আজি একাংশ লোকে ধৰ্মক লৈ যেনেদৰে সৰৱ হৈ পৰিছে, সেই কথাই দেশখনৰ বাৰু উন্নতিত সহায়ক হৈছে নে অথবা কিমানখিনি সহায় কৰিছে। ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ দেশ। ইয়াত সকলো ধৰ্মৰ লোকৰে সম-অধিকাৰ আছে। সেই অধিকাৰ আমাক ভাৰতীয় সংবিধানে প্ৰদান কৰিছে। গতিকে এটা ধৰ্মৰ লোকে আন এটা ধৰ্মৰ লোকক তুচ্ছ-তাচ্ছিল্য কৰাৰ যি প্ৰৱণতা বৰ্তমান ভাৰতবৰ্ষত গঢ় ল'বলৈ ধৰিছে। ইয়ে নিশ্চয় ভৱিষ্যৎ দিনত আমালৈ অশনি সংকেত কঢ়িয়াইহে আনিব। ইয়াৰ পূৰ্বাভাস আমি দেখিবলৈ পাইছোঁ। নূপুৰ শৰ্মা আৰু নবীন জিন্দালৰ বিতৰ্কিত মন্তব্যই ইতিমধ্যে দেশ তোলপাৰ লগোৱাৰ উপৰি দেশৰ সীমা অতিক্ৰমী বিশ্বৰ বহু ৰাষ্ট্ৰত ক্ষোভৰ সৃষ্টি কৰিছে। হিন্দু ধৰ্ম ইমানতো দুৰ্বল নহয় যে আমি ভাৰতৰ আন এটা ধৰ্মক বা ধৰ্মগুৰুক অপমানিত কৰিলেহে হিন্দু ধৰ্ম আগবাঢ়ি যাব পাৰিব বা হিন্দু ধৰ্ম ৰক্ষা হ'ব। তেনে, কিয় আমি আন এটা ধৰ্মক লৈ ইমান চিন্তিত। তাতকৈ হিন্দু ধৰ্মৰ ভালখিনি প্ৰচাৰ কৰিলেহে বিশ্বত আমাৰ ধৰ্মটোৰ বিকাশ হ'ব। যিখন দেশ সকলো ধৰ্মৰ লোকৰ মিলন ভূমি বুলি বিশ্বৰ সৰ্বত্ৰ চৰ্চিত, যিখন দেশ ধৰ্মনিৰপেক্ষ বুলি পৃথিৱীত সুনাম আছে সেইখন ভাৰতবৰ্ষৰ প্ৰতি বিশ্বৰ বিভিন্ন দেশে আজি আঙুলি টোঁৱাই কথা ক'ব পৰা হ'ল। কিন্তু কাৰ বাবে? তাজমহল বিশ্বৰে ঐতিহ্য। তাক লৈয়ো আজি বিতৰ্ক। কিন্তু তাজমহলকতো কোনেও আজিলৈ তেওঁলোকৰ নিজৰ সম্পত্তি বুলি কেতিয়াও কোৱা নাই। তাজমহল ভাৰতবৰ্ষৰে সম্পত্তি, ভাৰতবৰ্ষৰে গৌৰৱ, সমন্বয়ৰ প্ৰতীক। তাজমহলৰ পৰা যি ৰাহজ সংগ্ৰহ হয় সেয়া কাৰো পকেটলৈ নাযায়। ভাৰতৰ ৰাজকোষলৈকে যায়। তেনেহ'লে বিতৰ্ক কিয়? এনেবোৰ সংকীৰ্ণতাই ভাৰতৰ মান ৰাখিব পাৰিবনে? আন ধৰ্মৰ অন্তৰ জয় কৰি হিন্দু ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰতহে আমি গুৰুত্ব দি আগবাঢ়ি যাব লাগিব। ধৰ্ম ধৰ্ম কৰি আন ধৰ্মক সমালোচনা কৰি, ধৰ্মগুৰুক অপমান কৰিলেই হিন্দু ধৰ্মৰ উন্নতি নহয় বা ৰক্ষাও। ধৰ্মীয় উত্তেজনা বিয়পাই ভাৰতৰ সুনাম নষ্ট কৰাৰ পৰা বিৰত থাকি দেশৰ উন্নতিত অৰিহণা যোগালেহে আমাৰ মংগল হ'ব, জাতি ৰক্ষা হ'ব, ধৰ্ম ৰক্ষা হ'ব। আমি বিশ্বক দেখুৱাব লাগিব আমি ধৰ্মনিৰপেক্ষ, শান্তিপ্ৰিয় ভাৰতীয়।

*ফোন ঃ ৭৮৯৬১-৩৭২৬৪*

# অসমৰ বানপানী-অসমৰ চকুলো

■ **অপূৰ্ব শৰ্মা**

অসম ৰাজ্যখন ভৌগোলিকভাৱে সেমেকা। উত্তৰ-পূৰ্বাঞ্চলৰ সেউজীয়া পৃথিৱীখনে আমাৰ ৰাজ্যখনক সদায় প্ৰভাৱিত কৰি ৰাখে। এই প্ৰভাৱ বছৰৰ আন মাহবোৰত অসমৰ বাবে সুখৰ কিন্তু বাৰিষা কালত অৰ্থাৎ এপ্ৰিলৰ পৰা জুলাই মাহলৈ এই প্ৰভাৱ অসমৰ বাবে দুখৰ হৈ পৰে। প্ৰকৃতিয়ে যেনেকৈ অসমত প্ৰাকৃতিক সম্পদ, স্বাস্থ্যকৰ পৰিৱেশ, অসংখ্য পাহাৰ আৰু বহুতো সেউজীয়া ভূমি উপহাৰ দিছে তেনেকৈ উপহাৰ দিছে অসংখ্য নদী। অসমৰ জলবায়ু প্ৰধানতঃ বৰষুণবিষয়ক। কথাটো সাধাৰণভাৱে ক'লে অসমত যথেষ্ট পৰিমাণৰ বৰষুণ হয় ফলত আমাৰ ৰাজ্যত বানপানী হয়। বানপানীক মূল কেন্দ্ৰবিন্দু ধৰি ল'লে ভূমিস্খলন ইয়াৰ সংযোগী উপাদান। পূৰ্বৰ তুলনাত প্ৰতি বছৰে অসমত বানপানী বৃদ্ধি হৈ আহিছে। সম্ভৱ অসমত এনে এখন জিলা নাই য'ত বানপানীৰ প্ৰভাৱ পৰা নাই। অসমৰ মানুহে বানপানীত ঘৰ হেৰুৱাইছে, মাটি হেৰুৱাইছে আৰু হেৰুৱাইছে জীৱন। নদী বসতিপূৰ্ণ অঞ্চলসমূহৰ মানুহে বানপানীৰ বাবে বহুতো সমস্যাত ভুগি আহিছে। বানপানী হোৱাৰ আগতো সমস্যা, বানপানীৰ সময়তো সমস্যা আৰু পিছতো সমস্যাত পৰিব লগা হয়। বানপানী এক প্ৰাকৃতিক দুৰ্যোগ এয়া আমি সকলোৱে জানো কিন্তু এই কথাষাৰক দোহাই দি সমস্যাটোৰ পৰা নিজক আঁতৰাই ৰাখৰ বাহিৰে আন সমাধান নোলাব। প্ৰাকৃতিক দুৰ্যোগ এটা হ'বলৈও বহুতো কাৰকৰ প্ৰয়োজন। তাৰ মাজত মানুহৰ কাৰ্যপন্থাবিলাকো অন্তৰ্ভুক্ত হৈ থাকে। বানপানীৰ বাবে মানুহক দোষাৰোপ কৰা কথাটোত হয়তো বহু মানুহৰ আপত্তি থাকিব কিন্তু বানপানী সৃষ্টিত মানুহৰ কাৰ্যপন্থাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। আজি অসমত যি পৰিমাণৰ বৰষুণ হৈ আছে পুৰণি সময়তো অসমত সেই একে পৰিমাণৰেই বৰষুণ হৈ আছিল (সামান্যতম তাৰতম্য আছে) তাৰ পিছতো কিন্তু পূৰ্বতে ইমান বানপানী হোৱা নাছিল। গতিকে বৰ্তমান বানপানী বৃদ্ধিত মানুহৰ কাৰ্যপন্থা বাৰুকৈয়ে জড়িত হৈ আছে। অসমত অসংখ্য নদী থকাৰ লগতে দুখন মূল নদী ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীয়ে সৰ্বাধিক পানী কঢ়িয়াই নি সাগৰত পেলায়। তাৰ পিছতো ইমান বানপানী হোৱা কথাটো চিন্তনীয়। যদি আমি বানপানী হোৱা অঞ্চলবোৰৰ কথা আলোচনা কৰোঁ তেন্তে আমি মূলতঃ চাৰিটা কাৰণ দেখা পাওঁ ১) নদীৰ মথাউৰি ভাঙি বৃহৎ অঞ্চল জলমগ্ন ২) নলা-নৰ্দমা, খাল-বিল নোহোৱাৰ ফলত পানী জমা হৈ সূক্ষ্ম অঞ্চলবোৰ জলমগ্ন ৩) ভূমি স্খলন ৪) বৃহৎ নদী বান্ধৰ গে'ট মুকলিৰ ফলত বহু গাঁও জলমগ্ন। এই কাৰ্যপন্থাবোৰ যদি সূক্ষ্মভাৱে আলোচনা কৰো তেন্তে তাৰ অন্তৰালত মানুহৰ কাৰ্য নিহিত হৈ আছে। কথাটো বুজিব হ'লে আমি কাৰণবোৰ ভালকৈ চাব লাগিব। প্ৰথম কাৰণ (১) নদীৰ মথাউৰি ভাঙি বৃহৎ অঞ্চল জলমগ্ন। এখন নদীয়ে তাৰ মথাউৰি এটা তেতিয়াহে ভাঙিব, যেতিয়া নদীত প্ৰবাহিত পানীভাগ বৈ যাবলৈ নদীত পৰ্যাপ্ত পৰিমাণৰ গভীৰতা নাথাকিব আৰু এনে অৱস্থাত নদীৰে পানী বৈ যাবলৈ অন্য দিশে মথাউৰি ভাঙি গতিপথ লয়। নদী এখনৰ গভীৰতা হ্ৰাস পোৱাৰ মূল কাৰণ হৈছে নদীখন বাম হৈ যোৱা অৰ্থাৎ পাহাৰ আৰু ভৈয়াৰ পৰা যেতিয়া পানীৰ লগতে মাটিও সমান পৰিমাণত আহি এখন নদীত পৰে। তেতিয়া নদী এখন বাম হৈ পৰে আৰু পিছৰ পৰ্যায়ত নদীখনে মথাউৰি ভাঙি পানীয়ে গতি পথ লয়। সাধাৰণে প্ৰকৃতিয়ে নিজে নিজে পাহাৰ খহাই নেপেলায়, পাহাৰ খহাই পেলাই মানুহে আৰু মানুহে বিভিন্ন কাৰণত লোৱা বিভিন্ন কাৰ্যপন্থাই যাৰ ফলত এজাক বৰষুণ দিলেই পাহাৰৰ মাটি খহি পৰে আৰু সেই মাটি বৈ আহি নদীত পৰি নদী



এখন বাম কৰে। দ্বিতীয় কাৰণ (২) নলা-নৰ্দমা, খাল-বিল নোহোৱাৰ ফলত পানী জমা হৈ সূক্ষ্ম অঞ্চলবোৰ জলমগ্ন। মানুহে যিমানে আধুনিক হৈছে সিমানেই স্বাৰ্থপৰ হৈছে, ফলত লোভ বৃদ্ধি পাইছে আৰু এই লোভৰ কাৰণেই মানুহে নিজৰ পদূলিৰ নলা-নৰ্দমাবোৰ পুতি পেলাইছে অথবা ডাষ্টবিনলৈ ৰূপান্তৰ কৰিছে, একাংশ মানুহে খাল-বিল পুতি তাত ঘৰ বনাইছে অথবা কোম্পানী বনাইছে ফলত পানীবোৰ বৈ যোৱা পথবোৰ বন্ধ হৈ পৰিছে। এই সমস্যা গাঁৱৰ তুলনাত চহৰবোৰত অধিক। যাৰ ফলত চহৰবোৰ কৃত্ৰিম বানৰ কবলত পৰিছে। যদি আমি চাওঁ এই কাৰ্যবোৰ প্ৰকৃতিৰ দ্বাৰা হোৱা নাই মানুহৰ দ্বাৰাই সংঘটিত হৈছে। তৃতীয় কাৰণ ৩) ভূমি স্খলন, বৰষুণ বেছি হ'লে বা বানপানী হ'লে সাধাৰণত পাহাৰ এখন বাগৰি পৰিব নালাগে কিন্তু মানুহে পাহাৰ সমূহ খনন কৰা আৰু পাহাৰ পৰা গছ-গছনিসমূহ কাটি তাত গৃহ, ৰাস্তা আদি নিৰ্মাণ কৰাৰ হেতুকে পাহাৰৰ ভূমিৰ সংযোজন শক্তি হ্ৰাস পাইছে আৰু সাধাৰণ পৰিঘটনাতেই ভূমিস্খলন হয়। আৰু চতুৰ্থ কাৰণ (৪) বৃহৎ নদী বান্ধৰ গে'ট মুকলিৰ ফলত গাঁও জলমগ্ন। বানপানী সৃষ্টিৰ এইটো এক অন্যতম মানৱসৃষ্ট কাৰণ। জলবিদ্যুৎ প্ৰকল্পসমূহত যেতিয়া অত্যধিক পানী হয় তেতিয়া বৃহৎ নদীবান্ধ বোৰৰ বান্ধবোৰ খুলি দিয়া হয় ফলত সামান্যতম সময়ৰ ভিতৰতে বহু গাঁও জলমগ্ন হৈ পৰে।

প্ৰকৃতি সদায় সৃষ্টিৰ কাৰণ কিন্তু মানুহৰ অসৎ কৰ্মৰ ফলত প্ৰকৃতিয়ে বাধ্য হৈ নিজৰ সৃষ্টি সলনি কৰিবলৈ আৰম্ভ কৰিছে ফলত মানুহৰ সমস্যা বৃদ্ধি পাইছে। বৰ্তমান বানপানীৰ ফলত অসমৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে লক্ষাধিক লোক প্ৰভাৱিত হৈছে,হাজাৰ হাজাৰ বিঘা কৃষি ভূমি গৰাখহনীয়া বা জলমগ্ন হৈছে। বহু মানুহ গৃহহীন হৈছে,পশুধন-মৎস্য নষ্ট হৈছে, যাতায়াত আৰু যোগাযোগ বন্ধ হৈ পৰিছে। তাতোকৈ ডাঙৰ আৰু দুখৰ কথাটো হৈছে বহুমানুহৰ মৃত্যু হৈছে। এই ঘটনাবোৰৰ বাবে আমি প্ৰকৃতিক দোষ দিয়াৰ যুক্তি নাই কিয়নো আমি প্ৰকৃতি সৃষ্টি কৰিব পৰা নাই কিন্তু তাৰ বিপৰীতে প্ৰকৃতি ধ্বংস কৰি আহিছোঁ। মানুহে হয়তো পাহৰি গৈছে যে প্ৰকৃতিৰ তিলমানো সালসলনি এটা অঞ্চল ধ্বংসৰ অন্যতম কাৰণ হ'ব পাৰে। বহু মানুহে এই কথা আওকাণ কৰে আৰু বহু মানুহে জানি-শুনিও এই ভুল কৰে। ফলত মানুহৰ জীৱনলৈ বিপদ আহে। সেই বাবে এই ভুলসমূহ হ'বলৈ নিদিয়াটো চৰকাৰ এখনৰ দায়িত্ব। মানুহক নিয়ন্ত্ৰণ কৰা আৰু দেশক সুৰক্ষা প্ৰদান কৰাটো চৰকাৰ এখনৰ সাংবিধানিক দায়িত্ব। কিন্তু বহু সময়ত চৰকাৰ এখনৰ কিছুমান প্ৰকৃতিবিৰোধী সিদ্ধান্তৰ ফলত সমগ্ৰ ৰাজ্য এখনে দুখ সহ্য কৰিব লগা হয়। ওপৰত উল্লেখ কৰা তিনিটা কাম কৰিবলৈ মানুহক চৰকাৰৰ পৰা সমৰ্থন লাগে, যেনে— পাহাৰ এখন কোনো মানুহ বা কোম্পানীয়ে খনন কৰিব নোৱাৰে, যদিহে চৰকাৰে সমৰ্থন নকৰে। কোনো মানুহে চৰকাৰী মাটিত অৱস্থিত নলা-নৰ্দমা অথবা খাল-বিল পুতি তাত নিৰ্মাণ কাৰ্য কৰিব নোৱাৰে যদিহে চৰকাৰে অনুমতি নিদিয়ে আৰু কোনো মানুহে গৃহ বা কোম্পানী পাহাৰৰ ওপৰত নিৰ্মাণ কৰিব নোৱাৰে যদিহে চৰকাৰে সমৰ্থন নিদিয়ে। গতিকে এইক্ষেত্ৰত নিশ্চিতকৈ চৰকাৰক সমালোচনা কৰাৰ থল আছে। মানুহে মানুহক নিয়ন্ত্ৰণ কৰিব নোৱাৰে সেই বাবে মানুহে চৰকাৰ আৰু নিয়ম প্ৰস্তুত কৰিছে। গতিকে চৰকাৰে দায়িত্ব পালন কৰাত অসফল হ'লে সমালোচিত হ'ব লাগিব। বানপানী বৃদ্ধি পোৱা কাৰণবোৰ চৰকাৰে চাব লাগিব আৰু সেই বাবেই সমাধানৰ বাবে আইন প্ৰস্তুত কৰিব লাগে। অসমৰ বানপানী সম্পূৰ্ণৰূপে নিঃশেষ কৰাটো ইয়াৰ ভৌগোলিক পৰিস্থিতিয়ে অনুমতি নিদিয়ে যদিও বৈজ্ঞানিক চিন্তাৰে বিপদৰ পৰিমাণে হ্ৰাস কৰা কৰিবলৈ চিন্তা কৰিব লাগিব। বিকাশৰ প্ৰয়োজনীয়তা আছে কিন্তু সেই বিকাশত যদি প্ৰকৃতি ধ্বংস হয় আৰু মানৱ জীৱন বিপদাপন্ন হয় তেন্তে তাত বিকল্প পথৰ চিন্তা কৰাটো বাঞ্ছনীয়। জনসংখ্যাৰ বৃদ্ধি আওপকীয়াকৈ বানপানী সৃষ্টি কৰা কাৰকবোৰৰ বাবে কিছু পৰিমাণে দায়ী। কিয়নো বৰ্তমান যৌথ পৰিয়ালৰ প্ৰথা নোহোৱা হৈ একক পৰিয়াল প্ৰথা সৃষ্টি হয় ফলত গৃহ নিৰ্মাণৰ বাবে অধিক মাটিৰ প্ৰয়োজন হ'ল আৰু সেই প্ৰয়োজন পূৰণৰ বাবে মানুহে এফালৰ পৰা পাহাৰ কাটি শেষ কৰিলে, বিল, জলাশয় পুতি পেলালে, নদীবোৰক ডাষ্টবিনলৈ ৰূপান্তৰ কৰিলে আৰু গছ-গছনি কৰি ঠাই উলিয়ালে ফলত অসংখ্য সমস্যাৰ সৃষ্টি হ'ল। এইবোৰ পৰিকল্পিতভাৱে নিয়ন্ত্ৰণ কৰি দিয়াৰ দায়িত্ব এখন চৰকাৰ নাছিল জানো। আজিৰ প্ৰেক্ষাপটত মানুহে উপলব্ধি কৰিছে মথাউৰি বা নদীবান্ধবোৰ বিজ্ঞানসন্মত কৰাৰ কথা, ৰাস্তা-পদূলি আৰু দলং উন্নত মানৰ হোৱাৰ কথা, গছ-গছনিৰ উপকাৰিতা, বানপানীৰ সময়ত থাকিবলৈ আৰু খাবলৈ উপযুক্ত ব্যৱস্থা কৰাৰ কথা কিন্তু চৰকাৰে এই বিষয়বোৰক পূৰ্বতে গুৰুত্বহীন কৰি চৰকাৰী ধন কিছুমান প্ৰতি মাহে অপ্ৰয়োজনীয় আঁচনিৰ নামত খৰচ কৰি আহিছে এইদৰে চৰকাৰে মূল সমস্যাবোৰ সমাধানৰ পৰা বিৰত থাকি প্ৰতিটো সময়তে নিৰ্বাচনকেন্দ্ৰিক আঁচনিৰ কাম কৰি থাকিলে মানুহৰ জীৱনলৈ এইদৰে দুৰ্যোগ আহিয়েই থাকিব। বানপানীৰ ফলত হাফলং চহৰ নিঃশেষ হৈ গ'ল। যোগাযোগৰ মাধ্যম ৰাস্তা আৰু দলং বানে উটুৱাই নিলে। মানুহৰ জীৱন এই সময়খিনিত ভয় আৰু সংকটৰ মাজত চলিছে। নিৰ্বাচনৰ সময়ত সভাবোৰলৈ গাড়ী ভৰাই মানুহ নিয়া শাসক - বিৰোধী দলেবোৰে বানপানীৰ সময়ত মানুহক কিমান সহায় কৰিছে! নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীৰে অথবা ভাৰতৰ জনপ্ৰিয় নেতাৰে ভৰি পৰা অসমখনৰ বিপদৰ সময়ত কোনগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে অথবা নেতাই অসমৰ আৰ্তজনৰ কাষত আহি মাত দিছে!সামন্যতম বিস্কুট আৰু মাত এষাৰে যথেষ্ট বুলি যেন চৰকাৰে এই সময়ত নাভাবে। এই সমস্যাৰ উচিত সমাধানৰ বাবে দূৰদৰ্শী চিন্তা কৰক। সমস্যা এটাৰ ইতিহাস আৰু বৰ্তমানৰ মাজত যদি যথেষ্ট পাৰ্থক্য থাকে তেন্তে তাত আত্মসমালোচনা কৰাটো দৰকাৰী। মানুহে মানুহৰ বাবে ধাৰণাৰে সকলোৱে সকলোৰে সহায় হোৱাটো এই সময়ৰ প্ৰয়োজনীয় কথা। প্ৰকৃতি আমাৰ মা এই কথা আমি অনুধাৱন কৰিব নোৱাৰালৈ এই সমস্যাবোৰ সমাধান কৰা জটিল সেয়ে মানুহে প্ৰকৃতিৰ অপকাৰ হোৱা কৰ্মৰ পৰা বিৰত থাকি উচিত চিন্তা আৰু পৰিকল্পনাৰে কাম কৰিব লাগিব।

*ফোন ঃ ৮৬৩৮২-৭২৬১২*

# অসমৰ জাতীয় জীৱনলৈ বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদান



■ **অশ্বিনী ডেকা**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৰৱৰ্তী কালত অসমীয়া জাতিক সকলো দিশতে আগবঢ়াই নি, বিশ্বৰ বুকুত অসমীয়া জাতিক প্ৰতিষ্ঠা কৰাৰ বাবে যিসকল মনীষীয়ে অহোপুৰুষাৰ্থ কৰিছিল, সেইসকলৰ ভিতৰত অন্যতম আছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। বিষ্ণু ৰাভাৰ পিতৃ আছিল গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃৰ নাম আছিল গেথীবালা ৰাভা। ১৯০৯ চনৰ ৩১ জানুৱাৰীত ঢাকাত বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হৈছিল। তেওঁৰ পিতৃ জন্মসূত্ৰে বড়ো হ'লেও ৰাভা পৰিয়াল এটাত ডাঙৰ হোৱা বাবে নিজকে ৰাভা বুলি পৰিচয় দি ভাল পাইছিল। ব্ৰিটিছ সেনাৰ উচ্চপদস্থ বিষয়া গোপাল চন্দ্ৰ ৰাভাক 'ৰায়বাহাদুৰ' উপাধি যচা হৈছিল। গোপাল ৰাভাক বেংগলৰ গৱৰ্ণৰ ( A.D.C to the Government of Bengal) পদলৈ পদোন্নতি দিয়া হৈছিল। দৰং জিলাৰ স্থায়ী বাসিন্দা গোপাল ৰাভা তেজপুৰৰ বাণ ৰংগ মঞ্চৰ লগত জড়িত আছিল। তেখেতে উল্লেখযোগ্য অৱদানো আগবঢ়াইছিল। বিষ্ণুপ্ৰসাদ ৰাভাই ঢাকাৰ সেনা বিভাগৰ বিদ্যালয়তে শিক্ষা জীৱনৰ পাতনি মেলিছিল। কিন্তু স্কুলীয়া শিক্ষা অন্ত পৰাৰ আগতে পিতৃৰ বিয়োগ হোৱাৰ বাবে তেওঁলোকে ঢাকা এৰি গুচি আহে। পাছত তেজপুৰৰ পৰাই ১৯২৬ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। পৰীক্ষাত তেওঁ সেই সময়ৰ অবিভক্ত দৰং জিলাৰ সকলো পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ বাবে তেওঁ 'কুইন এমপ্ৰেছ' পদক লাভ কৰিছিল। ১৯২৮ চনত তেওঁ চেণ্টপল কলেজৰ পৰা প্ৰথম বিভাগত আই এছ চি পাছ কৰে। তাৰ পাছত কলিকতাৰ ৰিপন কলেজত পদাৰ্থ বিজ্ঞান বিভাগত স্নাতক শিক্ষা আৰম্ভ কৰে। ১৯২৯ চনত স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতত কলেজৰ ছাত্ৰাৱাসত পুলিচৰ নিৰ্যাতন আৰম্ভ হোৱাত ৰাভাই কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত নাম লগায়। ছাত্ৰ অৱস্থাতে ৰাভাদেৱে ভাৰতৰ স্বাধীনতা আন্দোলনত নামি পৰে আৰু সেই অপৰাধতে কলেজ কৰ্তৃপক্ষই বাধ্যতামূলক বদলিৰ নিৰ্দেশ দিয়াত ৰংপুৰ কাৰমাইকেল কলেজৰ কলা বিভাগৰ চতুৰ্থ বাৰ্ষিকত নামভৰ্তি কৰে। ইয়াতো আৰক্ষী তেওঁৰ পাছত লগাত পঢ়া আধাতে এৰি দি ১৯৩১ চনত ঘৰলৈ ঘূৰি আহে। ৰংপুৰ কলেজত পঢ়ি থাকোঁতেই ৰাভাই মাধৱ চন্দ্ৰ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত বাঁহী আলোচনীৰ চিত্ৰলেখা বিভাগটো পৰিচালনা কৰিছিল আৰু আবাহন আলোচনীত প্ৰবন্ধ-পাতি লেখা-মেলা কৰিছিল। ১৯৩৫ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' কথাছবিত নৃত্য পৰিচালনাত সহযোগ কৰিছিল। জ্যোতিপ্ৰসাদৰ লগ লাগি ১৯৩৫-৩৭ চনত বিষ্ণু ৰাভাই 'জয়মতী' আৰু 'শোণিত কুঁৱৰী' নাটকৰ বাণীবদ্ধ ৰূপ প্ৰস্তুত কৰিছিল। ১৯৩৯ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে বাৰানসীত তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰি খ্যাতি অৰ্জন কৰে। ইয়াতেই সৰ্বপল্লী ৰাধাকৃষ্ণণে তেখেতক কলাগুৰু উপাধি প্ৰদান কৰে। ১৯৪৫ চনৰ শেষৰ ফালে বিষ্ণু ৰাভা ভাৰতৰ বিপ্লৱী কমিউনিষ্ট দলৰ সংস্পৰ্শলৈ আহে। ১৯৪৬ চনত 'চিৰাজ' বোলছবিৰ কামত কলিকতালৈ যাব লগা হোৱাত তাত গৈ কমিউনিষ্ট দলৰ সক্ৰিয় সদস্য হয়। ১৯৪৮ চনত বিপ্লৱী কমিউনিষ্ট দলক নিষিদ্ধঘোষণা কৰা হয় আৰু ১৯৪৮ চনৰ পৰা ১৯৫২ চনলৈ ৰাভাই আত্মগোপন কৰি থাকে। বিষ্ণুৰাম মেধি চৰকাৰে তেখেতৰ মূৰৰ দাম দহ হাজাৰ টকা ঘোষণা কৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভা সাংস্কৃতিক দিশ বিভিন্ন দিশৰ লগত জড়িত আছিল। সংগীত, নৃত্য, চিত্ৰকলা আৰু অভিনয়ৰ উপৰি সংগীত পৰিচালক আৰু কথাছবিৰ পৰিচালক হিচাপেও কাম কৰিছিল। ৰাভাদেৱে বহুতো কালজয়ী গীত — 'পৰজনমৰ শুভ লগনত', 'আজি মন্দিৰ দুৱাৰ খোলা', 'এয়ে মোৰ শেষ গান' ইত্যাদি ৰচনা কৰি থৈ গৈছে। তেজপুৰৰ বান ৰংগ মঞ্চত নিয়মীয়াকৈ অভিনয় কৰা ৰাভাই যাত্ৰাপাৰ্টীৰ লগত নাটকত অভিনয় কৰাৰ উপৰি কেইবাখনো অসমীয়া ছবিত অভিনয় কৰিছিল। বিষ্ণু ৰাভা এগৰাকী নিপুণ চিত্ৰকৰো আছিল। তেওঁ বৰপেটাৰ শ্ৰীমন্ত শংকৰদেৱৰ আৰু শংকৰ-মাধৱ যুগল ছবি আঁকি তিনিটা ৰঙত ছপাই ৰাইজৰ মাজত বিতৰণ কৰিছিল। ৰাভাদেৱৰ গল্প আৰু প্ৰবন্ধতো ভাল দখল আছিল। গল্প সংকলন 'সোণপাহি' সম্পৰ্কত কোৱা হয় যে কলিকতাৰ তালিগঞ্জৰ অস্থায়ী আৱাসত থাকোতে দুৱাৰ বন্ধ কৰি এদিনতে কাৰোবাৰ হতুৱাই লিখাইছিল। 'ন-পৃথিৱীৰ নতুন যুগ', 'মুক্তি তিথি', 'প্ৰাচীন ভাৰতীয় নৃত্য কলা' আদি তেওঁৰ ৰচনাৱলীৰে প্ৰতিভাৰ সোণালী স্বাক্ষৰ বহন কৰি থৈ গৈছে । 'মানৱ জাতি' ৰাভাৰ এটা উৎকৃষ্ট প্ৰবন্ধ। তদুপৰি 'অসমৰ বুৰঞ্জী' নামৰ গ্ৰন্থখন তেওঁৰ সংগ্ৰামী জীৱনৰ পলাতক অৱস্থাত কামাখ্যা পাহাৰৰ শিলৰ ফাঁকত নষ্ট হৈছিল বুলি জনা যায়। ৰাভাদেৱৰ নিজৰ প্ৰবন্ধাৱলীৰ দ্বাৰা এইটো প্ৰমাণ কৰি গৈছে যে তেওঁ এগৰাকী নৃতত্ত্ববিদ, ভূতত্ত্ববিদ, ভাষাতাত্ত্বিক আৰু ইতিহাসবিদ আছিল। অসমীয়া শব্দৰ ধাৰণাৰ বাবে তেওঁ বিভিন্ন ব্যাখ্যা দাঙি ধৰিছে। একেজন মানুহৰ গাত ইমানবোৰ গুণৰ সমাহাৰ সঁচাকৈ বিৰল। শ্ৰীমন্ত শংকৰদেৱৰ পদাংক অনুকৰণ কৰি বিষ্ণু ৰাভাই বিভিন্ন ৰাজনৈতিক, সামাজিক, প্ৰাকৃতিক বাধা নেওচি বৃহত্তৰ অসমীয়া জাতি গঠনত ব্ৰতী হৈছিল। অসমীয়া ভাষাক সঠিক ৰূপ দিবলৈ চেষ্টা কৰিছিল। সংস্কৃতিৱান বৈপ্লৱিক চিন্তাধাৰাৰ মহান পুৰুষগৰাকীয়ে ৰাজনৈতিক স্বাৰ্থত বিভিন্ন দল-সংগঠন, পুলিচ ইত্যাদিৰ নজৰ এৰাই ফুৰিবলগীয়া সময়ত তেওঁ সাহিত্য চৰ্চা আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বাধাৰ সন্মুখীন হৈছিল। তথাপি বিষ্ণুপ্ৰসাদ ৰাভা সু-সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত নহ'ল যদিও এই মহান ব্যক্তিগৰাকী শিল্পী হিচাপে অমৰত্ব লাভ কৰিছিল। ৰাভাদেৱৰ সুদক্ষ অভিনয়, নৃত্য আৰু গীতসমূহ অসমৰ জনগণৰ হৃদয়ত চিৰযুগমীয়া হৈ থাকিব। প্ৰতি বছৰে ২০ জুনত বিষ্ণু ৰাভা দিৱস পালন কৰিলে আমাৰ তেখেতৰ প্ৰতি কৰণীয় শেষ হৈ নাযায়। ৰাভাৰ আভাৰে আমি বাট বুলিবলৈ যত্ন কৰা উচিত। শেষত ইয়াকে কামনা কৰোঁ যে এই মহান শিল্পীগৰাকীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ হাজাৰজন বিষ্ণু ৰাভাৰ জন্ম হওক।

## বিশ্ব যোগা দিৱস উপলক্ষে—

# মালা সিন্হাৰ চিঠি এখনৰ আঁত ধৰি



■ চুমিন্দ্র চৌধুৰী

অহা গ্ৰন্থ মেলাত মোৰ স্বলিখিত 'ছাংগ্ৰি-লাত প্ৰজ্ঞা বিচাৰি' নামৰ নৱতম উপন্যাসখন পাঠকক উপহাৰ দিয়া প্ৰস্তুতি চলি থকাৰ বাবে আৰু কৰ্ম সুত্ৰে বিভিন্ন স্থানলৈ যাত্ৰা কৰিবলগীয়া হেতু প্ৰবন্ধ পাতি লিখিবলৈ সময়ৰ অভাৱ হৈছে। তথাপিও মনৰ হেপাহ সামৰিব নোৱাৰি যাত্ৰা কালত উৰাজাহাজত বহি থাকোঁতে, ৰাতি শেতেলীত পৰাৰ আগৰ সময়কণত, শনিবাৰ আৰু দেওবাৰৰ দিনা সাপ্তাহিক বজাৰলৈ যোৱাৰ আগ ভাগত, অফিচৰ চাহ চুটি নতুবা জৈৱিক চুটিৰ আজৰি সময়ত একলম দুকলমকৈ লিখি দুই এটা লেখা ৰাইজলৈ পঠিয়াই আছো। লেখকসকলৰ লিখাৰ নিচা সাংঘাতিক বুলি লাহে লাহে বুজিব ধৰিছো। কিছুমান ফেচবুক আৰু ওৱাটচাপ গোটত শতাধিক সদস্য থাকে তাৰ হয়তু এজন অথবা দুজনে নিয়মত ভাৱে মোৰ লিখা সমূহ পঢ়ে। সেই এজন অথবা দুজন পাঠকে মোৰ লিখা পঢ়ি উদ্বুদ্ধ হোৱা যেন পালেই মোৰ পৰিশ্ৰম সাৰ্থক হ'ল বুলি অনুভৱ কৰোঁ। তেতিয়াই নিজৰ মনটোক সামৰি ৰাখিব নোৱাৰি মোবাইলৰ কি বৰ্ডত আঙুলিৰে পিটিকি পিটিকি লিখিবলৈ চেষ্টা কৰোঁ।

যোৱা শুক্ৰবাৰৰ দিনাখন দিল্লীৰ পৰা কৰ্মসুত্ৰে গুৱাহাটী পাই তেজপুৰলৈ পোনাই দিছিলোঁ। সোমবাৰৰ পৰা পুনৰ অফিচৰ কামত ডিব্ৰুগড়, ইটানগৰ, ইম্ফল আৰু শ্বিলঙলৈ যোৱাৰ আগতে অলপ ব্যক্তিগত কামো কৰি যাব লাগিব। সেই ভাবিয়েই সন্ধিয়া সাতমান বজাত আহি তেজপুৰ চহৰত ভৰি থলো।

এপ্ৰিলতেই মোৰ শহুৰ দেউতা ঢুকুৱাৰ পাছত প্ৰথমবাৰৰ বাবে বহু দিন ধৰি বন্ধ হৈ থকা ঘৰটোৰ তলাটো খুলি অলপ আবেগিক হৈ পৰিছিলো। শ্ৰীমতী আৰু ছোৱালীজনীয শোকত ভাগি পৰিব বুলি নিজৰ হৃদয়ৰ আবেগক কোনোমতে সামৰি সুতৰি প্ৰতিবেশী গজেন খুৰাৰ ঘৰত ৰাতিটো কটালোঁ।

আজি পুৱাৰে পৰা বহু দিন ধৰি পৰিত্যক্ত হৈ থকা ঘৰটো চাফচিকুণ কৰিবলৈ শ্ৰীমতী আৰু মই ব্যস্ত হৈ পৰিলো। ইটোৰ পাছত সিটো কৰি গৈ থাকিলো। লঘু -গুৰু কামবোৰ শ্ৰীমতী আৰু মই ভগাই ল'লো। ইটো খিটো বস্তু থানথিত লগাই গৈ থাকোতে এটা কথা লক্ষ্য কৰিছিলো যে মোৰ শহুৰ দেউতা বহুত পৰিপাটি মানুহ আছিল। গেছৰ বিল, পৌৰসভাৰ কৰ জমা কৰা ৰচিদ, বিদ্যুতৰ মাচুল জমা কৰা ৰচিদ মাহৰ পাছত মাহ ক্ৰমানুসাৰে পৰিপাটি কৰি ৰাখি থৈ গৈছে। বহুকেইখন ডায়েৰীত তেওঁ লিখি থৈ যোৱা দৈনন্দিন জীৱনৰ জমা খৰচৰ তহবিল বোৰ পঢ়ি মোৰ চকু দুটা সেমেকি উঠিছিল। সেই কাগজ পাতিৰ মাজত সোমাই থকা এখন বিশেষ চিঠি শ্ৰীমতীয়ে পাই মোৰ হাতত তুলি দিছিল। দেউতালৈ লিখা সেই বিশেষ চিঠিখন আছিল এসময়ৰ বলিউডৰ প্ৰখ্যাত মোহময়ী নায়িকা মালা সিনহাৰ চিঠি। পুৰণি হিন্দি কথাছবি আৰু গান মোৰ শহুৰ দেউতাই খুব ভাল পাইছিল। দেউতা গায়ক মহম্মদ ৰফি, চেহগল, লতা মংগেশকাৰ আৰু বাংলাদেশৰ লাইলাৰ এজন সাংঘাতিক প্ৰশংসক আছিল। দেউতাৰ আটাইতকৈ ভাললগা নায়ক-নায়িকা আছিল দেবানন্দ আৰু মালা সিনহা। মালা সিনহাৰৰ একো একোখন কথাছবি বিশ বাৰলৈ চোৱা বুলি জানিছিলো। দুৰাৰোগ্য কেন্সাৰ ৰোগত মৃত্যুৰ ক্ষণ গণি কষ্টত চটফটাই থকাৰ সময়তো দেউতাই ইউ টিউবত মালা সিনহা আৰু দেবানন্দৰ সংলাপ আৰু প্ৰিয় গায়ক-গায়িকাসকলৰ যুগজয়ী গীতবোৰ শুনি শৰীৰৰ যন্ত্ৰণাৰ কথা পাহৰি থাকিবলৈ চেষ্টা কৰিছিল। মোক বাৰে বাৰে কৈছিল মৰাৰ মুহুৰ্তলৈ মানুহে নিজে কৰি ভাল পোৱা কামৰ প্ৰতি ইচ্ছা শক্তি (Passion) ত্যাগ কৰিব নালাগে।

জেন বৌদ্ধধৰ্মৰ মতে যোগা অথবা ধ্যান মানে চকু বন্ধ কৰি শান্ত ভাবে বহি থকাটোৰেই নুবুজাই। যিটো কামত একান্ত ভাৱে একাত্ম হৈ সাংসাৰিক আৰু শাৰীৰিক দুখ-কষ্ট, লোভ-মোহৰ পৰা আঁতৰি ইশ্বৰৰ চিন্তাত বিলীন হৈ যাব পাৰি সেইয়াই হৈছে প্ৰকৃত যোগা অথৱা ধ্যান। মানুহে নিজৰ মনটোক নিয়ন্ত্ৰণ কৰি ইশ্বৰ চিন্তাৰ কৰিবলৈ বিভিন্ন ধৰণৰ যোগাৰ অনুশীলন কৰিব পাৰে।

উদাহৰণ স্বৰূপে পদবিন্যাস যোগা অথবা গমন যোগা মানে হৈছে উদ্দেশ্য বিহীন হৈ মাইলৰ পাছত মাইল একনিষ্ঠতাৰে খোজকাঢ়ি খোজকাঢ়ি গৈ থাকোতে একাত্ম হৈ ইশ্বৰৰ অন্বেষণ কৰা।

ভাসন যোগা মানে হৈছে আকৌ পানীৰ ওপৰত ওপঙি থাকি অথৱা ডিঙিলৈ পানীত ডুবি থাকি নিৰন্তৰ ইশ্বৰৰ সাধনা কৰাকে বুজাই।

প্ৰকৃতি মাতাই নিজৰ সন্তান সকলক সৰ্বতো কাল ধৰি অবিৰাম লালন পালন কৰি আহিছে। একমাত্ৰ প্ৰকৃতিৰ পৰাই ধৰাৰ সকলো প্ৰাণীয়ে শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে দৰকাৰী পুষ্টিকাৰক আহৰণ কৰে। পাহাৰ, ভৈয়াম, নদ-নদী, গছ বিৰিখ, বৰফাবৃত পৰ্বত,ৰামধেনু, নীলা সমূদ্ৰ আৰু আকাশ আদিৰ নৈসৰ্গিক প্ৰাকৃতিক সৌন্দৰ্য্য আমাৰ মানসিক স্বাস্থ্য বিকাশৰ বাবে অতি প্ৰয়োজনীয় পুষ্টিকাৰক। মনোমোহা প্ৰাকৃতিক দৃশ্যাৱলীৰ মাজত সম্পূৰ্ণ বিলীন হৈ চঞ্চল মনটোক নিজৰ আয়ত্বত ৰাখি একাত্ম হৈ ইশ্বৰ চিন্তাৰ অনুশীলন কৰাকে দৰ্শন যোগা বুলি কোৱা হয়। পুৰণি কালত ঞ্ষি মুনি সকলে জন বসতি বিহীন সুন্দৰ প্ৰাকৃতিক স্বাচ্ছন্দ্য পৰিৱেশত ধ্যান কৰি ইশ্বৰ প্ৰাপ্তিৰ সাধনা কৰিছিল। কাৰণ তেওঁলোকে জানিছিল যে স্বচ্ছতাৰ মাজতেই ভগৱান বিৰাজমান।

কৰ্ম যোগা হৈছে কামৰ মাজেৰেই ইশ্বৰৰ প্ৰাপ্তিৰ সাধনা। খালি মন চয়তানৰ কৰ্মশালা। চয়তানৰ চৈতন্য নাথাকে। গতিকে কৰ্ম বিমুখ মানুহৰ ইশ্বৰ প্ৰাপ্তি অসম্ভৱ।

সেই বাবে কাম বন কৰি নিজৰ মনটোক নিজৰ আয়ত্বত ৰাখি ইশ্বৰৰ চিন্তাত ব্ৰতী কৰাব পৰাটোৰেই জীৱনৰ লক্ষ্য হ'ব লাগে। কৰ্ম বিমুখ মানুহৰ বাবে ইশ্বৰ প্ৰাপ্তিও অসম্ভৱ।

এই সকলোবোৰৰ উপৰিও আন এক প্ৰকাৰৰ বিশেষ যোগা হৈছে শব্দ যোগা অথৱা শ্ৰৱন যোগা। সুৰ, সংগীত অথৱা মন্ত্ৰোচাৰণ কৰি শৰীৰ তথা মনৰ উত্তেজনা, দুখ, কষ্ট, বিষাদ, ক্ৰোধ, ভয় আৰু উদ্বেগ পাহৰি মনটো শান্ত কৰি ইশ্বৰ চিন্তা কৰা অনুশীলনেই হৈছে শব্দ যোগা। ভূটান, তিব্বত, নেপাল আদি দেশত ত্ৰিপিটকৰ পবিত্ৰ মন্ত্ৰ মূদ্ৰিত তামৰ বাতি এটাৰ চাৰিওফালে চাইপ্ৰাছ গছৰ কাঠৰ এডাল মাৰি স্পৰ্শ কৰি ঘূৰাই ঘূৰাই লয়পূৰ্ণ শব্দৰ লহৰ তুলি ধ্যানৰ অনুশীলন কৰা হয়। সুমধুৰ সংগীত শ্ৰৱণৰ যোগেদিও দৰাচলতে আমি ধ্যান অথৱা যোগৰ অনুশীলন কৰি ইশ্বৰ চিন্তাত একাত্ম হৈ পৰিব পাৰো।

মোৰ শহুৰে নিজৰ অজ্ঞাতেই অনুশীলন কৰা এই প্ৰকাৰৰ শব্দ যোগাৰ প্ৰতি লাহে লাহে ময়ো আকৰ্ষিত হ'ব ধৰিছো আৰু ইয়াৰ পৰা বহুত উপকৃত হ'ব পাৰিছো।

আমি সকলোৱে নিজে কৰি ভালপোৱা কামবোৰ, যিবোৰৰ দ্বাৰা সমাজ আৰু ৰাষ্ট্ৰ উপকৃত হ'ব পাৰে সেই কামবোৰ কৰাৰ বাবে সদায়েই নিজৰ ইচ্ছা শক্তিক সঞ্জীৱিত কৰি ৰখাৰ দৰকাৰ। আৰু এই ইচ্ছা শক্তিৰ বিকাশৰ বাবে দৰ্শন , গমন, ভাসন, শ্ৰৱণ আৰু কৰ্ম যোগাৰ অতি প্ৰয়োজন। আমাৰ মানসিক, শাৰীৰিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত এই সকলোবোৰ যোগা তথা ধ্যানৰে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। গতিকে আহঁকছোন আমি সকলোৱেই যোগা তথা ধ্যানৰ সাধনাৰ জৰিয়তে সুষ্ঠ সবল প্ৰজন্মৰে ভৰপূৰ এখন নৱ ভাৰত নিৰ্মাণৰ বাবে সংকল্পবদ্ধ হওঁ।

# যোগ কি ?



## যোগৰ উৎপত্তি আৰু নিয়মিত ব্যায়াম-যোগাসনৰ প্ৰয়োজনীয়তা

■ নৱনীতা শইকীয়া গগৈ

যোগ (Yoga) কি ? সকলো মানুহৰ মনত সততে উদয় হোৱা এটি প্ৰশ্ন। এই সম্পৰ্কত বিভিন্ন জনে বিভিন্ন ধৰণে মন্তব্য আগবঢ়াই আহিছে। কিছুমান মানুহে ব্যায়াম কৰাকে 'যোগ' বুলি ভাবে। আন কিছুমানে আকৌ 'যোগ' বুলিলে যোগাসন, প্ৰাণায়ম অথবা ধ্যান কৰা কাৰ্যক 'যোগ' বুলি ভাবি থাকে।

যোগাসন হ'ল এক আধ্যাত্মিক অনুশাসন।জীৱনৰ উৎকৰ্ষ প্ৰাচীনতম ব্যৱস্থা। ই মানুহৰ স্বাস্থ্য কলা আৰু বিজ্ঞান। এক প্ৰকাৰে যোগক সামগ্ৰিক শিক্ষা বুলি কব পাৰি। আসন, প্ৰাণায়াম, ধাৰণা-ধ্যানতে যোগৰ পৰিধি সীমাবদ্ধ নহয়। যোগ এক জীৱন ধাৰণৰ প্ৰণালী। দাৰ্শনিক অৰ্থত জীৱাত্মাৰ সৈতে পৰত্মাৰ আধ্যাত্মিক মিলনেই'যোগ'। 'যাজ্ঞাবল্ক্যয়ো' এই অৰ্থতেই যোগ শব্দটো ব্যৱহাৰ কৰিছে।অমৰকোষ আৰু মহাভাৰততো যোগ শব্দটো উপায় অৰ্থত ব্যৱহৃত হৈছে।

যোগ শব্দটো সংস্কৃত 'যুজ' শব্দৰ পৰা আহিছে। 'যুজ' শব্দৰ অৰ্থ হ'ল একেলগ কৰা। কিন্তু যোগশাস্ত্ৰত ইয়াৰ অৰ্থ ব্যাপক। পতঞ্জলিৰ যোগশাস্ত্ৰত যোগ শব্দটো' একত্ব'অৰ্থত ব্যৱহৃত নহৈ 'প্ৰযত্ন' অৰ্থত ব্যৱহৃত হৈছে। ক্লিষ্ট তথা অক্লিষ্ট সকলো প্ৰকাৰৰ চিত্তবৃত্তি নিৰোধৰ নাম 'যোগ'। যোগশাস্ত্ৰত যোগ শব্দৰ অৰ্থ হৈছে সমাধি। (যুজ্ সমাধৌ ইত্যস্মাদ্ ব্যুৎপন্নঃ সমাধ্যৰ্থঃ,ন তু যুজিৰ যোগে ইত্যাস্মাৎ সংযোগৰ্থ ইতি)। অৰ্থাৎ পতঞ্জলি যোগদৰ্শনৰ মতে যোগ হ'ল এটি আভ্যন্তৰীণ প্ৰণালী,যাৰ জৰিয়তে মনতো এক স্থিৰ বা শান্ত অৱস্থালৈ গতি কৰে আৰু সমাধিত অৱস্থান কৰে।

যোগৰ উৎপত্তি সম্পৰ্কেও পণ্ডিত সকলৰ মাজত বিভিন্ন মত প্ৰচলন হৈ আহিছে। আৰ্যসকলৰ আগমনৰ বহুযুগৰ আগৰে পৰা ভাৰতবৰ্ষত যোগ পৰম্পৰা প্ৰচলন আছিল বুলি ক'ব পৰা যায়।কাৰণ সিন্ধু সভ্যতাৰ খনন কাৰ্যৰ সময়ত বিভিন্ন যোগ মগ্ন মূৰ্তি উদ্ধাৰ কৰাৰ লগতে নানান চীল মোহৰ আদিয়ে এই কথা প্ৰমাণ কৰে। মহাদেৱ শিৱৰ মুখৰ পৰাই যোগশাস্ত্ৰৰ উৎপত্তি হোৱা বুলি এটা মতবাদো আমাৰ ধৰ্মীয় বিশ্বাসত ব্যাপক ভাৱে প্ৰচলিত।

সিন্ধু সভ্যতাৰ পৰৱৰ্তী কালৰ বৈদিক সভ্যতাৰ যোগতো 'যোগ' শব্দৰ উল্লেখ পোৱা যায়। বৈদিক সাহিত্যিক পৰোক্ষ বা অপৰোক্ষ ভাৱে যোগ সম্পৰ্কে যোগ সম্পৰ্কে অভিহিত হৈছে। এই যুগতো যে যোগ পদ্ধতিৰ প্ৰচলন আছিল তাৰ আভাস বৈদিক শাস্ত্ৰসমূহত পোৱা যায়। 'যোগ' শব্দটো ঋকবেদত বিভিন্ন অৰ্থত ব্যৱহৃত হৈছে। যেনে— সংযোগ কৰা, একেলগ হোৱা, আহৰণ কৰিব নোৱাৰা, সম্বন্ধ আহৰণ কৰা (achieving the unarchived connection), ইন্দ্ৰিয় দমন কৰা বা শাসন, ঘোড়াক যুগনব্ধ কৰা ইত্যাদি। এই বেদৰ ৫-৮১-১ সংখ্যক মন্ত্ৰত 'যোগ' শব্দটো মিলন অৰ্থত ব্যৱহাৰ কৰা হৈছে।

উপনিষদৰ যোগতো যোগ সম্পৰ্কে স্পষ্ট ধাৰণা বিকশিত হোৱা দেখা যায়। উপনিষদৰ মতে যোগাভ্যাস হ'ল যথাৰ্থসত্তা সম্পৰ্কীয় সত্যজ্ঞান চেতনা পূৰ্ণ আন্তৰিক অনুসন্ধান। এই ক্ষেত্ৰত ধ্যান তথা একাগ্ৰতাক ইয়াৰ চাবি-কাঠী বুলি কোৱা হয়।পাণিনিৰ লিখনিত যোগ শব্দৰ পাৰিভাষিক অৰ্থৰ এক অনন্য বিৱৰণ পোৱা যায়। 'যোগ' শব্দটো তেওঁৰ ব্যাকৰণত সম্বন্ধ বা সংযোগ আৰু সমাধিৰ অৰ্থত ব্যৱহাৰ কৰিছে। 'যুজ' ধাতুৰ ব্যাখ্যা কৰি ইয়াক সমাধি বুলি ব্যৱহাৰ কৰিছে (যুজ্ সমাধৌ,পাণিনি সূত্ৰ, ৩-১-৩১)আৰু "যুজিৰ' ধাতুৰ ব্যাখ্যা কৰি সম্বন্ধ বা সংযোগ অৰ্থত (যুজিৰ্ যোগে) ব্যৱহাৰ কৰা হৈছে।

ভাৰতীয় মহাকাব্য মহাভাৰততো যোগৰ সম্পৰ্কে উল্লেখ আছে। মহাভাৰতত 'যোগ' শব্দটো মাধ্যম বা উপায় অৰ্থত ব্যৱহাৰ কৰা হৈছে (একো হি যোগ সত্য ভৱেদ্ বধায়, মহাভাৰত, ১২)। মহাভাৰতত ধাৰণা আৰু প্ৰাণায়ামৰ বিষয়ে স্পষ্ট ভাৱে উল্লেখ পোৱা যায়।অমৰ-কোষতো যোগ শব্দটো ৰক্ষা, উপায়, ধ্যান, ঐক্য অৰ্থত ব্যৱহৃত হৈছে। শান্তিপৰ্বৰ ৩৫১ অধ্যায়ত যোগক বেদৰ পৰা স্বতন্ত্ৰ আৰু সনাতন বুলি কোৱা হৈছে।

শ্ৰীমদ্ভাগৱত গীতাৰ উপদিষ্ট কৰ্মযোগ, জ্ঞানযোগ, ভক্তিযোগ, ধ্যানযোগ, বিভূতিযোগ আদি সকলো যোগ যোগলক্ষণৰ অন্তৰ্গত।গীতাৰ বিভিন্ন অধ্যায়ত বিশেষভাৱে ধ্যানযোগ নামৰ ষষ্ঠ অধ্যায়ত যোগৰ লক্ষণ, যোগীৰ লক্ষণ, যোগ প্ৰক্ৰিয়া, যোগ সাধনাৰ উপযুক্ত স্থান ইত্যাদিৰ বিষয়ে সবিশেষ আলোচনা কৰা হৈছে। গীতাত মনৰ সমত্বক 'যোগ' বুলি কোৱা হৈছে। আনহাতে গীতাৰ ষ্ঠ অধ্যায়ত দুঃখৰ সৈতে সংপৃক্ত হোৱা মানসিক স্থিতিৰ বিয়োগ বা বিচ্ছিন্নতাক যোগ বুলি কোৱা হয়।

ভাৰতীয় সংস্কৃতিৰ প্ৰধান আশ্ৰয় পুৰাণ গ্ৰন্থসমূহতো যোগ-পৰম্পৰা উল্লেখ পোৱা যায়। লিংগ পুৰাণৰ মতে যোগ হ'ল মনৰ পৰিবৰ্তন সমূহক বাধা দিয়া এটি প্ৰক্ৰিয়া বা প্ৰণালী। মাৰ্কণ্ডেয় পুৰাণতো যোগতত্ব বিস্তাৰিতভাৱে আলোচিত হৈছে।

বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক গৌতম বুদ্ধ আৰু জৈন ধৰ্মৰ প্ৰৱৰ্তক মহাবীৰ জৈনক পতঞ্জলিৰ পূৰ্বৱৰ্তী বুলি কোৱা হয়।তেওঁলোকৰ দৰ্শনতো যোগ পৰম্পৰা প্ৰভাৱ দেখা যায়।বৌদ্ধ সুত্তসমূহত ধ্যান আৰু সমাধিৰ কথা উল্লেখ আছে।বৌদ্ধ মত অনুসৰি শ্ৰদ্ধা, শক্তি, বিচাৰ, একাগ্ৰতা তথা বুদ্ধি-এই পাঁচতা গুণ ধাৰণ কৰিলে যোগৰ লক্ষপ্ৰাপ্তি কৰিব পাৰি।

পতঞ্জলি যোগদৰ্শনত বৰ্ণিত যোগৰ পৰম্পৰা উৎপত্তি বহু পুৰণি। ভাৰতবৰ্ষত যোগ সাধনা পৰম্পৰাগতভাৱে প্ৰাচীন কালৰে পৰা চলি আহিছে। যোগসিদ্ধান্তক ব্ৰহ্মাৰ সমান পুৰাতন বুলি কোৱা হয়। সেয়েহে ইয়াৰ প্ৰধান উৎস, উৎপত্তি বা স্থিতি সম্পৰ্কে এক নিৰ্দিষ্ট মত পোষণ কৰাটো কঠিন।

### নিয়মিত ব্যায়াম আৰু যোগাসনৰ প্ৰয়োজনীয়তা

শ্ৰীমদ্ভাগৱত গীতাতো ডগৱান শ্ৰীকৃষ্ণই কৈছে— 'যোগ কৰ্মসু কৌশলম' অৰ্থাৎ 'যোগ'ৰ দ্বাৰাই কৰ্ম কুশলতা বৃদ্ধি হয়। শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক শক্তি বিকাশত যোগাভ্যাসে প্ৰভূত বৰঙনি আগবঢ়াই আহিছে বুলি ক'ব পাৰি। বিভিন্ন গৱেষণাৰ দ্বাৰা ইতিমধ্যে প্ৰমাণিত হৈছে যে, নিয়মীয়া যোগাভ্যাসে বহু জটিল ৰোগকে ধৰি স্বাস্থ্য জনিত বহুতো সমস্যা সমাধানৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰিছে। বৰ্তমান ব্যস্ততাপূৰ্ণ জীৱন প্ৰণালীয়ে মানুহক মানসিক চাপ আৰু হতাশগ্ৰস্ততা লগতে শাৰীৰিকভাৱেও ভাৰাক্ৰান্ত কৰি তুলিছে। শৰীৰ আৰু মন এই দুয়োটাৰ ওপৰত যোগৰ প্ৰভাৱ অপৰিসীম।



মানসিক চাপ নিয়ন্ত্ৰণতো যোগে এক বিশেষ ভূমিকা পালন কৰে। যোগাভ্যাসে মানসিক চাপ আৰু অৱসন্ন ভাৱ নাইকিয়া কৰি মানুৰ মনলৈ প্ৰশান্তি আনে।

যৌগিক ব্যায়ামে মানৱ শৰীৰ স্নায়ুসমূহ তথা দেহৰ আভ্যন্তৰৰ অংগসমূহ বিশেষভাৱে সবল আৰু কাৰ্যক্ষম কৰি তুলিব পাৰে। ৰোগ নিৰাময়ৰ ক্ষেত্ৰত ব্যায়াম আৰু যোগাসনৰ ভূমিকা অপৰিসীম। আমাৰ শৰীৰটো সুস্থ আৰু সবল কৰি ৰখাৰ বহুতো উপায় আছে,তাৰ ভিতৰত ব্যায়াম যোগাসন একমাত্ৰ উপায়,যাৰ দ্বাৰা আমি শৰীৰ লগতে মনটোও সুস্থ কৰি ৰাখিব পাৰোঁ। পৌৰাণিক কালত ঋষি-মুনিসকলে যোগ কৰা ফলত দীৰ্ঘ জীৱন লাভ কৰা লগতে বিভিন্ন ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ সক্ষম হৈছিল।

নিয়মিত ব্যায়াম কৰিলে আমি বহুতো ৰোগৰ পৰা নিজকে ৰক্ষা কৰিব পাৰোঁ। যোগশাস্ত্ৰত মানসিক, শাৰীৰিক তথা আধ্যাত্মিক উন্নতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। যোগাভ্যাসে মস্তিষ্কলৈ তেজৰ প্ৰবাহ বৃদ্ধি কৰি নতুন নতুন কোষৰ জন্ম দিয়াৰ লগতে পুৰণি কোষবিলাককো স্বাস্থ্যবান কৰি তোলে। যোগে স্মৃতি শক্তি বৃদ্ধি কৰা লগতে মনক সন্তুলিত কৰি ৰখাত সহায় কৰে। নিয়মিত ব্যায়ামৰ ফলত অতিৰিক্ত মাংসপেশী নিয়ন্ত্ৰণ কৰিব পাৰি। শাৰীৰিক সুস্থতাৰ লগতে মানসিক সুস্থতা বৰ্তমান সময়ত অতি প্ৰয়োজন। মানসিক ভাৱে সুস্থ হৈ থাকিলেহে আমি এখন সুস্থ সমাজ গঢ় দিব পাৰিম। যোগ বিদ্যা কেৱল আধ্যাত্মিকতাই নহয়,সুস্থ জীৱনবোধৰো পৰিচায়ক।

স্বাস্থ্য ঠিক ৰাখিবলৈ হ'লে পুৰুষৰ লগতে মহিলাসকলেও নিয়মীয়াকৈ ব্যায়াম কৰাটো প্ৰয়োজনীয়। কেৱল ব্যাহিক সৌন্দৰ্য অতুত ৰাখিবৰ কাৰণেহে ব্যায়াম কৰা প্ৰয়োজন এনে নহয়। মহিলাসকলে ডিম্বাশয়, জৰায়ু আদিক সঠিক ঠাইত ৰাখি সেইবোৰ সুস্থ আৰু কাৰ্যক্ষম কৰি ৰাখিবৰ বাবেও ব্যায়াম কৰা অতি প্ৰয়োজন। যোগে মহিলাসকলৰ মাহেকীয়া নিয়মীয়া হোৱাতো সহায় কৰে।

বৰ্তমান সময়ৰ ব্যস্ততাপূৰ্ণ জীৱন শৈলীয়ে মানুহক শাৰীৰিক আৰু মানসিক অৱসাদগ্ৰস্ততাত ভোগাইছে। সেয়ে বৰ্তমান সময়ত প্ৰত্যেকজন ব্যক্তিয়ে ব্যায়াম যোগাসন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। সকলো বয়সৰ পুৰুষ মহিলাই ব্যায়াম যোগাভ্যাস কৰিব পাৰে। কেৱল মাত্ৰ "যোগ দিৱস"ৰ দিনটোতহে যে এই অভ্যাস বা চৰ্চা কৰিব লাগে এনে নহয়,জীৱনৰ প্ৰতিটো দিনতে এই অভ্যাস গঢ়ি তোলাতো প্ৰয়োজনীয়, তেতিয়াহে ইয়াৰ সুফল লাভ কৰিব পৰা যাব।

# ৰূপচৰ্চাত যোগাসন

■ মীনাক্ষি ৰায় ডাকুৱা



শ্ৰীমদ্ভাগৱত গীতাত ভগৱান শ্ৰীকৃষ্ণই যোগৰ সংজ্ঞা কৈছে— 'যোগ কৰ্মসু কৌশলম্' অৰ্থাৎ কৰ্মৰ কৌশলেই যোগ। যোগ ভাৰতৰ প্ৰাচীন ঐতিহ্য। সুপ্ৰাচীন কালৰপৰাই যোগচৰ্চাৰ অভ্যাস ভাৰতত চলি আহিছে। মন আৰু দেহৰ সংযোগ সাধনত যোগ এটি আধ্যাত্মিক শৃংখলা। অষ্টাঙ্গ যোগৰ তৃতীয় অঙ্গ হ'ল 'আসন।' এই আসনৰ মূল লক্ষ্য শৰীৰ আৰু মনক সুস্থ সবল কৰি তোলা। শৰীৰ আৰু মন এটি আনটোৰ সৈতে অঙ্গাঙ্গীভাৱে জড়িত। যোগৰ আটাইতকৈ সাধাৰণ ৰূপ হ'ল 'আসন' (শৰীৰৰ ভঙ্গী), যিয়ে দেহ আৰু মনৰ সামঞ্জস্য আৰু তাৰ স্থায়িত্ব প্ৰদান কৰে। প্ৰত্যেকটো আসনৰ বিভিন্ন প্ৰকাৰৰ উপকাৰিতা আছে। বৰ্তমান সমগ্ৰ বিশ্ব জুৰি যোগসাধনা জনপ্ৰিয় হৈ উঠিছে। অকল প্ৰতিৰোধৰ কাৰণে নহয়, সুস্থ জীৱনশৈলীৰ প্ৰয়োজনতো যোগসাধনাৰ অভ্যাস অত্যন্ত জৰুৰী।

মানুহ সৌন্দৰ্যৰ পূজাৰী। সৌন্দৰ্য আহে সুস্থতাৰ পৰা আৰু সুস্থতা আহে নিয়মিত শৰীৰচৰ্চাৰ পৰা। সেয়ে ৰূপচৰ্চাতো যোগাসনৰ ভূমিকা অপৰিসীম। ৩৬"-২৪"-৩৬" এই জোখটোৰ অসাধাৰণ চেহেৰা কোন মহিলাৰ কাম্য নহয় ? কিন্তু এই চেহেৰা তৈয়াৰী কৰাৰ বাবে কোনো স্লিমিং চেণ্টাৰ বা হেল্‌থ ক্লাৱত যোৱাৰ প্ৰয়োজন নাই। প্ৰয়োজন নাই কোনো নামী দামী বিউটি পাৰ্লাৰলৈ গৈ এগাল টকা খৰচ কৰাৰ। প্ৰয়োজন মাথোন— কিছু সময় আৰু কিঞ্চিৎ ধৈৰ্যৰ। হাজাৰ ব্যস্ততাৰ মাজতো দিনে অন্ততঃ আধা ঘণ্টা সময় দিব লাগিব যোগাসনৰ বাবে। যিকোনো আসন আৰম্ভ কৰাৰ আগতে শৰীৰৰ জড়তা আঁতৰাবলৈ কেইটামান ফ্ৰি-হেণ্ড এ'ৰচাইজ বা ব্যায়াম কৰি লোৱা উচিত। শৰীৰৰ আড়ষ্টতা দূৰ নকৰি যদি প্ৰথমেই আসন আৰম্ভ কৰা হয়, তেতিয়াহ'লে ভঙ্গিমাৰ ফালৰপৰা সেইবিলাক নিখুঁত নহয় বৰঞ্চ শৰীৰত আঘাত লাগি যাব পাৰে।

১ঃ আসন আৰম্ভ কৰক ভুজঙ্গাসনেৰে। এই আসনটো মহিলাসকলে মাহৰ প্ৰতিদিনেই কৰিব পাৰে। বিশেষজ্ঞৰ পৰামৰ্শমতে অন্যান্য অনেক আসন মাহৰ বিশেষ কেইদিনমান কৰা সম্ভৱ নহয়।

২ঃ ভুজঙ্গাসনৰ পদ্ধতিঃ প্ৰথমে উবুৰি হৈ শোৱক। হাতৰ পতা দুটা বুকুৰ দুফালে পাতি দিয়ক। হাতৰ আঙুলিবোৰ কান্ধৰ সমানে সমানে থাকিব। ভৰি দুটা লগলগাই যোৰ পাতি ৰাখক। মূৰটো তলৰ ফালে কৰি ৰাখিব। কান্ধ সামান্য ওখ কৰি কিলাকুটি ভাঁজ কৰি ৰাখিব । মনত ৰাখিব লাগিব কিলাকুটি যেন কাষৰ ফালে ওলাই নাথাকে, শৰীৰৰ কাষতে লাগি থাকে। দীঘলকৈ উশাহ লঞ্জওক। তাৰপিছত নিশাহ এৰি দি বা এৰি দি দি হাতত ভৰ দি নাভিৰ পৰা দেহৰ ওপৰৰ অংশ মাটিৰ পৰা তুলি দিয়ক। সাপে যিদৰে ফণা তোলে বহুখিনি তেনেকুৱা। মনত ৰাখিব লাগিব কঁকালৰ পৰা শৰীৰৰ নিম্নাংশ যেন মাটিৰ সৈতে লাগি থাকে । কোনোভাৱেই যেন এই নিম্নাংশ ওপৰলৈ উঠি নাযায়। ওপৰৰ অংশ সম্পূৰ্ণভাৱে ওপৰলৈ উঠি গ'লে মনে মনে একৰ পৰা বিছ গণনা কৰক । তাৰপিছত লাহে লাহে শৰীৰটোক মাটিলৈ নমাই লৈ আহক আৰু থুতনি মাটিত লগাই দিয়ক। একে পদ্ধতিৰে এই আসনটো ২-৩ বাৰ কৰিব লাগে।

উপকাৰিতা ঃ দেহৰ কমনীয়তা ঠিকে ৰাখিবলৈ আৰু কঁকালৰ মেদ কমাবলৈ ভুজঙ্গাসন খুবেই ফলদায়ক। ই পিঠিৰ হাড় মজবুত কৰে। এই আসন কৰিলে অম্বল, অজীৰ্ণ, কোষ্ঠবদ্ধতা দূৰ হয়। মূত্ৰাশয় আৰু যকৃৎ সুস্থ থাকে। কঁকাল আৰু ভৰিৰ বাতজনিত বিষ দূৰ কৰিবলৈও সাহায্য কৰে এই ভুজঙ্গাসনে।

৩ঃ শলভাসন ঃ

পদ্ধতি ঃ প্ৰথমে উবুৰি হৈ শোৱক। এতিয়া দুয়ো হাত পোন কৰি দেহৰ তলত এনেভাৱে ৰাখক যাতে দুই কৰতল উৰুৰ তলত থাকে। এতিয়া দীঘলকৈ উশাহ লঞ্জওক। এইবাৰ নিশ্বাস এৰি বা এৰি দি দি ভৰিদুটা একেলগে ওপৰলৈ উঠাই দিয়ক । আঁঠু নাভাঙিব। মনে মনে একৰ পৰা বিছ গণনা কৰক। এতিয়া আগৰ অৱস্থালৈ ঘূৰি আহি একেদৰে এই আসনটো দুই বা তিনিবাৰ কৰক। আসনটো কৰাৰ সময়ত কোনোধৰণৰ লৰা-ধপৰা নকৰিব।

উপকাৰিতা ঃ এই আসনটো কঁকালৰ বিষ দূৰ কৰাত অত্যন্ত ফলপ্ৰসূ। তদুপৰি হজমশক্তি বৃদ্ধি কৰিবলৈ আৰু শ্বাসপ্ৰণালীৰ সুপৰিচালনাৰ বাবেও বৰ উপকাৰী।

৩য় ধনুৰাসন ঃ

পদ্ধতি ঃ প্ৰথমে পেটৰ ওপৰত শুই আঁঠু ভাঁজ কৰি পিছপিনে আনক আৰু হাতেৰে গোৰোহা ধৰি ৰাখক । দীঘলকৈ উশাহ লৈ শ্বাস এৰি দি দি শৰীৰৰ ওপৰ আৰু তলভাগ ওপৰলৈ তুলি দিয়ক। শৰীৰটো বহুখিনি ধনুৰ দৰে বেঁকা কৰি দিয়ক। এইদৰে একৰ পৰা বিছ গণনা কৰক । আকৌ পূৰ্বৰ অৱস্থালৈ ঘূৰি আহি আসনটো ২-৩ বাৰ কৰক। এই আসনটো কৰাৰ এটি বিশেষ কৌশল আছে। ভৰি দুটা ধৰি ৰাখিয়েই পিছপিনে তোলাৰ চেষ্টা কৰক। ফলত যিহেতু হাতেৰে গোৰোহা ধৰি আছে, সেয়ে দেহৰ উৰ্দ্ধাংশঞ্জও উঠি আহিব। অৱশ্যে মনত ৰাখিব লাগিব যাতে কোনোধৰণৰ টান ধৰি নাযায়।

উপকাৰিতা ঃ কোষ্ঠবদ্ধতা, ক্ষুধামান্দ্য, পিঠি আৰু কঁকালৰ বিষ, পেটৰ বায়ু, আৰু শ্বাসকষ্ট দূৰ কৰাত ধনুৰাসন বৰ উপকাৰী। পেটৰ মেদ কমোৱাত এই আসন সহায় কৰে। কঁকাল আৰু হাঁওফাঁওৰ বাবে এই আসনটো খুব উপকাৰী। ই হজমশক্তি বঢ়োৱাতো সাহায্য কৰে।

৪ঃ অৰ্দ্ধকূৰ্মাসন ঃ

পদ্ধতি ঃ প্ৰথমে গোৰোহাৰ ওপৰত বহক । হাত দুখন আঁঠুৰ ওপৰত ৰাখি দীঘলকৈ উশাহ লৈ শ্বাস এৰি দি দি হাতদুখন এনেভাৱে আগুৱাই দিয়ক যেন প্ৰণাম কৰিছে। কপাল মাটিত লগাই দিয়ক। এতিয়া একৰ পৰা বিছ গণনা কৰি আকৌ আগৰ অৱস্থালৈ ঘূৰি আহক। একেদৰে এই আসনটো ২-৩ বাৰ কৰক।

উপকাৰিতা ঃ এই আসনটো হৃদঞ্জ্পিণ্ডৰ পক্ষে খুবেই ফলপ্ৰদ। হাৰ্টৰ ৰোগীৰ বাবে এইটোৱেই একমাত্ৰ আসন। পেটৰ বাবেও এই আসনটো উপকাৰী।

৫ঃ গোমুখাসন ঃ

পদ্ধতি ঃ ভৰিৰ ওপৰত পূৰণ চিহ্ন কৰি ভৰি তুলি দি বহক। ভৰিৰ পতা একেবাৰে পাতি দিব। প্ৰথমে বাঁওভৰি তলত, সোঁভৰি ওপৰত দি আৰম্ভ কৰক। যি ভৰি তলত, সেইফালৰ হাত তলেদি আৰু আনটো হাত কান্ধৰ ওপৰেৰে পিছপিনে লৈ গৈ মুঠি মাৰি ধৰক। উশাহ স্বাভাৱিক ৰাখি একৰ পৰা বিছ গণনা কৰক। এইবাৰ একেদৰে বিপৰীত ভাৱে কৰক। একক্ষেপ সম্পূৰ্ণ হ'ল। এইদৰে ২-৩ ক্ষেপ কৰক।

উপকাৰিতা ঃ গোমুখাসন কৰিলে মহিলাসকলৰ বক্ষঃস্থল সুডৌল হয়। হাঁওফাঁও ভাল ৰাখে, ভৰিৰ বিষ, চায়াটিকা ইত্যাদি দূৰ কৰাত গোমুখাসন বৰ ফলপ্ৰসূ। এই আসন অৰ্শ, মূত্ৰপ্ৰদাহ, নিদ্ৰাহীনতা ইত্যাদি দূৰ কৰে । মেৰুদণ্ড পোন আৰু সবল কৰে। মূত্ৰাশয়ৰ বাবে এই আসনটো বৰ উপকাৰী।

৬ঃ সিংহাসন ঃ

পদ্ধতি ঃ বজ্ৰাসনত বহক। এইবাৰ আঁঠু দুটা যিমানখিনি পাৰে ফাঁক কৰক। মেৰুদণ্ড টান টান ৰাখি দুই হাত পোন কৰি আঁঠুৰ ওপৰত ৰাখক। মুখ পোন আৰু দৃষ্টি সন্মুখৰ ফালে ৰাখিব লাগিব। চকু দুটা মেলি ডাঙৰ কৰক আৰু দীঘলকৈ উশাহ লঞ্জওক। যিমানখিনি পাৰে জিভা উলিয়াই দিয়ক। কিন্তু মুখ বিকৃত নকৰিব। এইবাৰ থুতনিটো বুকুত লগাই দিয়ক। জিভা যদি বুকুত লাগি যায় তেতিয়াহ'লেও কোনো ক্ষতি নাই । এই অৱস্থাত ডিঙিৰে শব্দ কৰি তাৰ লগে লগে নিশাহ এৰি দিয়ক। অৰ্থাৎ শ্বাস এৰি এৰিয়েই শব্দটো কৰিব লাগিব। যিমান সময়লৈ শব্দটো একেই সুৰত হ'ব, সিমান সময়লৈ আসনটো কৰিব। এইদৰে পাঁচৰ পৰা সাতবাৰ কৰক।

উপকাৰিতা ঃ এই আসনত বুকু আৰু ডিঙিৰ কফ পৰিষ্কাৰ হয়। যিসকলৰ টনচিল আছে, শৰীৰ দুৰ্বল আৰু বেছি কষ্ট সহ্য কৰিব নোৱাৰে তেওঁলোকৰ বাবে এই আসনটো বৰ উপকাৰী। নিয়মিত এই আসনটো কৰিলে খোনা মানুহ ভাল হৈ যায়। এই আসন অভ্যাস কৰিলে দম বাঢ়ে আৰু ডিঙিৰ স্বৰ পৰিষ্কাৰ হয়।

৭ঃ ভ্ৰামৰী প্ৰাণায়াম ঃ

পদ্ধতি ঃ দুই হাত যোৰ কৰি পদ্মাসন, অৰ্দ্ধ-পদ্মাসন বা ভদ্ৰাসনত বহক। দুই হাতৰ বুঢ়া আঙুলিৰে দুই কাণৰ ওপৰত আৰু বাকীবিলাক আঙুলি কপালৰ ওপৰত ৰাখক। এতিয়া নাকেৰে দীঘলকৈ উশাহ লৈ বুঢ়া আঙুলিৰে কাণ দুটা চেপি ধৰক। মুখ বন্ধ ৰাখি নিশাহ এৰি এৰি ডিঙিৰে ভোমোৰাৰ দৰে শব্দ কৰক । ইয়াৰ লগে লগে পিঠি আৰু মূৰ পোন কৰি ৰাখি সমুখৰ ফালে সামান্য হালি দিয়ক। উশাহ যিমান সময় থাকিব, সিমানলৈকে ৰাখক। উশাহ শেষ হৈ আহিলে বুঢ়া আঙুলি দুটা কাণৰপৰা উঠাই লৈ নাকেৰে উশাহ লৈ লৈ আগৰ অৱস্থালৈ আহক। বাকী আঙুলিবোৰ কপালৰ ওপৰতেই থাকিব। এইদৰে এঘাৰবাৰ কৰক।

উপকাৰিতা ঃ এই প্ৰাণায়াম কৰিলে বুকু আৰু ডিঙিৰ পুৰণি কফ উলিয়াই অনাত সাহায্য কৰে। কাণত কোনো ধৰণৰ বিষ হ'লে, পূঁজ জমিলে বা ৰস ওলালে তাক নিৰাময় কৰাত এই প্ৰাণায়াম খুবেই উপকাৰী। ই টনচিলৰ বাবেও বৰ উপকাৰী।

৮ঃ বমন বা বাঘিমাৰ ধৌতি ঃ

পদ্ধতি ঃ শোৱাৰ পৰা উঠি প্ৰথমে চাৰি পাঁচ গিলাচ বিশুদ্ধ ঈষদুষ্ণ পানী খাওক। তাৰপিছত লগে লগেই ডিঙিত আঙুলি সুমুৱাই দি বমি কৰি গোটেইখিনি পানী বাহিৰ কৰি দিয়ক। অলপ ঢেঁকা পানী আহিলে ভয় নাখাব। এই ক্ৰিয়াটো কৰাৰ পিছত ২০-২৫ মিনিট একো নাখাব।



উপকাৰিতা ঃ বমন ধৌতি ক্ৰিয়াই বায়ু-পিত্ত-কফ এই ত্ৰিধাতুৰ সমতা ৰক্ষা কৰে। বমন ধৌতি ক্ৰিয়াৰ ফলত অম্বল, অজীৰ্ণ, কোষ্ঠবদ্ধতা দূৰ হৈ যায়। আভোক কাটি যায়। শৰীৰৰ ছাল হয় চকচকীয়া আৰু টান টান। এইটো এটা খুবেই সহজ সৰল উপায়।

৯ঃ উথ্থিত পদাসন ঃ

পদ্ধতি ঃ প্ৰথমে চিৎ হৈ শোৱক । দুই হাত দুফালে থাকিব। এতিয়া ধীৰে ধীৰে দুই ভৰি মাটিৰ পৰা ১—১-৫ ফুট ওপৰত তুলি লৈ ভৰি টান টান কৰি ৰাখি দীঘল দীঘলকৈ উশাহ-নিশাহ লঞ্জওক আৰু এৰক। এইদৰে কিছু সময় থাকি পিছত চিৎ হৈ শুই থাকিয়েই ১০-১৫ চেকেণ্ড বিশ্ৰাম লওক। একেদৰে দুই তিনিবাৰ অভ্যাস কৰক।

উপকাৰিতা ঃ উথ্থিত পদাসন এটি খুব ভাল আসন। এই আসনটো নিয়মিত কৰিলে আঁঠুৰ বিষ, পেটৰ মেদ, হাৰ্নিয়া, মহিলাসকলৰ বিভিন্ন আভ্যন্তৰীণ ৰোগ বিশেষকৈ জৰায়ুৰ ৰোগ নহয় বা অলপ-অচৰপ হ'লেও সম্পূৰ্ণ ভাল হৈ যোৱাৰ সম্ভাৱনা থাকে। দূৰ হয় কোষ্ঠকাঠিন্য, অম্বল, অজীৰ্ণ ইত্যাদি।

১০ঃ সৰ্বাঙ্গাসন ঃ

পদ্ধতি ঃ প্ৰথমে চিৎ হৈ শোৱক। এতিয়া ধীৰে ধীৰে ভৰি দুটা মাটিৰ পৰা এনেভাৱে ওপৰৰ ফালে তুলি দিয়ক যেন ভৰিৰ পতা দুটি চকুৰ সৈতে একে ৰেখাত থাকে। দুহাতেৰে কঁকালটো ওপৰত ঠেলি ৰাখক। এই আসন কৰাৰ সময়ত থুতনি বুকুত লাগি থাকিব আৰু পিঠি, নিতম্ব আৰু ভৰি একে সৰলৰেখাত থাকিব। উশাহ-নিশাহ স্বাভাৱিক ৰাখিব। আগৰ অৱস্থালৈ ঘূৰি আহি আকৌ একেদৰে ২-৩ বাৰ কৰক। প্ৰতিবাৰৰ মাজত ১০-১৫ চেকেণ্ড বিশ্ৰাম লঞ্জওক।

উপকাৰিতা ঃ সৰ্বাঙ্গাসন কৰিলে চৰ্দি-কাহ, টনচিলৰ ৰোগ, অনিদ্ৰা, ক্ষুধামান্দ্য প্ৰভৃতি অনেক ৰোগ দূৰ হোৱাত সাহায্য কৰে। বদহজম, অজীৰ্ণ, কোষ্ঠকাঠিন্য দূৰ কৰে। মূত্ৰাশয়ৰ সকলো ৰোগ নিৰাময় হয়। জড়তা আৰু দুৰ্বলতা দূৰ কৰে আৰু মেৰুদণ্ড নমনীয় হয়। থায়ৰয়েড ৰোগীৰ বাবে এই আসন বিশেষভাৱে উপকাৰী। মহিলাসকলৰ বাবে সৰ্বাঙ্গাসন অত্যন্ত উপযোগী এটি আসন । মনঃসংযোগ বঢ়োৱাত এই আসন খুবেই সাহায্য কৰে। অকালবাৰ্দ্ধক্যক ৰোধ কৰে আৰু যৌৱন দীৰ্ঘস্থায়ী কৰে। সৰ্বাঙ্গাসন এটি উৎকৃষ্ট যোগাসন।

যোগাসন কৰাৰ আগতে সামান্য কিবা খাই ল'ব লাগে। আসন প্ৰতিদিন একে সময়তে কৰা উচিত। আসনৰ উপকাৰিতা কেৱল শৰীৰভিত্তিক নহয়, কাৰণ আসন দেহ আৰু মনৰ সমন্বয়ত সম্পূৰ্ণ হয়। প্ৰাচীন যোগীসকলে কেতিয়াও মনক বাদ দি আসন কৰা নাছিল। যোগাসনৰ সময়ত মনঃসংযোগৰ ফালে খেয়াল ৰাখিব লাগে। যোগাসন কৰাৰ সময়ত লৰা-ধপৰা কৰিব নালাগে। দ্ৰুত আসন কৰিলে পেশীৰ ওপৰত চাপ পৰে আৰু টেনচন বাঢ়ে। ভঙ্গিমাৰ লগে লগে শ্বাস-প্ৰশ্বাসৰ ছন্দ দৰকাৰ, তেতিয়া তেজও ছন্দত চলিব আৰু দেখা যাব মনো সেই ছন্দত চলিছে। এইদৰে দেহ আৰু মনক একে ছন্দত আনিব পাৰিলে আসন কৰা সাৰ্থক। দেহ আৰু মন যুক্ত হোৱাই হৈছে যোগ— অৰ্থাৎ মানসিক চিন্তাক নিয়ন্ত্ৰণত আনি, মনক চিন্তামুক্ত কৰি যোগাসনৰ অভ্যাস কৰিলে যোগাসন কৰা পূৰামাত্ৰাত সাৰ্থক হয় । নিয়মিত যোগাসনৰ অভ্যাসৰ দ্বাৰা শীত, গ্ৰীষ্ম, ক্ষুধা, তৃষ্ণা, খং, দ্বেষ প্ৰভৃতি শাৰীৰিক বৃত্তিক আয়ত্তৰ মাজত ৰাখিব পৰা যায়। অকালবাৰ্ধক্যই গ্ৰাস কৰিব নোৱাৰে। শৰীৰ থাকে দীৰ্ঘদিন সুঠাম মজবুত। যৌৱন দীৰ্ঘস্থায়ী হয়। যোগাসনৰ দ্বাৰা কেৱল যে দুৰাৰোগ্য ৰোগ নিৰাময় হয় সেয়া নহয়, সকলোৱে আকাংক্ষিত ধুনীয়া চেহেৰাৰ বাবেও যোগাসন অদ্বিতীয়।

*ফোন ঃ ৮৭৬১৮৬৫৮৮৫*

## শৰীৰ সুস্থ কৰি ৰাখিবলৈ যোগব্যায়াম অপৰিহাৰ্য

■ চিন্ময় ডেকা

দুদিনীয়া জীৱনত সকলোৱে স্বাস্থ্যকৰ জীৱন যাপন কৰিবলৈ হ'লে ভাল খাদ্যৰ সৈতে যোগব্যায়াম কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ। যোগাভ্যাসে আপোনাৰ দৰে মোৰো শাৰীৰিক আৰু মানসিক স্বাস্থ্য উন্নত কৰে। গতিকে প্ৰতিদিনে যোগব্যায়াম কৰাটো অত্যন্তই প্ৰয়োজনীয়। যোগ হ'ল 'আমাৰ গৌৰৱ, বিশ্ব একতাৰ এনাজৰী আৰু জীৱনৰ এক নতুন গতিপথ।' এখন সুস্থ সমাজ গঢ় দিয়াৰ ক্ষেত্ৰত যোগব্যায়ামৰ গুৰুত্ব অপৰিসীম আৰু অনবদ্য। যোগাভ্যাসে মানৱ শৰীৰত যোগাত্মক চিন্তা, ভাৱাত্মক শক্তিৰ জৰিয়তে কৌশলগত দিশত উৎকৰ্ষ সাধন কৰি দৈনন্দিন জীৱনৰ পথ সুচল কৰাত সহায় কৰে। যোগ সাধনা এক প্ৰাচীন ভাৰতীয় কলা। ই এসময়ত বিশ্বৰ অন্যতম জনপ্ৰিয় সাধনাৰূপে পৰিগণিত হৈছিল। এই 'যোগ' শব্দটি মূলত: সংস্কৃত ভাষাৰ পৰা লোৱা হৈছে আৰু ইয়াৰ অৰ্থ হৈছে 'সংযোগ' বা 'যুক্ত হোৱা'। অৰ্থাৎ মানুহৰ মন আৰু দেহৰ 'একত্ৰিকৰণ' কৰা এক সহজাত প্ৰক্ৰিয়া। উল্লেখনীয় কথাটো হ'ল— এই সাধনা অনুশীলন কৰিলে মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশত যথেষ্ট উন্নত হয়। লগতে মানুহৰ স্বাস্থ্যও ভাল হয়। নিয়মীয়াকৈ যোগ অনুশীলন কৰিলে এক সুন্দৰ মানসিক, শাৰীৰিক আৰু বৌদ্ধিক স্বাস্থ্য অধিক ভাল হোৱাৰ লগতে ভাল কাম বোৰ কৰিবলৈ প্ৰেৰণা যোগাই। অৱশ্যে, যোগ অনুশীলনে মানুহৰ জীৱনশৈলী সম্পূৰ্ণৰূপে সলনি কৰিব পাৰে, মানুহৰ চিন্তা-চৰ্চাও পূৰ্বতকৈ বহুখিনি উন্নত কৰে, মানুহৰ ঋণাত্মক দৃষ্টিভংগীবোৰ নাইকিয়া কৰে, জীৱনৰ গুণগত মান উন্নত কৰে, লগতে যোগ অনুশীলনৰ যোগেদি নিজৰ অন্ত:জগতৰ লগতে সংযোগ ঘটাই গোটেই দিনটোৰ কাৰণে দু:চিন্তা আৰু উদ্বেগৰ পৰা মুক্ত হৈ থাকিবলৈ সকাহ প্ৰদান কৰে। সেয়ে আমি জীৱশ্ৰেষ্ঠ মানৱ সমাজে বিশ্বশান্তি, ভ্ৰাতৃত্ববোধ আৰু সুস্বাস্থ্যৰ বাবে যোগাভ্যাস কৰাটো অত্যন্তই আৱশ্যক। যদিওঁ, সাম্প্ৰতিক সময়ত বিশ্বৰ মানসপটত মানুহৰ নিত্য জীৱনৰ চৰ্চাৰ অংগ হিচাপে স্বামী বাবা ৰামদেৱৰ পতঞ্জলি যোগবিদ্যাই সমগ্ৰ বিশ্বত বিশেষ প্ৰসাৰ লাভ কৰাৰ লগতে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা পৰিলক্ষিত হৈছে। ই আধুনিক সমাজৰ যান্ত্ৰিকতাৰ যুগত ইতিবাচক বৌদ্ধিক চিন্তনৰ উল্লেখনীয় সঁহাৰি বুলি অভিহিত কৰিব পাৰি।

*ফোন ঃ ৬০০২৬৬৬৫৯৩*



### নাজিৰা মহকুমাত কলাগুৰু বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

# কুইজ প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থান দখল কৰে হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে

## নাজিৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰঞ্জু বুঢ়াগোহাঁইৰ ‘স্পন্দন’ শীৰ্ষক এখন কাব্যপুথি উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২০ জুন ঃ** নাজিৰা মহকুমা প্ৰশাসন আৰু শিৱসাগৰ জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত তথা নাজিৰা মহাবিদ্যালয়ৰ সহযোগত আজি নাজিৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিষ্ণু প্ৰসাদ ৰাভা দিৱসটি দিনযোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। কলাগুৰু বিষ্ণু ৰাভাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন তথা পুষ্পাঞ্জলি অৰ্পণ কৰে নাজিৰা মহকুমাৰ সহকাৰী আয়ুক্ত প্ৰীতম গগৈয়ে। লগতে শিৱসাগৰ আৰু চৰাইদেউ জিলা ভিত্তিত, বিষ্ণু ৰাভাৰ জীৱন, আদৰ্শ তথা তেখতৰ ৰচনাৱলীৰ ওপৰত অনুষ্ঠিত হোৱা কুইজ প্ৰতিযোগিতা খন উদ্বোধন কৰে নাজিৰা পৌৰসভাৰ উপ - পৌৰপতি নাচিমুদ্দিন আহমেদে।মুঠ ২৬ গৰাকী ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কুইজ প্ৰতিযোগিতাৰ চুড়ান্ত পৰ্য্যায়লৈ উত্তীৰ্ণ হোৱা ৬টা দলৰ সপ্তম তথা অন্তিম গোলাৰ্দ্ধৰ অন্তত প্ৰথম পুৰস্কাৰ লাভ কৰে সুৰৱ দেউল দলৰ হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিযোগী জ্ঞানম বিকাশ চেতিয়া আৰু সুৰক্ষিতা চেতিয়াই,দ্বিতীয় পুৰস্কাৰ লাভ কৰে চিফুং দলৰ হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিযোগী ত্ৰিবেণী ভৰালী আৰু মায়াশ্ৰী নেওগে আৰু তৃতীয়



পুৰস্কাৰ লাভ কৰে সোণপাহি দলৰ দিচাং ৰজাবাৰী হাইস্কুলৰ প্ৰতিযোগী হেমাংগিনী পৰ্জা আৰু প্ৰতিভা কুৰ্মিয়ে। তদুপৰি, চতুৰ্থ স্থান দখল কৰে দিচাং ৰজাবাৰী হাইস্কুলে, পঞ্চম স্থান যুটীয়াভাবে দখল কৰে স্বৰাজ একাডেমী আৰু দেওৰজা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে। কুইজ প্ৰতিযোগিতাৰ বিচাৰকৰ আসনত উপবিষ্ট আছিল দিব্য শৰ্মা , দেৱজিৎ শৰ্মা, দেৱযানি বকলিয়াল আৰু দীপাংকৰ শৰ্মা।পৰৱৰ্তী পৰ্যায়ত অনুষ্ঠিত কৰা মুকলি সভাৰ আৰম্ভণিতে আদৰণী ভাষণ প্ৰদান কৰে নাজিৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু ফুকনে। তাৰ পিছতেই সমৱেত সংগীত পৰিৱেশন কৰে নাজিৰাৰ গীতপ্ৰিয়া দলে। নাজিৰা মহাবিদ্যালয়ৰ ছাত্ৰ জিতু দিহিঙ্গীয়া আৰু ছাত্ৰী আধুনিকা চুতীয়াই সংগীত পৰিৱেশন কৰাৰ পৰিৱৰ্তে স্বৰাজ একাডেমীৰ ছাত্ৰী ৰাখী বৰুৱাই কবিতা আবৃত্তি কৰি সকলোকে মুগ্ধ কৰে। লগতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ এটি গীতত নৃত্য পৰিৱেশন কৰে শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰী কুঁকি কোঁৱৰে। উল্লেখ্য যে, নাজিৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা ৰঞ্জু বুঢ়াগোহাঁইৰ ‘স্পন্দন’ শীৰ্ষক এখন কাব্যপুথি উন্মোচন কৰে নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত সব্যসাচী কাশ্যপে। উন্মোচন কৰি মহকুমাধিপতি সব্যসাচী কাশ্যপে বিষ্ণু ৰাভাক শ্ৰদ্ধা জনাই কয় যে,“এই কাব্যগ্ৰন্থখন উন্মোচন কৰিবলৈ পাই মই গৌৰৱান্বিত। সুন্দৰ নামেৰে প্ৰকাশ কৰা এই গ্ৰন্থখন ৰঞ্জু বুঢ়াগোহাঁইৰ সৃষ্টিশীল চেতনাৰ পৰিচায়ক হৈছে। পুথিখনৰ কবিতাসমূহৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে কবিয়ে অন্তৰ্দৃষ্টিসম্পন্ন মনেৰে বিভিন্ন ক্ষেত্ৰত বিচৰণ কৰিছে আৰু কাব্যগ্ৰন্থখন মনোগ্ৰাহী হৈছে। আজিৰ দিনটোত বিশেষভাৱে উল্লেখযোগ্য যে এই কাব্যগ্ৰন্থৰ জৰিয়তে কবিৰ প্ৰতিবাদী সত্তাও প্ৰকাশ পাইছে। মই আশা কৰোঁ এই গ্ৰন্থখনে কাব্যপ্ৰেমীসকলৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ’ব। ৰঞ্জু বুঢ়াগোহাঁইৰ সৃষ্টিৰ এই যাত্ৰা অব্যাহত থাকক।’ সভাত বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা চাহ খেতিয়ক নৱজ্যোতি ভূঞা আৰু শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকৰ ড° সৌমাৰজ্যোতি মহন্তই বক্তব্য আগবঢ়ায়। বিষ্ণু ৰাভাৰ এটি কবিতা আবৃত্তিৰে আৰম্ভ কৰা বক্তব্যত ড° সৌমাৰজ্যোতি মহন্তই কয় যে, ‘অসমীয়া জাতিটোক কলাগুৰুৱে নিজৰ সৃষ্টিৰে শক্তিশালী কৰি তোলাৰ বাবেই আমাৰ সমাজখন অনন্ত কাললৈ প্ৰবাহিত হৈ থাকিব। আমি তেখেতক আন্তৰিকতাৰে উপলব্ধি কৰিব লাগিব।’ একেটি অনুষ্ঠানতে শিৱসাগৰ জিলাৰ গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি ব্ৰজেন ফুকনে গ্ৰাম্য পুথিভঁৰাল সন্দৰ্ভত নিজৰ বক্তব্য প্ৰদান কৰে। শলাগৰ শৰাই আগবঢ়ায় গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সম্পাদক মহেন্দ্ৰ নাথে। উক্ত সভাত নাজিৰা মহকুমাৰ সহকাৰী আয়ুক্ত প্ৰীতম গগৈ, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত, কোষাগাৰ বিষয়া মহচিনা নাচৰিন, শিৱসাগৰ জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উপ-সভপতি হিমাদ্ৰী জ্যোতি দত্তকে প্ৰমুখ্য কৰি বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, নাজিৰা মহবিদ্যালয়ৰ অধ্যাপকসকলৰ লগতে নাজিৰাৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সংবাদকৰ্মীসকল উপস্থিত থাকে। নাজিৰা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰাজীৱ বৰাই আঁত ধৰা সভাৰ অন্ত পৰে জাতীয় সংগীতেৰে।



## ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ২০ জুন ঃ** অসমৰ কলাগুৰু, নব্য কৃষ্টি-সংস্কৃতিৰ ৰূপকাৰ, চিৰস্মৰণীয় গায়ক, আজীৱন সাহিত্য সাধক, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ঝঞ্ঝাবিজয়ী কৃতকৰ্মক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ উদ্দেশ্যে সমগ্ৰ অসমৰ লগতে আজি ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়তো দিনযোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস পালন কৰা হয়। পুৱা ৯ বজাত বিদ্যালয়ৰ উপাধ্যক্ষা লক্ষী দত্তই বিষ্ণুৰাভাৰ প্ৰতিচ্ছবিত পুষ্প অৰ্পণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকন, কবিতা আবৃত্তি প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, বিষ্ণু ৰাভা গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাসমূহত বিচাৰক হিচাপে দায়িত্ব পালন কৰে ক্ৰমে ৰেখা চমুৱা, মাজুন দেৱী, ইভা চমুৱা, লাকী বুঢ়াগোহাঁই, চেনিৰাম গগৈ, পংকজ পেগু, সুৰজিত বড়া, শুভৰঞ্জন দুৱৰা, ইভা দত্ত, ৰাহুল গগৈ, জাহ্নবী শইকীয়া আৰু তৰুণ দাসে। দিনৰ ১২:৪০ বজাত অধ্যক্ষ কল্পনা গগৈৰ সভাপতিত্বত মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত বিষ্ণু ৰাভাৰ জীৱন আৰু দৰ্শন সম্পৰ্কে বক্তৃতা প্ৰদান কৰে মৌচুমী হাতীবৰুৱা আৰু প্ৰণৱ কুমাৰ বৰুৱাই। তেওঁলোকে নিজা ভাষণত ৰাভাৰ জীৱন সংগ্ৰাম, কলা-সংস্কৃতিৰ প্ৰতি দায়বদ্ধতা আৰু বিপ্লৱী মন আৰু মনন সম্পৰ্কে আলোকপাত কৰে। বিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীৰ উপস্থিত থকা অনুষ্ঠানটি সহঃ শিক্ষক মানস প্ৰতিম দত্তৰ শলাগৰ শৰাইৰে কাৰ্যসূচী সামৰণি পৰে।

### নদুৱাৰৰ বিভিন্ন শিক্ষানুষ্ঠানত বিষ্ণু ৰাভা দিৱস পালন

## গীত-মাতে গুঞ্জৰিত হ’ল সমগ্ৰ শিক্ষানুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২০ জুন ঃ** আজি কলা গুৰু বিষ্ণু ৰাভা দিৱস! ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে আজি অবিভক্ত শোণিতপুৰ জিলাৰ নদুৱাৰৰ বিভিন্ন শিক্ষানুষ্ঠানত পালন কৰে বিষ্ণু ৰাভা দিৱস।জিলাখনৰ নদুৱাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত ইটাখোলা, বালিজুৰি, মঙলবৰীয়া, ৰঙাচকুৱা, টুপীয়া, ধলাইবিল, চৈবাৰীৰ লগতে জামুগুৰিহাটৰ প্ৰাথমিক শিক্ষানুষ্ঠানসমূহৰ লগতে উচ্চ শিক্ষানুষ্ঠানসমূহত আনুষ্ঠানিক ভাবে ৰাভা দিৱস ভাগ পালন কৰা পৰিলক্ষিত হয়। পুৱাই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীসকলে শিক্ষানুষ্ঠানসমূহত কলা গুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিমূৰ্তি-প্ৰতিছবিত পুষ্পাঞ্জলী আৰু বন্তী প্ৰজ্জ্বলন কৰি শ্ৰদ্ধাঞ্জলি অৰ্পন কৰে। ইয়াৰ পিছতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগত ছাত্ৰ-ছাত্ৰীৰ মাজত শিল্প সাধক ৰাভা দেৱৰ গুণানুকীৰ্তনৰ ওপৰত আলোপাত হয়। ইয়াৰ উপৰিও আজিৰ



ৰাভা দিৱসৰ লগত সংহতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমবেত সংগীত,ৰাভা সংগীতৰ লগতে নৃত্য গীত আৰু বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠান অনুষ্ঠিত কৰে। উল্লেখ্য যে বিগত দুটা বছৰে ক’ভিড পৰিস্থিতিয়ে সমগ্ৰ অনুষ্ঠান প্ৰতিষ্ঠান আৰু শিক্ষানুষ্ঠানসমূহ স্থৱিৰ হৈ থকাত চলিত বৰ্ষত বৰ আগ্ৰহৰে ৰাভা দিৱসভাগ উদযাপন কৰা দেখা গৈছে। মুঠতে অসমৰ এগৰাকী বিশিষ্ট কবি,সাহিত্যিক,নাট্যকাৰ,সংগীতজ্ঞ তথা অভিনেতা আৰু মুক্তি যুঁজাৰু বিষ্ণু প্ৰসাদ ৰাভাৰ কৰ্ম জীৱণস্থলী তেজপুৰ হোৱাত ঠাইখনৰ বিভিন্ন প্ৰান্তত ৰাভাদিৱসটি বৰ উলহ মালহৰে পালন কৰি শিল্পী গৰাকীৰ জীৱন শৈলী সজিৱ কৰি তোলে।

### ‘অদ্যাপি প্ৰকৃত মূল্যায়ন হোৱা নাই বিষ্ণু ৰাভাৰ

## গ্ৰাম্য জীৱনৰ লগত সংপৃক্ত ৰাভা আছিল মাটিৰ অনুভৱ থকা ব্যক্তি

### বাচনাঘাটত মৰিগাঁও জিলা সাহিত্য সভাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তা সেৱা ভুৰাগাঁও, ২০ জুন ঃ** ‘শংকৰ-মাধৱে আধাৰ হিচাপে লোৱা ভেদাভেদ হীন সমাজ গঠনৰ ভাবাদৰ্শক সৰোগত কৰি কৰ্মক্ষেত্ৰত বিপ্ৰী ভূমিকা লোৱা বিষ্ণু প্ৰসাদ ৰাভাৰ সপোনৰ সমাজখন এতিয়াও গঢ়ি উঠা নাই। ভিন্নমুখী প্ৰতিভা আৰু ব্যক্তিত্বৰে উদ্ভাসিত বিষ্ণু ৰাভাৰ প্ৰকৃত মূল্যায়ন অদ্যপি হোৱা নাই“ - এই বক্তব্য সাহিত্যিক পেঞ্চনাৰ, বিশিষ্ট চিন্তাবিদ, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিলেশ্বৰ পাটৰৰ। আজি পুৱাৰে পৰা বাচনাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত খন্দাজান প্ৰাথমিক বিদ্যালয়ত ভিন্নমুখী কাৰ্যসূচীৰে মৰিগাঁও জিলা সাহিত্য সভাই কেন্দ্ৰীয় ভাৱে উদযাপন কৰা বিষ্ণু ৰাভা দিৱসৰ মুকলি সভাত বিশিষ্ট অতিথিৰ আসনৰ পৰা ভাষণ দি বিশিষ্ট সাহিত্যিক গৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ আৰু কয় জনতাৰ মাজত, বিভিন্ন জনগোষ্ঠীৰ মাজত বিদ্যমান লোক সংস্কৃতিৰ আধাৰত সংগীত সৃষ্টি কৰিছিল ৰাভাই। আজি ৰজাঘৰে, প্ৰজাঘৰে ৰাভা দিৱস উদযাপন কৰে, কিন্তু তেওঁৰ আদৰ্শ কিমানে মান্যতা দিছে বুলি পাটৰে খেদ প্ৰকাশ কৰে। মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাই সভাপতিত্ব কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত আন এগৰাকী বিশিষ্ট অতিথি, প্ৰাক্তন বিধায়ক, সুপ্ৰসিদ্ধ কবি, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰেন্দ্ৰ বৰাই কয়, ৰাভা আৰু অন্যান্য শিল্পীৰ মাজত গুণগত মৌলিক প্ৰাৰ্থক্য আছে। ৰাজনীতিক, সমাজ কৰ্মী সকলে সমাজ গঠন কৰে, কিন্তু তাত প্ৰাণ দিব পাৰে কেৱল এগৰাকী গণ শিল্পীয়ে। ৰাভা আছিল তেনে এগৰাকী বিপ্ৰী শিল্পী। গ্ৰাম্য জীৱনৰ লগত সংপৃক্ত ৰাভা আছিল মাটিৰ অনুভৱ থকা ব্যক্তি। মৰিগাঁও জিলা



সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই খেদ প্ৰকাশ কৰি কয়, জীৱন কালত ৰাভাই স্বীকৃতি নেপালে। আজি তেওক সকলোৱে আদৰি লোৱাত অসমৰ জাতীয় জীৱন উপকৃত হৈছে। সভাত সংক্ষিপ্ত ভাষণ দিয়ে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্ত, প্ৰাক্তন উপ-সভাপতি চন্দ্ৰলেখা গোঁহাই লাহন, বাচনাঘাট শাখা সাহিত্য সভাৰ সভাপতি কুশল বৰা প্ৰমুখ্যে ব্যক্তি সকলে। সভাত বিশিষ্ট কবি সীমা বৰাই স্বৰচিত কথা কবিতা আৰু পিনাকী ভূষণ মহন্তঞ্জই স্বৰচিত কবিতা পাঠ কৰে, ৰাভা সংগীত পৰিৱেশন কৰে ৰূপালী দেৱীয়ে। সভাৰ পতাকা উত্তোলন কৰে শাখা সভাৰ সভাপতি কুশল বৰাই। ৰাভাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে উপ-সভাপতি কৃষ্ণানন্দ নাথে আৰু বন্তি প্ৰজ্বলন কৰে জেষ্ঠ সাহিত্য সেৱী সুৰেন শৰ্মাই। মুকলি সভা উদ্বোধন কৰি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মহেন্দ্ৰ শঞ্জইকীয়াই ৰাভাৰ বিপ্ৰী কৰ্মকাণ্ড উল্লেখ কৰি কয়, ৰাভাই হাতত বন্দুক লৈছিল প্ৰতীকি প্ৰতিবাদৰ বাবেহে, বন্দুকেৰে তেওঁ এটি চৰায়ো মৰা নাছিল। সভাপতি প্ৰতাপ হাজৰিকাই সভাপতিৰ ভাষণত কয়, অসমৰ সাম্প্ৰতিক ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটত ৰাভাৰ আদৰ্শ আৰু শৈল্পিক কৰ্মৰ প্ৰাসংগিকতা বাঢ়িছে। তেওঁৰ জীৱন কালত কৰ্ষণ কৰা কৰ্মকাণ্ড নতুন প্ৰজন্মঞ্জই আদৰি লোৱা কাৰ্য শুভ লক্ষণ হিচাপে বিবেচিত হৈছে। বিষ্ণু ৰাভা দিৱসৰ সকলো কাৰ্যসূচীৰ আঁত ধৰে শাখা সভাৰ সম্পাদক বিশ্বজিৎ বৰাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে শাখা সম্পাদক বিশ্বজিৎ বৰা আৰু জ্যেষ্ঠ সাহিত্যিক পৰেশ চন্দ্ৰ চৌধুৰীয়ে। উল্লেখ্য বাচনাঘাট অঞ্চলৰ অধিকাংশ বানে বুৰাই পেলোৱা স্বত্তেও অঞ্চলটোৰ গণ্যমান্য ব্যক্তি সকলে কাৰ্যসূচীত যোগদান কৰে।

## বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, জুৰীয়া, ২০ জুন ঃ** জুৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত আৰু উদমাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত উদমাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত কলাগুৰু বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয় । জুৰীয়া শাখা সাহিত্য সভাৰ সভাপতি তথা উদমাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফজলুল হক মৰল আৰু সম্পাদক সূৰ্য্য বৰা উপস্থিত থাকি কলাগুৰু বিষ্ণু ৰাভা দেৱৰ ফটোত মাল্যাৰ্পণেৰে আজিৰ কাৰ্য্যসূচীৰ শুভাৰম্ভণি কৰে । আজিৰ অনুষ্ঠানত ৰাভা সংগীত প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, কবিতা আবৃত্তি আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীক বিভিন্ন পুৰস্কাৰেৰে পুৰস্কৃত কৰা দেখা যায়। লগতে সদ্যঘোষিত ২০২২ শিক্ষা বৰ্ষত উচ্চতৰ মাধ্যমিক বিদ্যালয় চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা উদমাৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় পৰিচালনা কমিটিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই অনুষ্ঠানত বিদ্যালয় পৰিচালনা কমিটী সভৰ বিভিন্ন বিষয়ববীয়া, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন তথা বৰ্তমানৰ প্ৰায় ৫০০ ৰো অধিক ছাত্ৰ-ছাত্ৰী তথা এই অঞ্চলৰ যুৱক-যুৱতী উপস্থিত থাকে। উদমাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা কমিটীৰ সভাপতি জনাব নিজাম উদ্দিনৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ অধ্যক্ষ ফজলুল হক মৰল চাহাবে। উদ্দেশ্য ব্যাখ্যাত তেওঁ কয় যে, শ্ৰীমন্ত শংকৰদেৱৰ পিছত যিসকল ব্যক্তিয়ে অসমৰ সমাজ জীৱনত প্ৰভাৱ বিস্তাৰ কৰি জাতিটোক গৌৰৱান্বিত কৰিছে সেইসকল ব্যক্তিৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভাদেৱ অন্যতম।

## মুছলপুৰত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২০ জুন ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বাক্সা জিলাৰ সদৰ মুছলপুৰতো বাক্সা আঞ্চলিক সাহিত্য সভাৰ উদ্যোগত আৰু আকাশ জাতীয় বিদ্যালয়ৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯ বজাত পতাকা উত্তোলন কৰে বাক্সা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰাজমোহন পাঠকে। ইয়াৰ পিছত বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জিতেন্দ্ৰ নাথ তালুকদাৰে । দিনৰ ১১ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিষ্ণু ৰাভা সংগীত পৰিৱেশন, কবিতা আবৃত্তি আৰু নৃত্য প্ৰদৰ্শন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত দীক্ষা কলিতা নামৰ এগৰাকী বিশেষভাৱে সক্ষম ছাত্ৰীয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে ইংৰাজীত ভাষণ প্ৰদান কৰি ৰাইজক আপ্লুত কৰি তোলে। দুপৰীয়া ১২ বজাৰ পৰা বাক্সা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰাজমোহন পাঠকৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে বাক্সা আঞ্চলিক সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ব্ৰজমোহন কলিতাই । ভাষণত তেখেতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অসমীয়া জাতিৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বিষয়ে বিতং বাখ্যা দাঙি ধৰে । আনহাতে সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকি বিশিষ্ট লেখক তথা নেপালী সাহিত্য পৰিষদৰ প্ৰাক্তন সম্পাদক বদ্ৰীনাথ গুৰাগাঞীয়ে বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত অসমীয়া জাতিৰ প্ৰতি আগবঢ়োৱা অৱদানৰ সম্পৰ্ক বিশদভাৱে বিশ্লেষণ আগবঢ়ায়। বাক্সা আঞ্চলিক সাহিত্য সভাৰ সম্পাদক নিৰঞ্জন পাঠকে আঁত ধৰা উক্ত মুকলি সভাত বাক্সা আঞ্চলিক সাহিত্য সভাৰ প্ৰাক্তন সম্পাদকদ্বয় ক্ৰমে নিকুঞ্জ কলিতা আৰু অচ্যুত ডেকা, অনাতাঁৰ শিল্পী হৰেন্দ্ৰ নাথ কলিতাকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## বঢ়মপুৰৰ ভিন্ন প্ৰান্তত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২০ জুন ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ আজি মৃত্যু দিনটোত ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বঢ়মপুৰৰ বিভিন্ন স্থানতো স্মৃতিচাৰণ কৰা হয়। এই উপলক্ষে আজি কলংপৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত চকৰিগাঁৱস্থিত শাখা সভাৰ অস্থায়ী কাৰ্যালয়ত বিভিন্ন কাৰ্যক্ৰমণিকাৰে বিষ্ণু ৰাভা দিৱসটি অনুষ্ঠিত কৰা হয়। শাখা সাহিত্য সভাৰ সভাপতি শৈলেন্দ্ৰ গোস্বামীয়ে পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰাৰ পাছতে সভাৰ প্ৰাক্তন সভাপতিদ্বয় ক্ৰমে কমলাকান্ত বৰা আৰু কাতিৰাম বৰাই মহান শিল্পী, সৰ্বগুণাকৰ বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ অন্তত অনুষ্ঠিত এখনি অনুষ্টপীয়া সভাত শাখাৰ সম্পাদিকা দিপিকা বৰাই কলাগুৰুগৰাকীৰ



মানৱতাৰ সম্পৰ্কত সুন্দৰ বক্তৃতা প্ৰদান কৰে। সভাত স্বনামধন্য শিল্পী গোলাপ বৰাই বিষ্ণু ৰাভাৰ ৰচিত আৰু প্ৰয়াত যজ্ঞ বেজবৰুৱাৰ সুৰাৰোপিত এটি গীত পৰিৱেশন কৰি সকলোকে আপুত কৰে।অনুষ্ঠানত জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ কুমুদ চন্দ্ৰ বৰাইও একাজঁলি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানত শাখাৰ বিষয়ববীয়াসকলকে ধৰি যথেষ্ট সংখ্যক লোক উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ইফালে, বঢ়মপুৰৰ শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়তো দিনজোৰা কাৰ্যসূচীৰে ‘বিষ্ণু ৰাভা দিৱস’টো উদযাপন কৰা হয়। সেই অনুসৰি, পুৱা ভাগত কলাগুৰু বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শুভাৰম্ভ কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী গুণ বৰাই। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা এখন স্মৃতিচাৰণ সভাত বিষ্ণু প্ৰসাদ ৰাভা সম্পৰ্কত বিদ্যালয়খনৰ সহ শিক্ষক ধনেশ্বৰ ৰাজা, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক অৰূপ মান্না, সৰ্ব শিক্ষা অভিযান মিছনৰ সমল ব্যক্তি দুৰ্লভ পৰন বৰুৱা আদিয়ে মনোগ্ৰাহী ভাষণ প্ৰদান কৰে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা সমবেত সংগীত, বিষ্ণু ৰাভা গীত-মাত পৰিবেশনেৰে মুখৰিত অনুষ্ঠানটোত শিক্ষয়িত্ৰী আছিয়া বেগম আৰু শিক্ষক জীৱন টাইদে বিষ্ণু ৰাভাৰ কবিতা আবৃত্তি কৰে। শিক্ষয়িত্ৰী অময়া বৰাইও এটি বিষ্ণু ৰাভা সংগীত পৰিবেশন কৰা অনুষ্ঠানটোত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলকে প্ৰমুখ্য কৰি অঞ্চলৰ বহু গণ্য-মান্য লোক উপস্থিত থাকে।

## নগাঁৱৰ ৰামানুজন মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ জুন ঃ** নগাঁও চহৰৰ ব্যক্তিগত খণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰামানুজন মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত আজি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰা হয় ।এই উপলক্ষে নগাঁও সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত আয়োজিত বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ কাৰ্যসূচীত প্ৰথমে কলাগুৰুৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শিক্ষা প্ৰতিষ্ঠানখনৰ অধ্যক্ষ দিলীপ কুমাৰ বৰাই । আনহাতে নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক বিশিষ্ট সাহিত্য সমালোচক অৰিন্দম বৰকটকীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি শিক্ষা প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি প্ৰদান কৰা ভাষনত বহু গুণ সম্পন্ন কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ পদাংক অনুসৰণ কৰি আগবাঢ়ি যাবলৈ আহ্বান জনায় ।আনহাতে, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুপ্ত হৈ থকা প্ৰতিভাসমূহ জাগ্ৰত কৰি নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে সমাজৰ হিত সাধনত মনোনিবেশ কৰিবলৈকো বৰকটকীয়ে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায় । ইপিনে বিষ্ণু প্ৰসাদ ৰাভা দিৱস উপলক্ষে শিক্ষা প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰিবেশন কৰা বিষ্ণু প্ৰসাদ ৰাভাৰ গীত, মাতৰ লগতে নৃত্য, কবিতা আবৃতি,বক্তৃতা আদিয়ে উপস্থিত সকলোকে মুগ্ধ কৰে । বিষ্ণু প্ৰসাদ ৰাভা দিৱসৰ কাৰ্যসূচীত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ৰীতা তালুকদাৰ , সাংবাদিক জিতেন বৰকটকী, কৃতী শিক্ষক বাবুল বৰা, শিক্ষা প্ৰতিষ্ঠানখনৰ উপাধ্যক্ষা সংগীতা বৰুৱা বৰাৰ লগতে ছাত্ৰ- ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকল উপস্থিত থাকে।



## গোগামুখৰ নলবাৰীত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন ঃ বাৰেৰহণীয়া নৃত্য-গীতৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ২০ জুন ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে ধেমাজি জিলাৰ গোগামুখ নলবাৰীতো বিষ্ণু ৰাভা দিৱস পালন কৰা হয় । উত্তৰ নলবাৰী ৰাভা গাঁও যুৱ সংঘ, ৰাভা গাঁও পৰিচালনা সমিতিৰ উদ্যোগত আৰু গোগামুখ-নলবাৰী আঞ্চলিক নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহযোগত ৰাভা গাঁও কৃষ্টি বিকাশ কেন্দ্ৰতএকাদশ বাৰৰ বাবে আয়োজন কৰা উক্ত বিষ্ণু ৰাভা দিৱসত বিষ্ণু-জ্যোতিৰ গীতৰ প্ৰতিযোগিতা, দৌৰ প্ৰতিযোগিতা, টেকেলিভঙা প্ৰতিযোগিতা. বেজিত সূতা ভৰোৱা, কবিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ লগতে বাৰেবৰণীয়া নৃত্য-গীতৰো আয়োজন কৰা হয়। ইয়াৰ আগতে আদৰণী তোৰণৰ দ্বাৰ উদ্বোধন কৰে ৰাভা গাঁও যুৱক সংঘৰ সভাপতি দ্বিপেন ৰাভাই । গছপুলি ৰোপণ কৰে স্থানীয় গাঁওবুঢ়া চুকুৰ ৰাভাই । তেওঁক সহযোগ কৰে সহশিক্ষক অজেন বিশ্বাসে । পতাকা উত্তোলন কৰে গোগামুখ-নলবাৰী ৰাভা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শচীন্দ্ৰ ৰাভাই । স্মৃতি তৰ্পণ তথা প্ৰয়াত ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে নিখিল ৰাভা সাহিত্য সভাৰ ধেমাজি জিলা সমিতিৰ সভাপতি পানীৰাম ৰাভাই ।বিয়লি মুকলি সভা অনুষ্ঠিত কৰা হয় । নিখিল ৰাভা ছাত্ৰ সন্থাৰ গোগামুখ আঞ্চলিকৰ সভাপতি শচীন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ধেমাজি জিলা নিখিল ৰাভা সন্থাৰ প্ৰাক্তন সম্পাদক গুনিত ৰাভাই উপস্থিত থাকে ।মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিহু সুৰক্ষা ধেমাজি জিলা সমিতিৰ সভাপতি পবিত্ৰ সন্দিকৈ, শিল্পী প্ৰিয় দত্ত আদিয়ে ।সন্ধিয়া পুৰস্কাৰ বিতৰণি সভা অনুষ্ঠিত হয়।

## পানেৰী লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ২০ জুন ঃ** ওদালগুৰি জিলাৰ পানেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত অসম লেখিকা সমাৰোহ সমিতিৰ পানেৰী শাখা সমিতিৰ সৌজন্যত সোমবাৰে ৰাভা দিৱস উদযাপন কৰা হয় । অনুষ্ঠানটোৰ আৰম্ভণিতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰ লগতে পুষ্পাঞ্জলি অৰ্পন কৰা হয়। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ৰাভা সংগীত, নৃত্য, চিত্ৰাংকনৰ লগতে বিভিন্ন খেল-ধেমালিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আনহাতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বিভিন্ন সৃষ্টি তথা কৰ্মৰাজিৰ বিষয়ে বক্তৃতা প্ৰদান কৰে পানেৰী লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা চালেহা বেগমে। তদুপৰি ৰাভাদেৱৰ দ্বাৰা ৰচিত কবিতা-গীত-মাত আদিবোৰ নৱপ্ৰজন্মই কেনেদৰে প্ৰচাৰ-প্ৰসাৰ কৰিব লাগে তাৰ ওপৰত বিস্তৃতৰূপত মন্তব্য দাঙি ধৰে পানেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নৱ শৰ্মাই। গীতিকা শইকীয়াই আঁতধৰা অনুষ্ঠানটোত পানেৰী লেখিকা সমিতিৰ সদস্যসকলেও কলাগুৰু দেৱৰ কালজয়ী গীত সমূহ পৰিৱেশন কৰাৰ লগতে নৃত্য প্ৰদৰ্শন কৰে। উক্ত অনুষ্ঠানখনত উপস্থিত থাকে ক্ৰমে সদৌ অসম লেখিকা সমাৰোহ সমিতি পানেৰী শাখাৰ সম্পাদিকা চালেহা বেগম লগতে সমিতিটোৰ বিষয়ববীয়া সকলৰ ওপৰিও পানেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নীলধৰ ডেকা, ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতা, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তাৰানাথ কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল মজিদ, পানেৰী মেৰিলেণ্ড একাডেমীৰ প্ৰধান শিক্ষয়িত্ৰী গুৰিয়া সিং আৰু বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকল।

### কংগ্ৰেছ নেতাৰ মন্তব্যক লৈ খলকনি, কাৰণ দৰ্শোৱাৰ জাননী

# হিটলাৰৰ দৰে নিঃসংগে মৃত্যু হ'ব মোদীৰ

**নতুন দিল্লী, ২০ জুন ঃ** কংগ্ৰেছ নেতা সুবোধকান্ত সাহাইৰ এক মন্তব্যক লৈ দেশজুৰি খলকনি উঠিছে। ইতিমধ্যে দলৰ পৰা তেওঁলৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হৈছে। তথাপি নিজৰ স্থিতিত অটল হৈ আছে জ্যেষ্ঠ নেতাজন। সুবোধ কান্তে উশ্মাৰে প্ৰকাশ কৰে যে দেশত এতিয়া প্ৰধানমন্ত্ৰী মোদীয়ে হিটলাৰতকৈ অধিক কঠোৰতাৰে আৰু হিংসাৰে শাসন চলাইছে। হিটলাৰৰ কেনেদৰে মৃত্যু হৈছিল সেয়া সকলোৰে জানে। প্ৰধানমন্ত্ৰী মোদীৰো একেই মৃত্যু হ'ব। সেই সময়ত তেওঁৰ কাষত এজনো নেথাকিব সহায়ৰ বাবে। এনেকৈয়ে দেশৰ প্ৰধানমন্ত্ৰীৰ মৃত্যুৰ ভৱিষ্যৎ বাণী কৰা সুবোধ কান্তে জাৰ্মানীৰ অত্যাচাৰী শাসক হিটলাৰৰ সৈতে তুলনা প্ৰতিস্থানসমূহক বিৰোধী দলৰ নেতা-কৰ্মীক নিৰস্ত্ৰ কৰিবলৈ ব্যৱহাৰ কৰা, এনফোৰ্চমেণ্টৰ দ্বাৰা ৰাহুল গান্ধীক অনাহকত জেৰা কৰা আদি বিষয়বোৰ উত্থাপন কৰা হৈছিল। এনেবোৰ বিষয় উত্থাপন কৰি উত্তেজিত হৈ পৰা কংগ্ৰেছ নেতাজনে হিটলাৰৰ স্বেচ্ছাচাৰী শাসনে যেনেকৈ জাৰ্মান দেশৰ পতন ঘটাইছিল আৰু মৃত্যুৰ সময়ত অতি কৰুণভাৱে হিটলাৰে সময় কটাবলগা হৈছিল, ঠিক তেনেদৰে নৰেন্দ্ৰ মোদীয়েও একে ধৰণৰ সময় কটাব লাগিব বুলি সকিয়াই দিছে। অৱশ্যে কংগ্ৰেছে সুবোধ কান্তৰ মন্তব্যৰ প্ৰসংগত কাৰণ দৰ্শোৱাৰ জাননী কৰিছে। ইফালে নিজৰ উত্তৰত তেওঁ প্ৰধানমন্ত্ৰী মোদীক হিটলাৰৰ সৈতে তুলনা কৰা কাৰ্য যথোচিত বুলি পুনৰবাৰ অভিহিত কৰে। কিয়নো মোদীয়ে নিজেই হিটলাৰৰ পথ অনুসৰণ কৰিছে আৰু সেয়েহে তেওঁৰ মৃত্যু হিটলাৰৰ দৰেই হ'ব বুলি ধাৰণা কৰাত আপত্তি থাকিব নোৱাৰে। গতিকে মোদীয়ে শাসনৰ গাদীত বহি কি পথ গ্ৰহণ কৰিছে সেয়া প্ৰশ্ন কৰাৰ অধিকাৰ দেশৰ জনতাৰ আছে বুলিও কংগ্ৰেছ নেতাজনে নিজৰ বক্তব্যত উল্লেখ কৰিছে। প্ৰণিধানযোগ্য এয়ে যে বিগত তিনিদিনত কমেও ৩০ ঘণ্টা সময় জেৰা কৰিছিল ৰাহুল গান্ধীক। তথাপি এনফোৰ্চমেণ্ট বিভাগে নিজে উত্থাপন কৰা অভিযোগৰ প্ৰমাণ



কৰিছে। উল্লেখ্য যে নতুন দিল্লীত কংগ্ৰেছ নেতাজনে সত্যাগ্ৰহ কাৰ্যসূচীৰ সম্বোধন কৰিছিল। এই অনুষ্ঠানত অগ্নিপথ আঁচনিৰ জৰিয়তে দেশৰ নতুন প্ৰজন্মক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দিয়া, চৰকাৰৰ কৰিব পৰা নাই। গতিকে কংগ্ৰেছৰ এটা সজাতি দলে অচিৰেই দেশৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিব আৰু চৰকাৰে গ্ৰহণ কৰা প্ৰতিশোধমূলক আচৰণৰ পৰা পৰিত্ৰাণ বিচাৰি নিজৰ বক্তব্য দাঙি ধৰিব বুলি উল্লেখ কৰা হৈছে।

### ৰাষ্ট্ৰপতি হ'বলৈ বিৰোধীৰ হাতত নাই গ্ৰহণযোগ্য প্ৰাৰ্থী

## শাৰদ পাৱাৰ, ফাৰুক আব্দুল্লাৰ পিছত

# গোপালকৃষ্ণ গান্ধীয়ে প্ৰত্যাখ্যান কৰিলে প্ৰাৰ্থিত্বৰ প্ৰস্তাৱ

**নতুন দিল্লী, ২০ জুন ঃ** জাতিৰ পিতা মহাত্মা গান্ধীৰ পৰিণাতি গোপাল কৃষ্ণ গান্ধী নহয় দেশৰ ৰাষ্ট্ৰপতি। কিয়নো বিৰোধী শিবিৰে তেওঁক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'বলৈ জনোৱা অনুৰোধ প্ৰত্যাখ্যান কৰিছে। অহা ১৮ নেচনেল কনফাৰেন্স দলৰ মুৰব্বী ফাৰুক আব্দুল্লাই বিৰোধীৰ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ তৎপৰতাত দিল্লীত ১৮টা বিৰোধী ৰাজনৈতিক দলে একত্ৰিত হৈছে।



জুলাই তাৰিখে ভোটগ্ৰহণ হ'ব লগা ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল অন্তিম দিন অহা ২৯ জুন। গতিকে মাজত মাত্ৰ আঠটা দিন থকা অৱস্থাত বিৰোধীয়ে মনোমত প্ৰাৰ্থী ঠিৰাং কৰিব নোৱৰা কাৰ্যই বিশেষ খোৰাক যোগাইছে শাসকীয় পক্ষক। প্ৰণিধানযোগ্য এয়ে যে এন চি পি দলৰ মুৰব্বী শাৰদ পাৱাৰ আৰু তেওঁলোকে উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বাবে সহমতত উপনীত হৈছে। তিনিজন ব্যক্তিক প্ৰাৰ্থিত্ব ঠিৰাং কৰিবলৈ দায়িত্ব দিছিল। কিন্তু বৰ্তমানলৈকে ইজনৰ পিছত সিজন প্ৰস্তাৱিত ব্যক্তিয়ে প্ৰাৰ্থিত্ব ল'বলৈ অস্বীকাৰ কৰি আছে। যাৰ বাবে বিৰোধীয়ে এজন গ্ৰহণযোগ্য প্ৰাৰ্থী বিচাৰি উলিয়াবলৈ সক্ষম হ'ব নে নাই তাক লৈ এতিয়া বিৰাজ কৰিছে চৰম অনিশ্চয়তাই। ইয়াৰ বিপৰীতে শাসকীয় পক্ষই ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰচাৰ চলাবলৈ ১৪ জনীয়া মন্ত্ৰী আৰু নেতাৰ এখন সমিতি গঠন কৰি দিছে। এই সমিতিয়ে বিভিন্ন ৰাজ্যৰ বিধানসভাৰ সদস্য আৰু সাংসদসকলৰ সৈতে যোগাযোগ আৰম্ভ কৰি দিছে। শাসকীয় বিজেপি আৰু এন ডি এ মৰ্চাৰ উপৰিও বিৰোধী পক্ষৰ পৰাও ভোট বিচাৰিবলৈ শাসকীয় পক্ষই সিদ্ধান্ত লৈছে। যাৰ বাবে শাসকীয় পক্ষৰ এই সিদ্ধান্ত এতিয়া আতংক সদৃশ হৈ পৰিছে বিৰোধী পক্ষৰ বাবে।

### কলকাতাত হাজিৰ নহ'ল নূপুৰ শৰ্মা

# চাৰি সপ্তাহৰ অতিৰিক্ত সময় বিচাৰিলে আৰক্ষীৰ পৰা

**নতুন দিল্লী, ২০ জুন ঃ** আজি অৰ্থাৎ সোমবাৰে কলকাতা আৰক্ষীয়ে নূপুৰ শৰ্মাক নাৰাকোণ্ডা আৰক্ষী থানাত সো-শৰীৰে হাজিৰ হোৱাৰ নিৰ্দেশ জাৰি কৰিছে। ইতিমধ্যে ভাৰতীয় দণ্ডবিধি আইনৰ ৪১(ক) ধাৰা অনুসৰি নূপুৰ শৰ্মালৈ তলবী নিৰ্দেশনা প্ৰেৰণ কৰা হৈছিল। বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ নূপুৰ শৰ্মাক বিচাৰি কলকাতা আৰক্ষীয়ে তেওঁৰ ঘৰ চলাথ কৰিছিল যদিও বিচাৰি উলিয়াবলৈ সক্ষম নহ'ল। সেয়েহে ২০ জুনত থানাত হাজিৰ হোৱাৰ নিৰ্দেশ জাৰি কৰিছিল। অৱশ্যে আৰক্ষীৰ এই নিৰ্দেশ পালন নকৰিলে বিজেপিৰ



নিলম্বিত মুখপাত্ৰগৰাকীয়ে। ইয়াৰ বিপৰীতে তেওঁ ব্যক্ত কৰে যে তেওঁৰ জীৱনৰ প্ৰতি অবিৰত ভাবুকি আহি আছে। অতি বিপজ্জনকভাৱে তেওঁ জীৱন নিৰ্বাহ কৰি থাকিব লগা হৈছে। গতিকে কিছু সময়ৰ আৱশ্যক হ'ব থানাত হাজিৰ হ'বৰ বাবে। নূপুৰ শৰ্মাই তেওঁলৈ প্ৰেৰণ কৰা তলবী নিৰ্দেশনাৰ উত্তৰ ই-মেইলৰ জৰিয়তে পশ্চিমবংগৰ আৰক্ষীলৈ প্ৰেৰণ কৰিছে। চাৰি সপ্তাহৰ পিছত পৰিস্থিতি সুস্থিৰ হ'লে তেওঁ নাৰাকোণ্ডা আৰক্ষী থানাত হাজিৰ হ'ব পাৰিব বুলি ব্যক্ত কৰিছে। অৱশ্যে আৰক্ষীয়ে বৰ্তমানলৈকে নতুনকৈ দিন নিৰ্ধাৰণ কৰি কোনো ধৰণৰ জাননী প্ৰেৰণ কৰা পৰিলক্ষিত হোৱা নাই। দেশৰ বিভিন্ন স্থানৰ লগতে পশ্চিমবংগতো নূপুৰ শৰ্মাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। নাৰাকোণ্ডা আৰক্ষী থানাৰ উপৰিও পূব মেডিনীপুৰ আৰক্ষী থানাতো একেধৰণৰ গোচৰ ৰুজু হৈ আছে। ইছলাম প্ৰফেটৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ এনেদৰে গোচৰ ৰুজু কৰিছে একাংশই।

# ভাৰত বন্ধ নহ'ল ঃ বিহাৰত ইণ্টাৰনেট কৰ্তন

**নতুন দিল্লী, ২০ জুন ঃ** অগ্নিপথ আঁচনিৰ বিৰোধিতা কৰি সোমবাৰে ভাৰত বন্ধৰ আহবান জনাইছিল একাংশই। কিন্তু এই আহবান দেশৰ অধিকাংশ ৰাজ্যত ব্যৰ্থ হ'ল। কেবল বিহাৰ আৰু উত্তৰ প্ৰদেশত সামান্য প্ৰভাৱ পৰা বুলি প্ৰকাশ পাইছে। হিংসাজৰ্জৰ বিহাৰৰ বিছখন জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰা হৈছে। দেশৰ ১১ ৰাজ্যত অগ্নিপথ আঁচনিৰ বিৰোধিতাৰে প্ৰতিবাদ কৰা দেখা গৈছে। চমু কাৰ্যকালৰ বাবে সেনা বাহিনীত নিযুক্ত কৰিব খোজা আঁচনি বাতিলৰ বাবেও দাবী কৰা হৈছে। কিন্তু এই আঁচনি বাতিল নহয় বুলি কেন্দ্ৰীয় চৰকাৰে দৃঢ়তাৰে ঘোষণা কৰিছে।



*থাইলেণ্ডৰ মেগন মিলন নামৰ এগৰাকী মহিলাক এটা শিশু হাতীয়ে আক্ৰমণ কৰিবলৈ উদ্যত হোৱা দৃশ্য ভাইৰেল হৈ পৰিছে। অৱশ্যে অন্য এটা শিশু হাতীয়ে মহিলাগৰাকীক উদ্ধাৰ কৰা পৰিলক্ষিত হৈছে*

# মহাৰাষ্ট্ৰত একেটা পৰিয়ালৰ ৯ সদস্যৰ মৃতদেহ উদ্ধাৰ, আত্মহত্যাৰ সন্দেহ

**মুম্বাই, ২০ জুন ঃ** মহাৰাষ্ট্ৰৰ ছাংলি জিলাত সোমবাৰে এটা পৰিয়ালৰ ৯জন সদস্যৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই ঘটনাটো প্ৰকৃততে হত্যা নে আত্মহত্যা সেয়া ঠিৰাং কৰিব পৰা হোৱা নাই। অৱশ্যে আৰক্ষীয়ে আত্মহত্যাৰ ঘটনা বুলি সন্দেহ প্ৰকাশ কৰিছে। প্ৰাপ্ত তথ্য মতে মুম্বাইৰ পৰা ৩৫০ কিলোমিটাৰ দূৰত্বত অৱস্থিত মাহাইছাল নামৰ গাঁওখনত এই ঘটনা পোহৰলৈ আহিছে। এটা বাসগৃহৰ ভিতৰত ৯টাকৈ মৃতদেহ উদ্ধাৰ হৈছে। ঘৰটোৰ এটা স্থানত তিনিটা আৰু অন্য এটা স্থানত ছটা মৃতদেহ উদ্ধাৰ হৈছে। ছাংলি জিলা আৰক্ষী অধীক্ষক দিক্ষিত গেদামে এই কথা প্ৰকাশ কৰিছে। ইতিমধ্যে চিনাক্ত হৈছে মৃতদেহসমূহ। তদন্ত চলাই থকা হৈছে আৰু মৃতদেহেকেইটা মৰণোত্তৰ পৰীক্ষা বাবে প্ৰেৰণ কৰা হৈছে।

# অৱসৰী অগ্নিবীৰক নিযুক্তি দিবলৈ আগবাঢ়ি আহিছে বহুজাতিক প্ৰতিষ্ঠান

### আনন্দ মহিন্দ্ৰাৰ পিছত গোৱেংকা গোটৰ প্ৰতিশ্ৰুতি, সশস্ত্ৰ অৰ্ধ সামৰিক বাহিনীত দহ শতাংশ আসন সংৰক্ষিত থাকিব অগ্নিবীৰৰ বাবে, অসমত পোনে পোনে আৰক্ষীত পাব নিযুক্তি

**নতুন দিল্লী, ২০ জুন ঃ** দেশৰ তিনিওটা সেনা বাহিনীত হ্ৰস্বকালীন নিযুক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা অগ্নিপথ আঁচনিৰ বিষয়ত দেশজুৰি প্ৰতিবাদ আৰু বিতৰ্ক হোৱাৰ সময়তে এই আঁচনিৰ জৰিয়তে নিযুক্তিপ্ৰাপ্তসকলক পুনৰ মকৰলৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰম্ভ কৰি ৰাজ্যিক চৰকাৰ আৰু বহুজাতিক প্ৰতিষ্ঠানসমূহে নিতৌ নতুন প্ৰতিশ্ৰুতি প্ৰদান কৰা পৰিলক্ষিত হৈছে। যাৰ বাবে অগ্নিবীৰসকলে সেনা বাহিনীৰ চাকৰিকাল সমাপ্ত হোৱাৰ পিছত অন্যান্য সংস্থাপনৰ সুযোগ লাভ কৰাটো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে। দেশৰ ভিতৰতে সৰ্বপ্ৰথমে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল যে অগ্নিবীৰসকলে অসমত পোনে পোনে আৰক্ষী বিভাগত নিযুক্তি লাভ কৰিব। তেওঁলোকে ৬০ বছৰ বয়সলৈকে অন্যান্য চাকৰিয়ালৰ দৰে কাৰ্যনিৰ্বাহ কৰিব পাৰিব। অৱশ্যে অসমৰ পৰা যিসকলে অগ্নিপথ আঁচনিত যোগদান কৰি অগ্নিবীৰ হিচাপে স্বীকৃত হয় তেওঁলোকৰ বাবেহে অসম চৰকাৰে এই আঁচনি ৰূপায়ণ কৰিব। ইফালে কেন্দ্ৰীয় প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে ঘোষণা কৰা অনুসৰি দেশৰ সকলোবোৰ অৰ্ধসামৰিক বাহিনীত অগ্নিবীৰৰ কাৰণে দহ



শতাংশ আসন সংৰক্ষিত থাকিব। গতিকে এনে বাহিনীসমূহতো নিযুক্তিৰ পৰা বঞ্চিত নহ'ব অগ্নিবীৰসকল। ইফালে আৰ পি জি গ্ৰুপৰ অধ্যক্ষ হৰ্ষ গোৱেংকাই সোমবাৰে ঘোষণা কৰে যে তেওঁৰ কোম্পানীয়ে অগ্নিবীৰসকলক আৱশ্যক অনুযায়ী নিযুক্তি দিবলৈ সাজু আছে। যিহেতু সেনা বাহিনীত চাৰি বছৰ কাৰ্যনিৰ্বাহ কৰাৰ পিছত অগ্নিবীৰসকল সাহসী, কৰ্তব্যপৰায়ণ, দায়বদ্ধ, শৃংখলিত আৰু দক্ষ হৈ উঠিব, সেয়েহে বহুজাতিক প্ৰতিষ্ঠানে এইসকল লোকক নিযুক্তি দিবলৈ নিশ্চয় আগবাঢ়ি আহিব। গোৱেংকা প্ৰতিষ্ঠানৰ লগতে অন্যান্য বহুজাতিক প্ৰতিষ্ঠানেও এনে পদক্ষেপ ল'ব বুলি হৰ্ষ গোৱেংকাই আশা প্ৰকাশ কৰিছে। একেদৰে সোমবাৰৰ দিনটোতে মহিন্দ্ৰা গোটৰ অধ্যক্ষ আনন্দ মহিন্দ্ৰাই অগ্নিবীৰসকলক তেওঁৰ প্ৰতিষ্ঠানত নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। দেশত অগ্নিপথ আঁচনিৰ বিৰুদ্ধে চলি থকা হিংসাত্মক প্ৰতিবাদ প্ৰত্যাহাৰ কৰি নিজকে সংস্থাপিত কৰাৰ ক্ষেত্ৰত নতুন প্ৰজন্মই গুৰুত্ব দিয়া উচিত বুলি মহিন্দ্ৰা গ্ৰুপৰ অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰিছে। যোৱা কেবাদিনো ধৰি বিহাৰ, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, হাৰিয়ানা, পশ্চিমবংগ, তেলেংগানা আদিত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ নামত ৰে'ল বিভাগ আৰু অন্যান্য চৰকাৰী বিভাগৰ ব্যাপক ক্ষতিসাধন কৰা দৃষ্টিগোচৰ হৈছে। পাঁচ শতাধিক ৰে'লৰ যাত্ৰা বাতিল কৰা হৈছে সোমবাৰৰ দিনটোত। অগ্নিপথ আঁচনিৰ জৰিয়তে চলিত বৰ্ষত ৪৬ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ব। প্ৰতি বছৰে আৱশ্যক অনুযায়ী নিযুক্তি প্ৰক্ৰিয়া অব্যাহত থাকিব। প্ৰথম ছমাহ প্ৰশিক্ষণ তথা অনুশীলনৰ পিছত তেওঁলোকক কৰ্তব্য স্থানলৈ প্ৰেৰণ কৰা হ'ব। এক কোটি টকালৈকে বীমা আঁচনিও লাভ কৰিব দুৰ্ঘটনাজনিত সমস্যাৰ কাৰণে। আনহাতে চাৰি বছৰ পিছত এক চতুৰ্থাংশই স্থায়ী পদত নিযুক্তি লাভ কৰিব। অন্যান্য তিনি চতুৰ্থাংশই বিভিন্ন বিভাগত নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ লাভ কৰিব। তেনেস্থলত অগ্নিপথৰ জৰিয়তে মকৰলৰ সুযোগ গ্ৰহণ কৰিবলৈ প্ৰতিবাদীসকলক আহ্বান জনোৱা দেখা গৈছে।

### দেওঘৰ দুৰ্ঘটনাৰ পুনৰাবৃত্তি

# হিমাচৰ প্ৰদেশত আকাশ মাৰ্গত ওলমি ৰ'ল কেবল কাৰ, আবদ্ধ ১১ পৰ্যটক

**নতুন দিল্লী, ২০ জুন ঃ** হিমাচল প্ৰদেশৰ পাৰোৱানো নামৰ স্থানত আকাশমাৰ্গত গতি স্তব্ধ হ'ল ৰ'পৱেত ব্যৱহৃত কেবল কাৰ এখনৰ। যাৰ বাবে কমেও ১১ জন যাত্ৰী দীৰ্ঘ সময়লৈ ওলমি ৰ'ব লগা হ'ল। একেধৰণৰ দুৰ্ঘটনা কিছুদিনৰ পূৰ্বে সংঘটিত হৈছিল উত্তৰাখণ্ডত। ৰ'পৱেৰ একেটা পথতে দুখন কেবল কাৰৰ মুখামুখি সংঘৰ্ষ হৈছিল আৰু ইয়াৰ ফলত এগৰাকী মহিলাৰ কৰুণ মৃত্যু ঘটিছিল। অন্যান্য বহুকেইজন গুৰুতৰভাৱে আহত হৈছিল। হিমাচল প্ৰদেশতো দুজন জ্যেষ্ঠ নাগৰিক আৰু চাৰিগৰাকী মহিলাসহ মুঠ ১১ জন পৰ্যটক আকাশমাৰ্গতে আবদ্ধ হৈ থকা বুলি প্ৰকাশ পাইছে। কেবল কাৰৰ যান্ত্ৰিক বিজুতিৰ বাবেই এনেদৰে গতি স্তব্ধ হৈ পৰিছিল। দুঘণ্টাতকৈ অধিক সময় আকাশ মাৰ্গত ওলমি থকাৰ পিছত দুৰ্গোগ ব্যৱস্থাপনা বিভাগে উদ্ধাৰ অভিযান চলাইছে। সোমবাৰে দিনৰ ভাগত সংঘটিত এই ঘটনাটোৱে পুনৰবাৰ পৰ্যটক তথা ভ্ৰমণকাৰীসকলক আতংকিত কৰি তুলিছে হিমাচলৰ পাৰোৱানো জিলাৰ ছুলানভেলীত এই দুৰ্ঘটনা সোমবাৰে



সংঘটিত হৈছিল। অৱশ্যে বাতৰি লিখা পৰলৈকে তিনিগৰাকী মহিলা আৰু দুজন জ্যেষ্ঠ নাগৰিকক সুকলমে উদ্ধাৰ কৰা হৈছে। অন্যান্যসকলকো পৰ্যায়ক্ৰমে উদ্ধাৰৰ পদক্ষেপ লোৱা হৈছে। ইফালে ৰ'পৱে ব্যৱস্থাপনা কৰ্তৃপক্ষৰ হাতত কোনো বিকল্প সুবিধা আৰু উদ্ধাৰ অভিযানৰ বাবে আৱশ্যক হোৱা সা-সঁজুলিৰ অভাৱ বুলি পৰ্যটকসকলে অভিযোগ কৰিছে। উদ্ধাৰৰ সময়ত তেওঁলোকক কেবল একোডালকৈ ৰচী দিয়া হৈছে আৰু এই ৰচীৰে ওপৰৰ পৰা তললৈ চুচৰি নামি আহিব লাগিব বুলি কৰ্তৃপক্ষই অৱগত কৰিছে। যাৰ বাবে এনেদৰে আহিবলৈ অস্বীকাৰ কৰিছে আবদ্ধ যাত্ৰীসকলে। পিছত অৱশ্যে অন্য এখন কেবল কাৰৰ জৰিয়তে আবদ্ধ যাত্ৰীসকলক উদ্ধাৰ চলাই থকা বুলি প্ৰকাশ পাইছে।

### অগ্নিপথ আঁচনিৰ অধীনত নিযুক্তি প্ৰক্ৰিয়া ঘোষণা

# ভাৰতীয় স্থলসেনাই প্ৰকাশ কৰিলে নিযুক্তি সমাৱেশৰ জাননী




**নতুন দিল্লী, ২০ জুন ঃ** ভাৰতীয় স্থলসেনাত অগ্নিপথ আঁচনিৰ অধীনত অচিৰেই নিযুক্তি মেলা অনুষ্ঠিত হ'ব। আজি অৰ্থাৎ সোমবাৰে সেনা কৰ্তৃপক্ষই প্ৰকাশ কৰিছে এই বিষয়ৰ বিভাগীয় জাননী। আগন্তুক জুলাই মাহৰ পৰা পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব। ইয়াৰ পিছতে বিভিন্ন স্থানত নিযুক্তিৰ প্ৰাথমিক বাছনি শিবিৰ অনুষ্ঠিত কৰিব। সেনাবাহিনীয়ে জাননীৰ জৰিয়তে প্ৰকাশ কৰা অনুসৰি অগ্নিপথ আঁচনিয়ে ভাৰতীয় সেনাত এক বিশেষ সংযোজন ঘটাব। দেশৰ সেৱাৰ বাবে প্ৰায় সকলো লোকে এটা সময়ত চমু কাৰ্যকালৰ কাৰণে হ'লেও নিজকে জড়িত কৰাৰ সুযোগ লাভ কৰিব। বিভিন্ন দেশত যুৱক-যুৱতীয়ে সেনাবাহিনীত কিছুদিনৰ বাবে সেৱা কৰাটো বাধ্যতামূলক হিচাপে গণ্য কৰা হয়। ভাৰততো বাধ্যতামূলক নহ'লেও সুযোগ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছে অগ্নিপথ আঁচনিৰ জৰিয়তে। উল্লেখ্য যে সেনাবাহিনীৰ আইন-১৯৫০ অনুসৰি স্থল, নৌ আৰু বায়ু বিভাগত নিযুক্তি প্ৰদান কৰা হয়। অগ্নিপথ আঁচনিৰ জৰিয়তে এই তিনিওটা শাখাত অগ্নিবীৰ বাচনি কৰা হ'ব। প্ৰতি নব্বৈ দিন সক্ৰিয়ভাৱে কৰ্মত নিয়োজিত হোৱাসকলে ৩০ দিন ছুটী উপভোগ কৰিব পাৰিব। অৱশ্যে সেনাবাহিনীৰ নিয়ম অনুসৰি নিজৰ দৰমহাৰ ৩০ শতাংশ সেনাৰ ক'ৰ্পাছ ফাণ্ডত জমা ৰখা হয়। অৱসৰৰ সময়ত এই ফাণ্ডত জমা থকা ধনৰ দুগুণতকৈ অধিক পৰিমাণে আদায় দিয়া হয়। এনেকৈয়ে চাৰি বছৰ জমা ৰখা ধনৰ পৰা অগ্নিবীৰসকলে কমেও ২০লাখ টকা আয়কৰ নিদিয়াকৈ লাভ কৰিব। গতিকে স্থলসেনাত নিযুক্তিৰ জাননী প্ৰকাশৰ লগে লগে প্ৰতিবাদী কাৰ্যসূচী কিছু স্তিমিত হৈ পৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

# ৰাহুল গান্ধী যুৱৰাজ নহয় আৰু ছোনিয়া নহয় ৰাণী ভিক্টোৰিয়া

### এনফোৰ্চমেণ্টৰ দ্বাৰা জেৰা আৰু তলবৰ বিষয়ত বিজেপিৰ প্ৰতিক্ৰিয়া

**নতুন দিল্লী, ২০ জুন ঃ** বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ সম্বিত পাত্ৰই সোমবাৰে কয় যে আইন অমান্য কৰা, দেশৰ সম্পদ লুণ্ঠন কৰাসকলক প্ৰয়োজন অনুসৰি কাৰ্যব্যৱস্থা গ্ৰহণত আপত্তি থাকিব নালাগে। ৰাষ্ট্ৰীয় সম্পদ ভুৱা তথ্যৰে লুণ্ঠন আৰু ব্যক্তিগতকৰণ কৰা অভিযোগৰ তদন্ত কৰি আছে এনফোৰ্চমেণ্ট বিভাগে। দেশৰ সম্পদ অপব্যৱহাৰ কৰা হৈছে নেচনেল হেৰাল্ডৰ জৰিয়তে। সেয়েহে আইন অনুসৰি সম্পদ লুণ্ঠনকাৰীৰ বিৰুদ্ধে পদক্ষেপ ল'ব বিচৰা কাৰ্য সকলোৰে আদৰণি জনাব লাগে। কিয়নো ৰাহুল গান্ধী কোনো যুৱৰাজ নহয় যে দেশৰ আইন তথা ন্যায় ব্যৱস্থাই তেওঁক স্পৰ্শ কৰিব নোৱাৰিব। ভাৰতীয় সংবিধানত তেনে কোনো ব্যক্তি বা পৰিয়ালক আইনৰ উৰ্ধত ৰখা নাই। একেদৰে ইংলেণ্ডৰ দৰে ৰাণী ভিক্টোৰিয়া নহয় ছোনিয়া গান্ধী। সংবিধান অনুসৰি ইংলেণ্ডত ৰাণী আৰু যুৱৰাজক আইনৰ আওতালৈ অনা নহয়। কিন্তু ভাৰতত গণতান্ত্ৰিক শাসন চলিছে আৰু এই শাসন সংবিধানৰ দ্বাৰা পৰিচালিত হয়। সেয়েহে একাংশই ৰাহুল গান্ধীক এনফোৰ্চমেণ্টৰ দ্বাৰা জেৰা কৰা কাৰ্যৰ বিৰোধিতা কৰাটো নিন্দনীয় বুলি বিজেপিৰ মুখপাত্ৰগৰাকীয়ে অভিহিত কৰিছে। প্ৰণিধানযোগ্য যে ৰাহুল গান্ধীক একেৰাহে তিনিদিন ধৰি জেৰা কৰিছিল প্ৰায় ৩০ ঘণ্টাতকৈ অধিক। তেওঁক চতুৰ্থবাৰৰ বাবে তলব কৰা হৈছে। ইয়াৰ পূৰ্বে কংগ্ৰেছ দলে দেশজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। কংগ্ৰেছৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি তথা কেৰালাৰ ৱায়ানা সমষ্টিৰ সাংসদ ৰাহুল গান্ধীক ৰক্ষা কৰিবলৈ সোমবাৰে সত্যাগ্ৰহ কাৰ্যসূচী পালন কৰা হৈছে। দিল্লীত কেন্দ্ৰীয় সমিতি আৰু ৰাজ্যসমূহত ৰাজ্যিক সমিতিয়ে এই সত্যাগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰিছে। জিলা আৰু মহকুমা পৰ্যয়তো এই কাৰ্যসূচী পালন কৰা দেখা গৈছে। গতিকে অহা ২৩ জুনত ৰাহুল গান্ধীক পুনৰ এনফোৰ্চমেণ্টৰ কাৰ্যালয়ত জেৰা কৰা হ'ব। ইয়াৰ বাবে সংকিত হৈ পৰা কংগ্ৰেছৰ নেতা আৰু কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। এটা প্ৰতিনিধি দলে ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দক সাক্ষাৎ কৰাৰ কথা। এনফোৰ্চমেণ্টৰ বিষয়টোৰ লগতে অগ্নিপথ আঁচনিৰ জৰিয়তে সেনা বাহিনীত নিযুক্তিৰ বাবে গ্ৰহণ কৰা নতুন পদক্ষেপৰ বিৰোধিতা কৰি ৰাষ্ট্ৰপতিক লিখিতভাৱে অৱগত কৰিবলৈ সাজু হৈছে। কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গে, ছলমান খুৰ্ছিদ, কে সুৰেশ, ভি নাৰায়ণ স্বামী, কে চি বেণুগোপাল, গৌৰৱ গগৈ আদিয়ে যন্তৰ মন্তৰত সত্যাগ্ৰহ কাৰ্যসূচী পালন কৰিছে। ইফালে আৰক্ষীয়ে কংগ্ৰেছৰ নেতা আৰু সাংসদসকলক শাৰীৰিকভাৱে নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। জ্যেষ্ঠ নেতা তথা সাংসদ, কেন্দ্ৰীয় চৰকাৰৰ প্ৰাক্তন গৃহ আৰু বিত্তমন্ত্ৰী পি চিদাম্বৰক আৰক্ষীৰ দ্বাৰা চলোৱা নিৰ্যাতনৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰি থোৱা হৈছে। এই বিষয়টো ৰাষ্ট্ৰপতিক অৱগত কৰা হ'ব বুলিও কংগ্ৰেছ নেতৃত্বই স্পষ্ট কৰি দিছে। ইফালে সংসদৰ আগন্তুক বৰ্ষাকালীন অধিৱেশনত অগ্নিপথ আঁচনিৰ জৰিয়তে দেশৰ নৱপ্ৰজন্মক চৰকাৰী নিযুক্তিৰ নামত এক অনশ্চিত ভৱিষ্যতলৈ ঠেলি দিয়াৰ



অভিযোগেৰে বিষয়টো প্ৰথম দিনাই আলোচনাৰ দাবী উত্থাপন কৰিছে। ৰাহুল গান্ধীৰ দৰে ছোনিয়া গান্ধীকো অহা ২৩ জুনত এনফোৰ্চমেণ্ট সঞ্চালকালয়ে জেৰাৰ বাবে ইতিমধ্যে তলব কৰিছে।

# নীলবাগানৰ মৌলানা মছদ্দৰ আলী বিদ্যাপীঠত কৃতী ছাত্ৰৰ সম্বৰ্ধনা অনুষ্ঠানত ইউএছটিএমৰ আচাৰ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২০ জুন ঃ** হোজাই জিলাৰ নীলবাগানৰ নবোদয় ফাউণ্ডেচনৰ দ্বাৰা পৰিচালিত অসমীয়া মাধ্যমৰ ব্যক্তিগত খণ্ডৰ উন্নত মানদণ্ডৰ শিক্ষানুষ্ঠান মৌলানা মছদ্দৰ আলী বিদ্যাপীঠৰ পৰা সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৮১ গৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ ফুলাম গামোচা, জাপি আৰু বিদ্যালয়ৰ নাম থকা একোটাকৈ স্মাৰকেৰে সম্বৰ্ধনা জনাই উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ অভিভাৱকসকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা আৰু শিক্ষা সজাগতা উপলক্ষে বিদ্যালয়ৰ সমীপৰ এলআৰএমচিৰ চ'ৰাঘৰত বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক তথা মেনেজিং ট্ৰাষ্টি ৰফিক উদ্দিন বৰভূএগ্ৰাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক ফখৰ উদ্দিনে।ট্ৰাষ্টিৰ অন্যতম সদস্য তথা বিজ্ঞান শিক্ষক ছাকিৰ আহমেদ বৰভূএগ্ৰাই আঁতধৰা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মেঘালয়ৰ ইউ এছ টি এমৰ আচাৰ্য মেহবুবুল হক আৰু বিশিষ্ট অতিথি হিচাপে যমুনামুখ সমষ্টিৰ বিধায়কৰ মনোনীত প্ৰতিনিধি তথা সমাজকৰ্মী আনোৱাৰ হুছেইন, মুম্বাইৰ দানিশ্ব ৰিয়াজ, হোজাই কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰশ্বিদ আহমেদ, নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহাম্মদ বৰভূএগ্ৰা, মৌলানা আজাদ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুৰ ৰশ্বিদ চৌধুৰী, হাজী আনফৰ আলী কলেজৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক শ্বিবিৰ উচমানি , নীলবাগান জাতীয় বিদ্যালয়ৰ অধ্যক্ষ আব্দুছ ছালাম তাফাদাৰে শৈক্ষিক দিশৰ উপৰত বক্তব্য প্ৰদান কৰে । সভাত মৌলানা মছদ্দৰ আলী বিদ্যাপীঠৰ শিক্ষাৰ্থীৰ উপৰিও ওচৰৰ নীলবাগান জাতীয় বিদ্যালয় আৰু প্ৰতিভা বিকাশ বিদ্যাপীঠৰ পৰা সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীকো সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাত বিদ্যালয়খনৰ সকলো শিক্ষক শিক্ষয়িত্ৰীক বিদ্যালয় পৰিচালনা কৰা ন্যাসৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে বিশেষকৈ দশম শ্ৰেণীত পাঠদান দিয়া শিক্ষকসকলকো একোখনকৈ চেলেং চাদৰ আৰু জাপিৰে সম্বৰ্ধনা জনোৱা হয় । উল্লেখ্য যে, চলিত বৰ্ষত বিদ্যালয়খনৰ পৰা ৮৩ গৰাকী ছাত্ৰ-ছাত্ৰী মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল । ইয়াৰে ৭ জনে ডিষ্টিংচন, ৮ জনে ষ্টাৰ নম্বৰ সহ প্ৰথম বিভাগত ৩৮ গৰাকী, দ্বিতীয় বিভাগত ৩৪ গৰাকী আৰু তৃতীয় বিভাগত ৯ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈ ৯৮ শতাংশ ফালফলেৰে বিদ্যালয়খনৰ লগতে সমগ্ৰ নীলবাগান অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনে । মুখ্য অতিথিৰ ভাষণত মেঘালয়ৰ ইউ এছ টি এমৰ আচাৰ্য গৰাকীয়ে ভাষণ প্ৰশংগত কয়- শিক্ষা হৈছে সমাজ গঠনৰ মূল চাবি কাঠি, উপযুক্ত শিক্ষা অবিহনে আমি সমাজখন উন্নতিৰ ক্ষেত্ৰত আগবঢ়াই নিব নোৱাৰি, নিজৰ সন্তানত উপযুক্ত শিক্ষাৰে আগবঢ়াই নিবলৈ হ'লে অভিভাৱকসকল সচেতন হ'ব লাগিব আৰু অভিভাৱকৰ ভূমিকা গুৰুত্বপূৰ্ণ বলি মন্তব্য কৰে । হকে শিক্ষা আৰু ছাত্ৰ ছাত্ৰীৰ জীৱন গঠন সম্পৰ্কে আগবঢ়োৱা মন্তব্যই সকলোকে মোহিত কৰি তোলে।



## প্ৰবল বৃষ্টিপাতকো নেওচি কৰাইগাঁৱত এদল যুৱক সহায়ৰ হাত লৈ বানপীড়িতৰ কাষত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলাইগাঁও, ২০ জুন ঃ** ৰাজ্যজুৰি সৃষ্টি হোৱা বিধ্বংসী বান পৰিস্থিতিয়ে সংহাৰী ৰূপ ধাৰণ কৰাৰ ফলত ব্যাহত হৈছে সাধাৰণ জনজীৱন। বহু ঠাইত পথ সমূহ বানপানীয়ে ভাঙি লৈ যোৱাৰ ফলত বহু ঠাইত আন্তঃ জিলা যাতায়তৰ সংযোগ বিচ্ছিন্ন হৈ পৰিছে। ৰাজ্যৰ আন আন প্ৰান্তত লগতে ওদালগুৰি জিলাৰ কলাইগাঁৱতো বানে সংহাৰী ৰূপ ধাৰণ কৰিছে। ইতিমধ্যে কলাইগাঁৱত মুঠ তিনিটা আশ্ৰয় শিবিৰৰ বহুলোকে প্ৰাণৰ তাড়নাত আশ্ৰয় ল'বলগীয়া হৈছে। বহুলোক বানপানীৰ ফলত গৃহবন্দী হ'বলগীয়া হৈছে। বিভিন্ন দল সংগঠন তথা বহুলোক ওলাই আহিছে সহায়ৰ বাবে। তেনে এক পৰিস্থিতিত বানপীড়িতৰ কাষত এইবাৰ থিয় দিলে কলাইগাঁৱৰ এদল সমাজ সচেতন যুৱক। উল্লেখ্য যে গ্ল'বেল এডুকেশ্বন স্পোৰ্টচ এণ্ড কালচাৰেল অৰগেনাইজেশ্যনৰ উদ্যোগত ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বান সাহায্য বিতৰণ কাৰ্যসূচী হাতত লৈছেঞ্জ। ৰবিবাৰে কলাইগাঁৱতো গ'বেল এডুকেশ্বন স্পোৰ্টচ এণ্ড কালচাৰেল অৰগেনাইজেশ্যনৰ তৎপৰতাত প্ৰবল বৃষ্টিপাতকো নেওচি জলমগ্ন অঞ্চলৰ লগতে আশ্ৰয় শিবিৰলৈ গৈ বিতৰণ কৰে খাদ্য আৰু প্ৰয়োজনীয় সামগ্ৰী। দলটোত ক্ৰমে ওদালগুৰি জিলাৰ তত্ত্বাৱধায়ক ৰঞ্জিত নাথ, দীপাঙ্কৰ ওজা, তফিকুৰ ৰহমান, ধৃতিমান ডেকা, ৰাকেশ ডেকা, দিপাংকৰ শৰ্মা, সৌৰভ ডেকা, হিমৰাজ যোগীয়ে সংগ দিয়ে।

## নলবাৰীৰ খাৰবন্ধা হাইস্কুলৰ আশ্ৰয় শিবিৰৰ লগতে আন দুটাকৈ আশ্ৰয় শিবিৰত উপস্থিত চাৰিগৰাকী হৃদয়বান লোক

## ব্যক্তিগত খৰচেৰে তিনিশৰো অধিক বানপীড়িত পৰিয়ালক যোগান ধৰিলে খাদ্য সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২০ জুন ঃ** বিগত কেইটামান দিন ধৰি অব্যাহত থকা মুষলধাৰ বৰষুণৰ ফলত নলবাৰী চহৰৰ লগতে নলবাৰীৰ বিভিন্ন অঞ্চলত বানপানীৰ সমস্যাই দেখা দিছে ।আনহাতে বৰষুণৰ ফলত নলবাৰীৰ পাগলদিয়া নৈৰ বাঢ়নী পানীয়ে দাতিকাষৰীয়া অঞ্চল সমূহ পৱিত কৰা দেখা গৈছে । যাৰ বাবে উক্ত অঞ্চল সমূহৰ বহুতো লোকৰ খেতি-বাতি,পশুধন আদিৰ অনিষ্ট হোৱাৰ লগতে মানুহৰ ঘৰত এক কৰ্কাল পৰ্যন্ত পানী হোৱাত পৰিলক্ষিত হৈছে । যাৰ বাবে নলবাৰী জিলাৰ সন্ধান তথা ওচৰ-পাজৰৰ অঞ্চল সমূহৰ বানপীড়িত ৰাইজে নলবাৰী সন্ধাস্থিত খাৰবন্ধা হাইস্কুলৰ আশ্ৰয় শিবিৰত আশ্ৰয় লৈছে। সেইমৰ্মে আজি এই আশ্ৰয় শিবিৰত উপস্থিত হয় নলবাৰীৰ চাৰি গৰাকী হৃদয়বান ব্যক্তি ।হৃদয়বান ব্যক্তিগৰাকী ক্ৰমে যুৱ ব্যৱসায়ী হিৰণ্য কপিল শৰ্মা,যুৱ সমাজকৰ্মী অভিজিত বৰ্মন,সঞ্জয় বৰা আৰু শিক্ষক তথা সমাজকৰ্মী শিৱ ৰঞ্জন শৰ্মা । এই চাৰিও গৰাকী ব্যক্তি বিগত দুদিন পূৰ্বে উক্ত আশ্ৰয় শিবিৰটো প্ৰত্যক্ষ কৰি পৰিদৰ্শন কৰি আশ্ৰয় শিবিৰটোৰ বানপীড়িত ৰাইজৰ লগত মত-বিনিময় কৰিছিল আৰু সিহঁতৰ অসুবিধাৰ বিষয় সন্দৰ্ভত বুজ লৈছিল । সেইমৰ্মে আজি এই চাৰিও গৰাকীৰ হৃদয়বান ব্যক্তি খাৰবন্ধা হাইস্কুলৰ আশ্ৰয় শিবিৰত উপস্থিত হৈ বানপীড়িত ৰাইজৰ মাজত নিজৰ পকেটৰ ধনেৰে প্ৰায় ডেৰ শ ৰো অধিক বানপীড়িত পৰিয়ালৰ মাজত চাউল,দালি, মিঠাতেল, নিমখ, বিশুদ্ধ খোৱাপানী আদি বিতৰণ কৰে । লগতে অনাগত দিনত ও আশ্ৰয় শিবিৰটোৰ লগত যোগাযোগ অব্যাহত ৰাখিব বুলি চাৰিও গৰাকী হৃদয়বান ব্যক্তিয়ে মন্তব্য প্ৰকাশ কৰে । উল্লেখ্য যে উক্ত আশ্ৰয় শিবিৰত উপস্থিত হোৱাৰ পূৰ্বে নলবাৰী পাইকাৰকুছিৰ আশ্ৰয় শিবিৰ সহ আন এটা জিলাখনৰ আশ্ৰয় শিবিৰত ডেৰ শ ৰো অধিক বানপীড়িত পৰিয়ালক চাৰিও গৰাকী হৃদয়বান ব্যক্তিয়ে খাদ্য সামগ্ৰী প্ৰদান কৰে।

## দেৰগাঁৱৰ গ্ল'ৰেল প্ৰফেচনেল একাডেমীৰ প্ৰমাণ-পত্ৰ প্ৰদান অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২০ জুন ঃ** দেৰগাঁৱৰ গ'ৰেল প্ৰফেচনেল একাডেমীৰ উদ্যোগত ১৮ জুনত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত একাডেমীৰ প্ৰশিক্ষণ প্ৰাপ্ত প্ৰশিক্ষাৰ্থী সকলক প্ৰমাণ পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰা হয়। এই উদ্দেশ্যে বিশিষ্ট কবি, লেখক সুৰেন্দ্ৰ মোহন হাজৰিকাৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয় যুৱ সমাজকৰ্মী পৰাগ বৰা, চন্দ্ৰজ্যোতি ঠাকুৰ, সাংবাদিক কুমুদ বৰা, প্ৰশিক্ষক পুৰবী দত্ত বৰা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাখনিৰ উদ্দেশ্যে ব্যাখ্যা দাঙি ধৰে গ'ৰেল প্ৰফেচনেল একাডেমীৰ স্বত্বাধিকাৰ জয়জিত বৰাই ।একাডেমীৰ প্ৰশিক্ষক কৌশিক নাথে আঁত ধৰা সভাখনিত প্ৰমাণ পত্ৰ প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰশিক্ষাৰ্থী সকলৰ মাজত অনুষ্ঠিত কৰা হয় এখনি ৰূপসজ্জাৰ প্ৰতিযোগিতা। ৰূপসজ্জাৰ বিশেষজ্ঞ দলী বৰা বিচাৰক হিচাপে অংশগ্ৰহণ কৰা প্ৰতিযোগিতা খনি দুটা শাখাত অনুষ্ঠিত হয়।এই অনুষ্ঠানতে প্ৰশিক্ষাৰ্থী সকলৰ লগতে প্ৰতিযোগিতাত স্থান লাভ কৰা দুগৰাকী প্ৰতিযোগীক মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হয়।

## ৰামদিয়াত বৰদৈচিলা ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২০ জুন ঃ** আজি হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সত্ৰনগৰী ৰামদিয়াৰ নামপাৰা চকৰ বজাৰ গৃহত বৰদৈচিলা ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ উদ্যোগত এখনি বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হৈ যায় । জানিব পৰামতে বৃহত্তৰ ৰামদিয়া আৰু দাঁতিকাষৰীয়া অঞ্চলৰ কৃষক ৰাইজৰ সকাহ দিয়াৰ মহান উদ্দেশ্য লৈ আত্মপ্ৰকাশ কৰা হৈছিল বেচৰকাৰী কোম্পানী বৰদৈচিলা ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ । উক্ত কোম্পানীৰ আজি বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হয় । কোম্পানীটোৰ চেয়াৰমেন দীনমণি কলিতাই সভাপতিত্ব কৰা সভাত কোম্পানীটোৰ লক্ষ্য উদ্দেশ্য সম্পৰ্কত পুংখানুপুংখ বহল ব্যাখ্যা আগবঢ়াই বৰদৈচিলাৰ মুখ্য কাৰ্যবাহী বিষয়া অনিৰুদ্ধ ডেকাই। সভাত কৃষকৰ উন্নয়নৰ দিশত সুদৃঢ় কৰাৰ বাবে গঠনমূলক আলোচনা কৰা হ'য় ।সভাত গ্ৰামীন চাহাৰাৰ সমন্বয়ক ডঃ যোগেন কলিতা, কমিউনিটি সংগঠক সত্য দাস ,প্ৰবীন কলিতা, প্ৰহ্লাদ ভৰালী ,ধ্ৰুৱজ্যোতি দাসকে ধৰি কোম্পানীটোৰ শতাধিক অংশীদাৰ শুভাকাংশী,কৃষক ৰাইজ উপস্থিত থাকে ।সভাখনৰ আত ধৰে বৰদৈচিলাৰ মুখ্য কাৰ্যবাহী বিষয়া অনিৰুদ্ধ ডেকাই।



## প্ৰয়াত শিক্ষক কৰুণাকান্ত কলিতাৰ সোঁৱৰণত স্মৃতিগ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২০ জুন ঃ** ৰঙিয়াৰ সমীপৱৰ্তী হেমদোল গাৱঁৰ প্ৰয়াত কৃতীশিক্ষক কৰুণাকান্ত কলিতাৰ সোঁৱৰণত দেওবাৰে "কৰুণাময়" নামৰ স্মৃতিগ্ৰন্থ এখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অৱসৰপ্ৰাপ্ত পৰীক্ষা নিয়ন্ত্ৰক ডঃ প্ৰদীপ কুমাৰ কলিতাই ।উল্লেখ্য যে যোৱা ২০২১ চনৰ ২৮ জুনত আকস্মিকভাৱে ইহলীলা সম্বৰণ কৰা প্ৰয়াত কৰুণাকান্ত কলিতা শিক্ষকতাৰ উপৰিও বৃহত্তৰ ৰঙিয়া অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল ।প্ৰথম বাৰ্ষিক মৃত্যু তিথি উপলক্ষে আয়োজিত অনুষ্ঠানটিত পৰিয়ালবৰ্গৰ হৈ প্ৰয়াত কলিতাৰ জেষ্ঠ পুত্ৰ হেমন্ত কলিতা(হেমেন)ৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত গ্ৰন্থখনত পঞ্চাশৰো অধিক ব্যক্তিৰ স্মৃতিবিজৰিত লেখা প্ৰকাশ কৰা হৈছে। শতাধিক লোকৰ উপস্থিতিত গ্ৰন্থখনিৰ সম্পাদক তথা বৰপুত্ৰ হেমন্ত কলিতাই আঁতধৰা অনুষ্ঠানটিত প্ৰয়াত কৰুণাকান্ত কলিতাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলী অৰ্পণ কৰে প্ৰয়াত কলিতাৰ পত্নী পদুমী কলিতাই,ৰণ্দিয়া (শতদল) সাহিত্য সভাৰ সভাপতি প্ৰতুল ভূএগ্ৰা, পত্ৰিকা সম্পাদক উজ্জ্বল ডেকা, শিক্ষক অতুল কলিতা, কনক কলিতা, ৰমেন মেধী,নাৰায়ণ মেধী,গৌতম মেধী,পিকু মেধী প্ৰমুখ্যে বহুকেইজন অনুৰাগীয়ে। আজিকালি জীৱিত অৱস্থাতে মাক দেউতাকক সন্তানে অৱহেলা কৰা অজস্ৰ উদাহৰণ আছে ।কিন্তু মৃত্যুৰ পিছত পিতৃপুৰুষৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে পৰিয়ালবৰ্গৰ তৰফৰ পৰা এনেধৰণৰ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাটো আদৰ্শনীয় আৰু উৎকৃষ্ট পদক্ষেপ বুলি গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত ডঃ প্ৰদীপ কলিতাই কয় ।শেষত পৰিয়ালবৰ্গৰ হৈ হেমন্ত কলিতাই ৰাইজক প্ৰণিপাত জনাই কৃতজ্ঞতা স্বীকাৰ কৰে আৰু মৃতকৰ আত্মাৰ চিৰশান্তি কামনাৰ্থে প্ৰাৰ্থনা জনাই অনুষ্ঠানটিৰ সামৰণি কৰে।

## বিশ্বনাথৰ উদীয়মান কবি বিশ্বজিৎ সূতলৈ সাহিত্য প্ৰেয়সীৰ শ্ৰেষ্ঠ কবি-সাহিত্যিক বটাঁ ২০২২ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ২০ জুন ঃ** যোৱা শণিবাৰে গুৱাহাটী প্ৰেছ ক্লাৱত অনুষ্ঠিত হোৱা সাহিত্য প্ৰেয়সী অসমৰ বৰ্ষপূৰ্তি আৰু বটাঁ প্ৰদান অনুষ্ঠানত বিশ্বনাথৰ চতিয়াৰ উত্তৰ পাৰৰ বালিজানত জন্মগ্ৰহণ কৰা কবি, লেখক, তথা সমাজসেৱক বিশ্বজিৎ সূতলৈ সাহিত্য প্ৰেয়সী অসমে সাহিত্যৰ পথাৰত খোজ পেলাই কাব্যিক জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে সাহিত্যৰ প্ৰেয়সীৰ শ্ৰেষ্ঠ কবি-সাহিত্যিক বটাঁ ২০২২ প্ৰদান কৰে । তেওঁ শিক্ষক বকুল সূত আৰু প্ৰেমলতা বৰাৰ সুযোগ্য সন্তান । বটাঁত এখনি গামোছা, এখন মানপত্ৰ, এটা ট্ৰফি, এটা মেডেল, এখন কিতাপ আৰু এটা জাপি লাভ কৰে । তেওঁ পেছাত এগৰাকী অপ্ৰাদেশীকৃত হাইস্কুলৰ শিক্ষক । সমাজৰ প্ৰতি আগৰণুৱা লেখা-মেলাৰ প্ৰতি থকা ধাউতিয়ে সাহিত্য জগতত তথা সমাজত আগবাঢ়ি যোৱাত তেওঁক যথেষ্ট সহায় কৰিছিল ।স্কুলীয়া দিনৰে পৰা সাহিত্য চৰ্চা কৰি অহা সূতক সাহিত্যৰ প্ৰতি থকা দুৰ্বলতাৰ বাবেই সাহিত্যৰ প্ৰেয়সী অসমে এই বটাঁ প্ৰদান কৰে । বিশ্বজিৎ সূতে যোৱা বৰ্ষত মুক্ত কবি কন্ঠ, আন্তৰ্জাতিক কবি মঞ্চ অসমৰ পৰা কবি সন্মান বটাঁ ২০২১ আৰু ২০২২ বৰ্ষত সৰস্বতী পূজাত মহাশয় প্ৰকাশন পৰিষদ অসমৰ তৰফৰ পৰা অসমৰত্ন ডঃ মামনি ৰয়ছম গোস্বামীৰ স্মৃতিত সাহিত্য সুৰভি বটাঁ লাভ কৰিবলৈ সক্ষম হৈছিল । সূতৰ কবিতা বহু আলোচনী আৰু চচিয়েল মেডিয়াত প্ৰকাশ পাই পাঠকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে । তেওঁ অভিনয় ক্ষেত্ৰ খনৰ লগতে বিভিন্ন দায়িত্বত বৰ্তমান কাৰ্যনিৰ্বাহ কৰি আহিছে । বিশ্বজিৎ সূতৰ সাফল্যত গাঁও তথা অঞ্চলবাসীয়ে অভিনন্দন জ্ঞাপন কৰে।

## ৰজাঘৰীয়ালৈ বাট নাচাই ৰাইজে মেৰামতি কৰিলে ফেটা গাঁও জেলেহুৱা চাৰিআলি সংযোগী বিধ্বস্ত পথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২০ জুন ঃ** দেৰগাঁও বিধানসভা সমষ্টিৰ দেৰগাঁও পঞ্চায়তৰ অন্তৰ্গত ফেটা গাঁও জেলেহুৱা সংযোগী পথৰ দুৰাৱস্থাই জনসাধাৰণক যমৰ যাতনা ভোগাইছে ।অঞ্চলটোৰ অৰ্ধশতাধিক গাঁৱৰ দেৰগাঁও নগৰ সংযোগী একমাত্ৰ পথটি পকীকৰনৰ বাবে বহুবাৰ বিভাগীয় কৰ্তৃপক্ষৰ লগতে স্থানীয় বিধায়ক গৰাকীক আবেদন নিবেদন কৰাৰ পাছত শেহতীয়াকৈ পথটি পকীকৰনৰ বাবে প্ৰাৰম্ভিক কাম কাজ আৰম্ভ কৰাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰে যদিও পথটোৰ প্ৰায় ডেৰ শ মিটাৰ পথ এই পকীকৰন আচনিৰ পৰা বাদ পৰে। এই পথছোৱা এতিয়া অধিক শোচনীয় হৈ পৰিছে। ধাৰাষাৰ বৰষুণৰ ফলত পথছোৱাত একাঠু বোকা-পানীৰ সৃষ্টি হৈ সাধাৰণ পথচাৰী এজনো পাৰ হব নোৱাৰা পৰিবেশৰ সৃষ্টি হৈছে ।কেইবাগৰাকীও লোক পথছোৱাত দুৰ্ঘটনাগ্ৰস্ত হৈ চিকিৎসাধিন হব লগা পৰিস্থিতিৰ সন্মুখীন হৈছে। এনে পৰিপেক্ষিতত স্থানীয় গাঁৱৰ একাংশ সচেতন লোক, জেলেহুৱা গাঁও অগ্ৰগামী যুৱক সংঘ, গাঁওৰক্ষী বাহিনীৰ আদি সদস্য সকল ওলাই আহি পথ মেৰামতিৰ কামত ব্যস্ত হৈ পৰে ।বিভাগীয় কৰ্তৃপক্ষলৈ বাট নাচাই নিজৰ গাঁঠিৰ ধন ভাঙি গাঁওবাসীয়ে শিল-বালি, ইটা গুৰি ছটিয়াই পথটি যাতায়তৰ বাবে কিছু সুচল কৰি তোলে ।বিভাগীয় কৰ্তৃপক্ষৰ লগতে স্থানীয় বিধায়ক ভবেন্দ্ৰনাথ ভৰালীলৈ ৰাইজৰ আহ্বান এই ডেৰশ মিটাৰ পথ উক্ত পথছোৱাৰ লগতে পকীকৰনৰ ব্যৱস্থা গ্ৰহণ কৰি ৰাইজৰ যাতায়তৰ বাবে পথটি সুচল কৰি দিব । আনহাতে পকীকৰনৰ বাবে প্ৰাৰম্ভিক কাম কাজ আৰম্ভ কৰা পথটি সোনকালে পকীকৰনৰ ব্যৱস্থা কৰিবলৈও আহ্বান জনায়।

## আটাছু শিৱসাগৰ মহকুমা সমিতিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২০ জুন ঃ** তাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ মহকুমা সমিতিৰ কালি প্ৰথমখন কাৰ্যনিৰ্বাহক সভা ডিমৌ বহুমুখী ভৱন প্ৰাঙ্গনত অনুষ্ঠিত হৈ যায় । শিৱসাগৰ মহকুমা সমিতিৰ সভাপতি দেৱজিৎ চেতিয়াই সভাপতিত্ব কৰা আৰু মহকুমা সমিতিৰ সাধাৰণ সম্পাদক সুমিত কুমাৰ সন্দিকৈয়ে উদ্দেশ্য বাখ্যা আৰু আঁত ধৰা সভাখনত সভাত আটাছু শিৱসাগৰ জিলা সমিতিৰ মুখ্য উপদেষ্টা গোবিন গগৈ , সভাপতি জয়ন্ত সন্দিকৈ , কাৰ্যকৰী সভাপতি পাৰ্থ গগৈ , উপ:সভাপতি নিপন বৰুৱা , কাৰ্যনিৰ্বাহক সদস্য মনোৰঞ্জন চেতিয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ।সভাত মহকুমা সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নৱম স্থান লাভ কৰা জ্যোতিৰ্ময় দত্ত , ডিমৌ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উদয় দত্তক বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয় । সভাই আগন্তুক আগষ্ট মাহত জনজাতিকৰণৰ দাবীত থাওৱা,শিৱসাগৰ আৰু আমগুৰি সমষ্টিৰ সদৰত অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে অন্যান্য বহু কেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## দেৰগাঁও নগৰত যান-জঁটৰ সমস্যা সমাধানত নামিল ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল চক্ৰৱৰ্তী

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২০ জুন ঃ** গোলাঘাট জিলাৰ অন্তৰ্গত দেৰগাঁও নগৰত অত্যধিক যান জটৰ সমস্যা দিনক দিনক বৃদ্ধি পাবলৈ ধৰিছে ।এই যান জটৰ সমস্যাক লৈ বিভিন্ন সময়ত স্থানীয় প্ৰশাসন আৰু সচেতন নাগৰিকৰ মাজত কেইবাবাৰো আলোচনা হৈছে যদিও কোনো ধৰণৰ স্থায়ী সমাধান উলিয়াবলৈ সক্ষম নহল ।নগৰ খনৰ চাৰি আলিৰ পৰা বোকাখাত যোৱা পথৰ লগতে দিচৈ চাৰিআলি আৰু গোলাঘাট যোৱা পথচোৱাত প্ৰকাণ্ড পুখুৰী সদৃশ গাত থকাৰ বাবে গাড়ী সমূহ অহা যোৱা কৰাত সাংঘাতিক সমস্যাৰ সৃষ্টি হয় ।যাৰফলত যান- জটৰ সমস্যা অধিক বৃদ্ধি পাবলৈ ধৰে ।অন্যহাতে নগৰ খনত নিতৌ বৃদ্ধি পাবলৈ ধৰিছে ই ৰিস্কাৰ সংখ্যা ।নিয়ম নীতি অবিহনে আৰু ট্ৰেফিক আইন উলংঘা কৰি একাংশ ই-ৰিস্কাই নগৰ খনত চলাই আহিছে সন্ত্ৰাস ।আজি তেনে একাংশ ই-ৰিস্কাৰ বিৰুদ্ধে দেৰগাঁও থানাৰ অচি প্ৰাঞ্জল চক্ৰৱৰ্ত্তীয়ে চলালে অভিযান ।অভিযান কালত নথিপত্ৰ বিহীন বহু ই-ৰিস্কাক থানালৈ লৈ যায় ।উল্লেখযোগ্য যে ন-পাৰ্কীংত পাৰ্কীং কৰা যান বাহনৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হয় ।আনহাতেদি নগৰ খনত সৰু সৰু একাংশ ধাবাত বিলাতী সুৰা বিক্ৰী কৰা সম্পৰ্কতো অধিক কঠোৰ হৈ পৰিছে দেৰগাঁও থানা ।যানবাহন আইন মানি চলি নগৰ খনত যান বাহন সমূহ ৰাখিবৰ বাবে সকলোকে আহ্বান জনায় দেৰগাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৰাকীয়ে।

## বিশ্বনাথত জিলা প্ৰশাসনৰ উদ্যোগত সামাজিক অধিকাৰিত্ব শিবিৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২০ জুন ঃ** বিশ্বনাথত জিলা প্ৰশাসনৰ উদ্যোগত ভাৰতীয় কৃত্ৰিম অঙ্গ নিৰ্মাণ নিগমৰ সহযোগত দিনযোৱা কাৰ্যসূচীৰে সামাজিক অধিকাৰিত্ব শিবিৰ আয়োজন কৰে । বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত নাট্য সমাজত ভাৰত চৰকাৰৰ এ.ডি.আই.পি. আঁচনিৰ অধীনত দিব্যাংগজনক সাহায্য আৰু সহায়ক সঁজুলি বিতৰণ কৰে। ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী কুমাৰী প্ৰতিমা ভৌমিকে মুখ্য অতিথি হিচাপে এই কাৰ্যসূচীত ভাৰ্চুৱেলী ভাষণ প্ৰদান কৰে । উক্ত অনুষ্ঠানত তেজপুৰ সংসদীয় সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, জিলা উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, আৰক্ষী অধীক্ষক নবীন সিঙৰ উপৰিও জিলা প্ৰশাসনৰ বহুকেইগৰাকী বিষয়া উপস্থিত থাকে।

No- 103

**OFFICE ORDER**

Following the concurrence of Personal (B) Department of Assam Government
(i) vide their U/o No. 559/2021 Dated: 29.12.2021.
(ii) Govt, letter no. RBEB.20/2021/20, dtd: 05/01/2022 from Deputy Secretary to the Govt, of Assam PWRD, Esstt-B Branch,(Confidential Cell).
(iii) Chief Engineers instruction vide letter no. CEE/179/2016/21 Dated: Guwahati: 7th March, 2022, the change of name of **Sahiruddin Ali Ahmed (S/O Jainal Abedin, Vill-Kanaichuba, PO-Howly Mohanpur, Darrang) to Sahir Bhuiyan,** Assistant Engineer (formerly Junior Engineer) through Notary vide SI No. 7008 dated 18/06/2013, Darrang and Court affidavit of 1st class Judicial Magistrate, Mangaldai, Darrang vide no. 1271 dt: 20/7/2020 and finally execution of a deed (through notary vide SI no. 03/260, Dtd: 09/03/2022, Darrang, Mangaldai) by the incumbent duly attested by the undersigned and the Asstt. Executive Engineer, PWRD, Mangaldai Territorial Road Sub-Division as witnesses is accepted officially and from now the incumbent is recognised as Sahir Bhuiyan instead of his old name Sahiruddin Ali Ahmed with immediate effect.

It is for general notification to all concerned to entry this amended name **Sahir Bhuiyan instead of Sahiruddin Ali Ahmed** in all Government records.

Yours faithfully
Sd/-
(B. Malakar)
Executive Engineer (PWRD)
Mandaldai & Dalgaon Territorial Road
Division, Mangaldai

## লাহৰীঘাটৰ এখন দলং নিৰ্মাণক লৈ স্থানীয় ৰাইজৰ অভিযোগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২০ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বজাৰৰ পৰা পশ্চিম প্ৰান্তৰ দৃশ্য। মৰিগাঁও জিলাৰ লাহৰীঘাটৰ পৰা মৰিতলী গাঁও সংযোগী ধিঙৰআটীত এখন দলং নিৰ্মাণ হোৱা এবছৰ পাৰ নহওঁতেই দলংখনৰ দুয়ো পাৰে এনেদৰে দেখা যায় বৃহৎ পৰিমাণৰ খহনীয়া আৰু মেলিছে বৃহৎ ফাঁট। লাহৰীঘাট বজাৰৰ পৰা ৫০০ মিটাৰ নিলগত অৱস্থিত এই দলংখনৰ দুই পাৰে নিম্ন কামৰ কৰি দায়িত্ব সামৰিছে বুলি ৰাইজৰ অভিযোগ। দলংখনৰ দুয়োপাৰে এনেদৰে খহি যোৱাত ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। লগতে ৰাইজে আৰু অভিযোগ কৰে যে এই দলং নিৰ্মাণৰ সময়ত ঠিকাদাৰৰ গাফিলতিত এনে দুৰৱস্থা হৈছে। সেয়ে স্থানীয় ৰাইজে শীঘ্ৰে এই পথছোৱা মেৰামতি কৰাৰ বাবে বিভাগক অনুৰোধ জনাইছে । এতিয়া প্ৰশ্ন হয়, এনে নিম্নমানৰ কাম কৰা ঠিকাদাৰসকলক নাকী লগাব পাৰিব নে চৰকাৰে...? সেয়া সময়তহে হ'ব লক্ষণীয়।

## মৈৰাবাৰীত নগদ ধন, তাচপাতসহ ছয় জুৱাৰীক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে, হাতীমূৰীয়া আঞ্চলিক জমিয়তৰ প্ৰশংসা আৰক্ষীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২০ জুন ঃ** যি সময়ত মৰিগাঁও জিলাৰ মৈৰাবাৰী মৰিগাঁও জিলাৰ মৈৰাবাৰী থানাৰ অন্তৰ্গত হাতীমুৰীয়া পঞ্চায়তত হাতীমুৰীয়া আঞ্চলিক জমিয়তৰ উদ্যোগত হাতীমুৰীয়া শগুনবাহী গাৱৰ চুবুৰীয়ে চুবুৰীয়ে ড্ৰাগছ,মদ আৰু জোৱাৰ বিৰুদ্ধে কৌশলগত ভাৱে সজাগতা অভিযান তীব্ৰ কৰি তুলিছে সেই সময়ত কালি মৈৰাবাৰীৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চাবিৰ আলীৰ নেতৃত্বত এটি আৰক্ষীৰ দলে পুৱতি নিশা এক অভিযান চলাই হাতীমূৰীয়া গাৱৰ পৰা ছয় গৰাকী জুৱাৰীক আটক কৰিবলৈ সক্ষম হয়। লগতে নগদ ২৬০০ টকাৰ সহ টাচপাতকে আদি কৰি বহু সংখ্যক আপত্তি জনক সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয় ।আটকাধিন জুৱাৰী কেইজন হাতীমূৰীয়া গাৱৰ শ্বহিদুল ইছলাম, নজৰুল ইছলাম,হবিবুৰ ৰহমান, কনিষ্ঠ শ্বহিদুল ইছলাম, আৰু মৈৰাবাৰীৰ ৰেলৱে কলনিৰ ইমদাদুল আৰু ছেলিম আলীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি অধিক তথ্যৰ বাবে জেলা অব্যাহত ৰাখে। মৈৰাবাৰী আৰক্ষীৰ এনে কাৰ্যক স্থানীয় ৰাইজৰ লগতে আঞ্চলিক জমিয়তে প্ৰশংসা কৰিছে।

## শিৱসাগৰত 'সমন্বয় সাংস্কৃতিক গোষ্ঠী' আৰু 'অসম নাট্য সন্মিলন'ৰ 'নাট্য কৰ্মশালা'

**দৈনন্দিন বাৰ্তা সেৱা, দ্ৰোৰ্ণ খঙীয়া, শিৱসাগৰ, ২০ জুন ঃ** স্বেচ্ছাসেৱী অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ উদ্যোগত আৰু অসমৰ সৰ্ববৃহৎ নাট্য সংগঠন অসম নাট্য সন্মিলন, শিৱসাগৰ শাখাৰ সৌজন্যত তথা হিন্দু ধৰ্মসভা নামঘৰৰ সহযোগত বহুদিনৰ বিৰতিৰ পাছত শিৱসাগৰ পৌৰসভা কাৰ্য্যালয়ৰ সন্মুখত অৱস্থিত হিন্দু ধৰ্মসভা নামঘৰ প্ৰেক্ষাগৃহত এক "নাট্য কৰ্মশালা"ৰ আয়োজন কৰা হৈছে । জানিব পৰা মতে, অহা ০৪ জুলাইৰ পৰা ১৪ জুলাইলৈ অনুষ্ঠিত হ'বলগীয়া এই "নাট্য কৰ্মশালা"ত মুখ্য প্ৰশিক্ষকৰূপে উপস্থিত থাকিব ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন নাট্যকাৰ, অভিনেতা আৰু নাট পৰিচালক তথা পূৰ্বৰংগ গুৱাহাটীৰ গুণাকৰ দেৱ গোস্বামী । লগতে সহযোগী প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব নাট পৰিচালক, নাট্যপীঠৰ অধ্যক্ষ প্ৰশান্ত শৰ্মা । উল্লেখযোগ্য যে, কৰ্মশালাখনিত ১৫ বছৰ বয়সৰ পৰা সকলোৱে নাটকৰ প্ৰশিক্ষণ ল'ব পাৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে । নাটকৰ প্ৰতিটো বিষয়ৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰিবলগীয়া এই বিশেষ "নাট্য কৰ্মশালা"ৰ ভৰ্তি মাচুল-৫০০ টকা ধাৰ্য্য কৰা হৈছে । কৰ্মশালাৰ শেষত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে শেষৰ দিনা প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা নাট প্ৰদৰ্শন কৰা হ'ব বুলি কৰ্মশালাখনিৰ মুখ্য পৰিচালক অমৃত কুমাৰ শৰ্মাই সংবাদ মাধ্যমক জানিবলৈ দিছে । উল্লেখ যে, কৰ্মশালাত যোগদানৰ অন্তিম তাৰিখ ১২ জুলাই-২০২২ । প্ৰ-পত্ৰৰ বাবে ম'বাইল নম্বৰ ৭০০২৮৯৬৯০২ আৰু ৯৭০৬১৪৬৩৩৪ ত যোগাযোগ কৰিব পাৰিব ।

## ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অধ্যাপকৰ বিদায় সম্বৰ্ধনা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ জুন ঃ** ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত সুদীৰ্ঘ দিন কৰ্ম সম্পাদন কৰি চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা তিনিগৰাকী অধ্যাপকৰ এখনি বিদায় সম্বৰ্ধনা সভা ১৯ জুন তাৰিখে অনুষ্ঠিত হৈ যায় । অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড. উপেন্দ্ৰজিৎ শৰ্মাৰ সঞ্চালনাত আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড. ধ্ৰুৱ চক্ৰৱৰ্তীৰ সভাপতিত্ব অনুষ্ঠিত সভাখনত মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ আব্দুল মতলেব মণ্ডল, পৰিসংখ্যা বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ ড. ব্ৰজেন্দ্ৰ কান্ত শৰ্মা আৰু গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল বাতেনক সম্বৰ্ধনা পত্ৰ , ফুলাম গামোচা,শৰাই, গ্ৰন্থৰ টোপোলা, কাশ্মীৰী শ্বাল আৰু ট্ৰলী বেগ প্ৰদানেৰে ভোলানাথ মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা অৱসৰৰ বিদায় সম্বৰ্ধনা জনোৱা হয় । অনুষ্ঠানত সম্বৰ্ধনা পত্ৰ পাঠ কৰে বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ৰবীন্দ্ৰ দাস, পৰিসংখ্যা বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড. নিত্যানন্দ বৰ্মন আৰু গণিত বিভাগৰ মুৰব্বী অধ্যাপক ছাহজাহান হুছেইন সৰকাৰে । মহাবিদ্যালয়ৰ অধ্যক্ষ ড. ধ্ৰুৱ চক্ৰৱৰ্তীয়ে সম্বৰ্ধনা পত্ৰৰে উপাধ্যক্ষ ৰীতা বৰাই ফুলৰ টোৰাৰে তিনিও গৰাকী অধ্যাপকলৈ সম্বৰ্ধনা জ্ঞাপন কৰে । অনুষ্ঠানত উপস্থিত মহাবিদ্যালয়ৰ অধ্যাপক , অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দই অৱসৰী অধ্যাপকবৃন্দৰ গুণানুকীৰ্তন কৰি বক্তব্য প্ৰদান কৰে । অনুষ্ঠানত পৰ্যায় ক্ৰমে অধ্যাপক আব্দুল মতলেব মণ্ডল ,ড. ব্ৰজেন্দ্ৰ কান্ত শৰ্মা আৰু অধ্যাপক আব্দুল বাতেনে ভোলানাথ মহাবিদ্যালয়ত অধ্যাপনা কৰা দিনৰ সোণ সেৰীয়া স্মৃতি ৰোমন্থন কৰে । জাতীয় সংগীত পৰিবেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# ইউ এছ অপেনত ৰাছিয়া-বেলাৰুছৰ খেলুৱৈক সুযোগ দিয়াত আয়োজকক ধন্যবাদ ছেৰেনাৰ

**নিউয়ৰ্ক, ২০ জুন ঃ** গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেনত ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈক খেলাৰ সুযোগ দিয়াৰ বাবে আয়োজকক ধন্যবাদ জনাইছে আমেৰিকাৰ টেনিছ তাৰকা ছেৰেনা উইলিয়ামছে। ৰাজনৈতিক বিষয় লৈ ক্ৰীড়াবিদক বিতাৰিত কৰাটো অন্যায় বুলি কয় ছেৰেনাই। উল্লেখ্য যে ইউক্ৰেইন আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে অল ইংলেণ্ড ক্লাবে ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈক আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা নিষিদ্ধ কৰাৰ সিদ্ধান্ত লৈছে। কিন্তু ইউ এছ অপেনত ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈক খেলাৰ সুযোগ দিয়া হ'ব বুলি কয় আয়োজকে। ইফালে, উম্বলডনত খেলাৰ কথা ব্যক্ত কৰিছে ছেৰেনা উইলিয়ামছে। উল্লেখ্য যে টেনিছৰ ক'ৰ্টৰ পৰা বিৰত থকা ছেৰেনাই এবছৰৰ পাছত উইম্বলডনত পুনৰবাৰ পুনৰবাৰ ঘূৰি আহিবলৈ সাজু হৈছে। সুদীৰ্ঘ ১২ মাহ পূৰ্বে অল ইংলেণ্ড ক্লাবত প্ৰথম ৰাউণ্ডৰ মেচত আঘাতপ্ৰাপ্ত হোৱা ২৩ বাৰৰ গ্ৰেণ্ড শ্লেম চিংগলছ চেম্পিয়নগৰাকীয়ে ছ'ছিয়েল মিডিয়াত এই কথা ব্যক্ত কৰে। ইফালে, ৪০ বছৰীয়া ছেৰেনাই গ্ৰাছক'ৰ্ট প্ৰতিযোগিতাত খেলিব পাৰিব বুলি কোৱাৰ লগে লগে উৎসাহিত হৈছে অনুৰাগী। উল্লেখ্য যে এতিয়া বিশ্বৰ ১২০৮ নম্বৰ স্থানত থকা উইলিয়ামছে উইম্বলডনত একক নে ডাবলছত খেলাৰ বাবে মনস্থ কৰিছে সেয়া কিন্তু স্পষ্ট হোৱা নাই। কিন্তু আয়োজকে ইতিমধ্যে ছেৰেনাক ৱাইল্ড কাৰ্ড দিছে। উল্লেখ্য যে দীৰ্ঘদিনীয়া আঘাতৰ ফলত খেলপথাৰৰ পৰা আঁতৰি থকা খেলুৱৈসকলৰ বাবে সংৰক্ষিত সুৰক্ষিত ৰেংকিং ব্যৱহাৰ কৰি আমেৰিকানগৰাকীয়ে প্ৰৱেশ কৰিব পাৰিলেহেঁতেন কিন্তু তেওঁ তেনে কৰা নাই। সেয়েহে ৱাইল্ড কাৰ্ডৰ প্ৰয়োজন হয়। অহা ২৭ জুনৰ পৰা আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতাত একক আৰু ডাবলৰ বাবে ৱাইল্ড কাৰ্ডৰ প্ৰাৰম্ভিক সূচী ইতিমধ্যে ঘোষণা কৰা হৈছে।



# আন্তঃজিলা জুনিয়ৰ উশ্বু প্ৰতিযোগিতাত ধেমাজি শ্ৰেষ্ঠ দল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, গোগামুখ, ২০ জুন ঃ** সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা আন্তঃজিলা জুনিয়ৰ উশ্বু প্ৰতিযোগিতাত ধেমাজি জিলা দল শ্ৰেষ্ঠ দল হিচাপে স্বীকৃতি লাভ কৰিছে। গুৱাহাটীত অনুষ্ঠিত হোৱা উক্ত প্ৰতিযোগিতাত ধেমাজি জিলা দলে ৭ সোণৰ পদক, ৪ ৰূপৰ পদক আৰু তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰি শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়। সদৌ অসম উশ্বু এছ'চিয়েছনৰ দ্বাৰা আয়োজিত উক্ত প্ৰতিযোগিতাত টিকেন্দ্ৰ পেগু, দিব্যজ্যোতি দলে, পৰিধি কছাৰী, মণিকা দলে, জেটলীনা কছাৰী, চুমি বৰা, গাৰ্গী লালুঙে সোণৰ পদক লাভ কৰাৰ বিপৰীতে মুকেশ কছাৰী, কংকনজ্যোতি দলে, বৰ্ষাৰাণী কুলিয়ে ৰূপৰ পদক অনিতা দলে, শচীন মিলি আৰু জানমণি কুম্বাঙে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ধেমাজি জিলা উশ্বু এছ'চিয়েছনৰ সভাপতি প্ৰভাত বসুমতাৰী, সম্পাদক যুগ্ম দলেৰ নেতৃত্বত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দলটোৰ টিম মেনেজাৰ হিচাপে আছিল জিতুল গগৈ আৰু প্ৰশিক্ষক হিচাপে আছিল যুগ্ম দলে আৰু বৰ্গৰাম পেগুৱে।



# স্বাধীনতাৰ অমৃত মহোৎসৱত দেশৰ ৭৫খন চহৰলৈ যাব দবা অলিম্পিয়াডৰ শিখা ঃ ঠাকুৰ

**নতুন দিল্লী, ২০ জুন ঃ** 'ভাৰতে এইবছৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষ অমৃত মহোৎসৱ উদযাপন কৰিছে আৰু এই সময়তে দবা অলিম্পিয়াড টৰ্চটোও দেশৰ ৭৫ খন চহৰলৈ যাব।' এয়া গৌৰৱৰ বিষয় বুলি কয় কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰে। তেওঁ লগতে কয় 'ফিডে সিদ্ধান্ত লৈছে যে এতিয়াৰে পৰা প্ৰতিখন দবা অলিম্পিয়াড খেলৰ বাবে টৰ্চ ৰিলে ভাৰতৰ পৰাই আৰম্ভ হ'ব। এই সন্মান কেৱল ভাৰতৰ সন্মানেই নহয়, দবাৰ এই গৌৰৱময় ঐতিহ্যৰ সন্মানো। ইয়াৰ বাবে মই ফিডে আৰু ইয়াৰ সকলো সদস্যক অভিনন্দন জনাইছো।' ক্ৰীড়া মন্ত্ৰীয়ে দবাত ভাৰতৰ ঐতিহ্যৰ বিষয়ে ব্যক্ত কৰি কয় 'আমাৰ পূৰ্বপুৰুষসকলে বিশ্লেষণাত্মক আৰু সমস্যা সমাধানকাৰী মগজুৰ বাবে দবাৰ দৰে খেল আৱিষ্কাৰ কৰিছিল। ভাৰতৰ সৃষ্টিৰ বাবেই দবা খেলে বিশ্বৰ বহু দেশত প্ৰতিস্থিত হৈছিল আৰু অতি জনপ্ৰিয় হৈ পৰিছিল। আজি বিদ্যালয়সমূহত দবাক যুৱক-যুৱতীসকলৰ বাবে, শিশুসকলৰ বাবে শিক্ষাৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হৈছে।' তেওঁ উল্লেখ কৰে যে বিগত বছৰবোৰত ভাৰতে দবাত ধাৰাবাহিকভাৱে নিজৰ প্ৰদৰ্শন উন্নত কৰি আহিছে। এইবাৰ দবা অলিম্পিয়াডত ভাৰতৰ দলটো এতিয়ালৈকে সৰ্বাধিক। এইবাৰ ভাৰতে পদকৰ নতুন অভিলেখ গঢ়িব বুলি আশা প্ৰকাশ কৰে ক্ৰীড়া মন্ত্ৰীয়ে। ক্ৰীড়া মন্ত্ৰীয়ে দবা খেলে ব্যক্তিৰ জীৱনত দিয়া বহুতো শিক্ষাৰ বিষয়েও কয়। জীৱনত নিজৰ স্থান নিৰ্বিশেষে সকলোৰে বাবে সঠিক সমৰ্থনৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰি ক্ৰীড়া মন্ত্ৰীয়ে কয় 'যেনেকৈ প্ৰতিটো দবাৰ টুকুৰাৰ নিজস্ব শক্তি আছে আৰু এক অনন্য ক্ষমতা আছে। যদি আপুনি এটা টুকুৰাৰ সৈতে সঠিক পদক্ষেপ লয় আৰু ইয়াৰ শক্তি সঠিকভাৱে ব্যৱহাৰ কৰে, তেন্তে ই আটাইতকৈ শক্তিশালী হৈ পৰে। এই বিশেষত্বই আমাক জীৱনৰ ডাঙৰ বাৰ্তা দিয়ে। সঠিক সমৰ্থন আৰু সঠিক পৰিৱেশ দিয়া হ'লে দুৰ্বলসকলৰ বাবেও কোনো লক্ষ্য অসম্ভৱ নহয়।' দবাৰ পৰা পোৱা আন এক শিক্ষাৰ ওপৰত আলোকপাত কৰি ক্ৰীড়া মন্ত্ৰীয়ে কয় 'দবা খেলৰ আন এক মহান বৈশিষ্ট হ'ল দূৰদৰ্শীতা। দবা খেলে আমাক কয় যে প্ৰকৃত সফলতা হ্ৰস্বম্যাদী সফলতাৰ পৰিৱৰ্তে দূৰদৰ্শী সফলতাৰ পৰাই আহে।'



# দবা অলিম্পিয়াডৰ ঐতিহাসিক শিখা মুকলি প্ৰধানমন্ত্ৰীৰ

**নতুন দিল্লী, ২০ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতত হ'ব লগা ৪৪ সংখ্যক দবা অলিম্পিয়াডৰ ঐতিহাসিক টৰ্চ ৰিলে মুকলি কৰিছে। এই উপলক্ষ্যে নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত হোৱা এক অনুষ্ঠানত ফিডেৰ সভাপতি আৰ্কাডি ডভ'ৰকোভিচ, কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ, ক্ৰীড়া ৰাজ্যিক মন্ত্ৰী নিশিথ প্ৰমানিক, গ্ৰেণ্ডমাষ্টাৰ বিশ্বনাথন আনন্দ, ভাৰতীয় দবা দলৰ লগতে বিভিন্ন দেশৰ দবা ফেডাৰেচনৰ সদস্যসকলো উপস্থিত থাকে। উল্লেখ্য যে প্ৰতিষ্ঠিত প্ৰতিযোগিতাখন প্ৰথমবাৰৰ বাবে ভাৰতে কেৱল আয়োজন কৰাই নহয়, প্ৰতিযোগিতাখনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ফিডেৰ দ্বাৰা প্ৰতিষ্ঠা কৰা টৰ্চ ৰিলেও আৰম্ভ কৰা প্ৰথমখন দেশ ৰূপে পৰিগনিত হৈছে। উল্লেখ্য যে দবাৰ জন্ম হোৱা দেশ হিচাপে ভাৰতৰ ঐতিয্যক স্বীকাৰ কৰি এতিয়াৰ পৰা প্ৰতিখন




দবা অলিম্পিয়াডৰ সময়তে অলিম্পিয়াড টৰ্চ ভাৰতৰ পৰা আয়োজক দেশলৈ যাত্ৰা কৰিব। থিক অলিম্পিকত যিদৰে এথেন্সৰ পৰা আৰম্ভ কৰা হয়। অনুষ্ঠানত ফিডেৰ সভাপতি আৰ্কাডিয়ে প্ৰধানমন্ত্ৰীক টৰ্চটো অৰ্পণ কৰে আৰু তেওঁ পাছলৈ ভাৰতীয় দবাৰ কিংবদন্তি গ্ৰেণ্ডমাষ্টাৰ বিশ্বনাথন আনন্দৰ হাতত অৰ্পন কৰে। উল্লেখ্য যে এই টৰ্চ ৰিলে ৪০ দিনীয়া হ'ব আৰু ভাৰতৰ ৭৫ খন চহৰক ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত সামৰি ল'ব। অহা ২৮ জুলাইৰ পৰা ১০ আগষ্টলৈ চেন্নাইত অনুষ্ঠিত হ'ব ৪৪ সংখ্যক দবা অলিম্পিয়াড। অনুষ্ঠানত ভাষন দি প্ৰধানমন্ত্ৰীয়ে কয় 'আজি দবা অলিম্পিয়াডৰ প্ৰথমটো টৰ্চ ৰিলে ভাৰতৰ পৰা আৰম্ভ হৈছে। প্ৰথমবাৰৰ বাবে এইবাৰ ভাৰতত দবা অলিম্পিয়াড খেল আয়োজন কৰিবলৈ লোৱা হৈছে। আমি গৌৰৱান্বিত যে জন্মস্থানৰ পৰা আৰম্ভ কৰি সমগ্ৰ বিশ্বতে নিজৰ চিন এৰি যোৱা এই খেলে বহু দেশৰ বাবে এক গৌৰৱ হৈ পৰিছে।' তেওঁ আৰু কয় 'যুগ যুগ ধৰি ভাৰতৰ পৰা চতুৰাংগাৰ ৰূপত এই খেলৰ শিখা সমগ্ৰ বিশ্বলৈ গৈছিল। আজি ভাৰতৰ পৰাও ওলাই আহিছে দবাৰ প্ৰথম অলিম্পিয়াড শিখা।'

# ত্ৰিপুৰাৰে জয়, ড্ৰ খেলিলে ওডিছাই

## ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল

**গুৱাহাটী, ২০ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ দুখনকৈ মেচ আজি সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰত অনুষ্ঠিত হয়। উল্লেখ্য যে জয়ৰে অভিযান আৰম্ভ কৰা ওডিছাই আজি নিজৰ দ্বিতীয়খন মেচত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে দাদৰা আৰু নগৰ হাভেলিৰ বিৰুদ্ধে। ইয়াৰপূৰ্বে গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত ওডিছাই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল চণ্ডিগড়ক। ইফালে, সোনাপুৰতে আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'এফ'ৰ আনখন মেচত ত্ৰিপুৰাই ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে চণ্ডিগড়ক। ক্ৰমাগত দুখন মেচত পৰাস্ত হোৱাৰ পাছত চণ্ডিগড়ৰ নকআউট ৰাউণ্ডলৈ উত্তৰণ কঠিন হৈ পৰিছে। বিপৰীতে প্ৰথম মেচত পৰাস্ত হোৱাৰ পাছত ত্ৰিপুৰাৰ এয়া আশাৰ প্ৰত্যাৱৰ্তন। উল্লেখ্য যে প্ৰথম মেচত মহাৰাষ্ট্ৰৰ বিৰুদ্ধে ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত হৈছিল ত্ৰিপুৰা। মহাৰাষ্ট্ৰৰৰ হৈ মেচখনত তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰিছিল ছুমায়াই। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ' ত আছে মণিপুৰ, উত্তৰাখণ্ড, ঝাৰখণ্ড আৰু অন্ধ্ৰপ্ৰদেশ। গ্ৰুপ 'বি' ত স্থান লাভ কৰিছে মিজোৰাম, উত্তৰ প্ৰদেশ, চত্তিছগড় আৰু কৰ্ণাটক। গ্ৰুপ 'চি' ত আছে তেলেংগনা, বিহাৰ, মেঘালয়, দিল্লী আৰু মধ্য প্ৰদেশ। গ্ৰুপ 'ডি' ত আছে অৰুণাচল প্ৰদেশ, হিমাচল প্ৰদেশ, ছিকিম আৰু গোৱা। গ্ৰুপ 'ই' ত নগালেণ্ড, লাডাখ, পঞ্জাৱ আৰু কেৰালা। গ্ৰুপ 'এফ' ত আছে ত্ৰিপুৰা, উৰিষ্যা, মহাৰাষ্ট্ৰ, দাদৰা আৰু নগৰ হাভেলি। গ্ৰুপ 'জি' ৰ দলসমূহ হ'ল অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। আনহাতে, গ্ৰুপ 'এইচ' ত স্থান লাভ কৰিছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজাস্থান। প্ৰতিটো গ্ৰুপৰ চেম্পিয়ন দলে নকআউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।

# যোগাসন ক্ৰীড়া প্ৰতিযোগিতা সম্পন্ন

**গুৱাহাটী, ১৯ জুন ঃ** নগাঁও জিলা যোগ সন্থাৰ উদ্যোগত নেহৰু যুৱ কেন্দ্ৰ, নগাঁৱৰ সভাগৃহত আজি দিনযোৱা কাৰ্যসূচীৰে নগাঁও জিলা ভিত্তিত এখনি যোগাসন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। কেৱল ছয় আৰু আঠ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালী তথা ৫০-৬০ বছৰ আৰু ৬০ বছৰ বয়সৰ উৰ্ধৰ পুৰুষ-মহিলাৰ বাবে মুকলি থকা এই প্ৰতিযোগিতাখনি আজি পুৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে এচিয়ান যোগ ৰেফাৰী, অৱসৰপ্ৰাপ্ত শাৰীৰিক শিক্ষাৰ নিৰ্দেশিকা তথা আয়োজক সমিতিৰ সভাপতি মঞ্জুলা লস্কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ ডেৰকুৰিৰো অধিক খেলুৱৈয়ে ভাগ লোৱা এই প্ৰতিযোগিতাৰ ছয় বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ শাখাত বৰ্ণাঢ্য দত্ত আৰু ছোৱালীৰ শাখাত বৰেণ্যা ভৰদ্বাজে প্ৰথমস্থান পায়। আঠ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ শাখাত সান্নিধ্য সমীৰ হাজৰিকা আৰু মিৰ্শীকিষ শইকীয়াই যুটীয়াভাৱে প্ৰথমস্থান অৰ্জন কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত আৰোহী মজুমদাৰে প্ৰথমস্থান লাভ কৰে। ৫০-৬০ বছৰ বয়সৰ পুৰুষৰ শাখাত প্ৰভাত চন্দ্ৰ বৰা আৰু মহিলাৰ শাখাত ৰ'জি দেৱীফুকনে প্ৰথমস্থান লাভ কৰিছে। আনহাতে, ৬০ বছৰ বয়সৰ উৰ্ধৰ মহিলাৰ শাখাত



বিচিত্ৰা ভূঞাই প্ৰথমস্থান অধিকাৰ কৰিছে বুলি নগাঁও জিলা যোগ সন্থাৰ সম্পাদিকা লিলি সন্দিকৈয়ে জনাইছে। ইপিনে, নগাঁও জিলা যোগ সন্থাই অসম যোগ সংস্থাৰ সৌজন্যত আৰু জিলা আইন সেৱা প্ৰাধিকাৰী, আই এন অ' সূৰ্য ফাউণ্ডেচন, জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়, এন ৱাই কে, অসম যোগ বিজ্ঞান মহাবিদ্যালয়, এন ই চি টি, ৰাজ্যিক যোগ কেন্দ্ৰ, নিৰ্বাণ আদিৰ সহযোগত নেহৰু যুৱ কেন্দ্ৰ, নগাঁৱৰ সভাগৃহতে অহা ২১ জুনত দিনযোৱাকৈ অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত কমন যোগ প্ৰট'কল কাৰ্যসূচীৰ লগতে বঁটা বিতৰণী সভা আৰু এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰিছে বুলি জিলা সমিতিৰ বিষয়ববীয়া প্ৰভাত চন্দ্ৰ বৰা আৰু বিজু শইকীয়াই লগতে জানিবলৈ দিয়ে। উল্লেখ্য যে, নগাঁও জিলাভিত্তিত আয়োজিত আজিৰ যোগাসন ক্ৰীড়াৰ প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় যোগ ৰেফাৰী নিজৰা বৰা, এম. লস্কৰ, সুদীপ্তা ডেকা, চন্দ্ৰ কান্ত বৰা, জয়াৰাণী ডেকা, প্ৰতিশ্ৰুতি শইকীয়া, বিচিত্ৰৰঞ্জন বৰা, আৰ.ডি.ফুকন আৰু এল.সন্দিকৈ বিচাৰকৰূপে আছিল।

## জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

# ক্ৰমাগত দ্বিতীয় মেচত বৃহৎ জয়ৰে কোৱাৰ্টাৰ ফাইনেলৰ দিশে বিহাৰ

**গুৱাহাটী, ২০ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত ক্ৰমাগত দ্বিতীয়খন মেচত বৃহৎ ব্যৱধানত জয়লাভ কৰিছে বিহাৰৰ ছোৱালী দলে। আজি গুৱাহাটীৰপল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা মেচত বিহাৰে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। দলৰ হৈ লুকী কুমাৰীয়ে তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰাৰ বিপৰীতে মেচৰ শ্ৰেষ্ঠ হয় দুটা গ'ল কৰা সাবাৰা খাতুন। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'চি'ৰ এই খেলপথাৰতে হোৱা নিজৰ প্ৰথমখন মেচত বিহাৰে ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মেঘালয়ক। সেই মেচত শ্ৰেষ্ঠ হয় চাৰিটাকৈ গ'ল কৰা লুকী কুমাৰী। দুখন খেলত সাতটা গ'ল কৰিলে লুকীয়ে। আনহাতে, বিহাৰে দুখন মেচত ২৩ টা গ'ল কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ দিশে অগ্ৰসৰ হৈছে। ছয় পইণ্ট লাভ কৰা দলে দিল্লী আৰু মধ্য প্ৰদেশৰ বিৰুদ্ধে পৰৱৰ্তী মেচ খেলিব। বিপৰীতে তেলেংগনাৰ বিদায় প্ৰায় নিশ্চিত। কাৰণ প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তেলেংগনাক। ইফালে, বিহাৰৰ বিৰুদ্ধে প্ৰথম মেচত ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা মেঘালয় দলে আজি নিজৰ দ্বিতীয় মেচত ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মধ্য প্ৰদেশক। গ্ৰুপ 'চি'ৰ এই মেচখন গুৱাহাটীৰপল্টনবজাৰৰ ছাই নিউ ফিল্ডত অনুষ্ঠিত হৈছিল। উল্লেখ্য যে, ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে।

# ভাৰতৰ যুৱ-প্ৰজন্মৰ মাজত সাহস, নিষ্ঠা, শক্তিৰ অভাৱ নাই ঃ মোদী

**নতুন দিল্লী, ২০ জুন ঃ** 'সুযোগ পালে ভাৰতৰ যুৱক-যুৱতীৰ বিশ্বজয় কৰাৰ ক্ষমতা আছে। কিন্তু দেশৰ চৰকাৰ আৰু জনতাৰ দায়িত্ব হ'ল আমাৰ আশাৰ নতুন প্ৰজন্মক আস্থাত ৰাখি সুবিধা দিয়া লগতে এক অনুকুল পৰিৱেশ সৃষ্টি কৰা।' এই মন্তব্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। উল্লেখ্য যে নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত হোৱা এক অনুষ্ঠানত ৪৪ সংখ্যক দবা অলিম্পিয়াডৰ ঐতিহাসিক টৰ্চ ৰিলে মুকলি কৰি মোদীয়ে এই কথা ব্যক্ত কৰে। ইফালে, টকিঅ' অলিম্পিক, পেৰালিম্পিক, থমাছ কাপ আৰু বক্সিঙত ভাৰতে শেহতীয়াকৈ লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় 'আমাৰ দেশত প্ৰতিভাৰ অভাৱ নাই। দেশৰ যুৱ প্ৰজন্মৰ মাজত সাহস, নিষ্ঠা আৰু শক্তিৰ অভাৱ নাই। আগতে আমাৰ এই যুৱক-যুৱতীসকলে সঠিক মঞ্চৰ বাবে অপেক্ষা কৰিবলগীয়া হৈছিল। আজি 'খেলো ইণ্ডিয়া' অভিযানৰ অধীনত দেশে এই প্ৰতিভাবোৰক বিচাৰি উলিয়াই গঢ় দিছে।' খেলো ইণ্ডিয়াৰ অধীনত দেশৰ সুদূৰ অঞ্চলৰ পৰা ক্ৰীড়া প্ৰতিভাৰ উত্থান ঘটিছে আৰু দেশৰ বিভিন্ন চহৰ আৰু জিলাত আধুনিক ক্ৰীড়া আন্তঃগাঁথনিৰ সৃষ্টি হৈছে। তেওঁ লগতে আঙুলিয়াই দিয়ে যে নতুন শিক্ষা নীতিৰ অধীনত ক্ৰীড়াক অন্যান্য শৈক্ষিক বিষয় হিচাপে গণ্য কৰা হৈছে। তেওঁ কয় যে ফিজিঅ', ক্ৰীড়া বিজ্ঞানৰ দৰে ক্ৰীড়াৰ বহু নতুন মাত্ৰা চৰ্চালৈ আহিছে আৰু দেশত বহু ক্ৰীড়া বিশ্ববিদ্যালয় মুকলি কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে খেলুৱৈৰ ওপৰত থকা আশাৰ হেঁচা বিষয়টো স্বীকাৰ কৰে যদিও ক্ৰীড়াবিদক শূন্য শতাংশ চাপ লৈ খেলত নিজৰ এশ শতাংশ দিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয় যে দেশে খেলুৱৈৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠা দেখিছে। সফলতা যিমানেই খেলৰ অংশ, সিমানেই পুনৰ জয়ী হোৱাৰ প্ৰস্তুতিও খেলৰে অংশ। যোগ আৰু ধ্যানে ইয়াত বহুখিনি সহায় কৰিব পাৰে বুলি কৈ প্ৰধানমন্ত্ৰীয়ে যোগক দৈনন্দিন জীৱনৰ অংশ হিচাপে গঢ়ি তোলাৰ লগতে আগন্তুক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত উৎসাহেৰে অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনায়।



# যুৱ ক্ৰিকেটাৰৰ প্ৰদৰ্শনত সুখী প্ৰশিক্ষক দ্ৰাৱিড়

**বাংগালুৰু, ২০ জুন ঃ** ভাৰত দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন মেচ বৰষুণৰ বাবে পৰিত্যক্ত হোৱাত শৃংখলাটো ২-২ ৰ ব্যৱধানৰে সমাপ্ত হয়। উল্লেখ্য যে যোৱানিশা বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা অন্তিম মেচখনত ভাৰতে পোনতে বেটিং কৰি ৩.৩ অভাৰত দুই উইকেট হেৰুৱাই ২৮-২ ৰাণ কৰাৰ পাছতে মেচ বৰষুণৰ বাবে বন্ধ হয়। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছতো ভাৰতীয় দলে তৃতীয় আৰু চতুৰ্থ মেচত জয়ী হৈ শক্তিশালী প্ৰত্যাৱৰ্তন কৰিছিল। যুৱ শক্তিৰ এই প্ৰদৰ্শনক লৈ সন্তুষ্ট লগতে আশাবাদী টীম ইণ্ডিয়াৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়। শৃংখলাৰ সমাপ্তিত দ্ৰাৱিড়ে কয় যেপাঁচখনীয়া শৃংখলাৰ প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছতো মানসিকৰূপ শক্তিশালী হৈ থাকি জয়ৰে প্ৰত্যাৱৰ্তন কৰাটো ইতিবাচক দিশ। উল্লেখ্য যে ভাৰতে চতুৰ্থখন মেচত ৮২ ৰাণত জয়লাভ কৰি ২-২ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰাৰ পাছত শৃংখলা দখলৰ ফেভাৰিট হৈছিল। একপক্ষীয় চতুৰ্থ মেচত ভাৰতৰ ১৬৯ ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকা ৮৭ ৰাণতে অলআউট হয়। সেয়ে চাপৰ সন্মুখীন হৈ আছিল আলহী দলটো। ইয়াৰপূৰ্বে ভাৰতে তৃতীয়খন মেচত ৪৮ ৰাণত জয়লাভ কৰি ২-১ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰি শৃংখলাত নিজৰ আশা সজীৱ ৰাখিছিল। উল্লেখ্য যে শৃংখলাৰ প্ৰথমখন মেচত দক্ষিণ আফ্ৰিকাই সাত উইকেটত পৰাস্ত কৰিছিল ভাৰতক। তাৰপাছতে দ্বিতীয়খন মেচত দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত জয়লাভ কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈছিল। শৃংখলাৰ শ্ৰেষ্ঠ হয় ভাৰতৰ পেচাৰ ভুৱনেশ্বৰ কুমাৰ।



# আজি পুডুচেৰীৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব অসমে

**গুৱাহাটী, ২০ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত কাইলৈ অভিযান আৰম্ভ কৰিব ঘৰুৱা দল অসমে। উল্লেখ্য যে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত কাইলৈ গ্ৰুপ 'জি'ৰ প্ৰথম খেলখনত অসমৰ প্ৰতিদ্বন্দ্বী পুডুচেৰী। গ্ৰুপ 'জি' ৰ দল চাৰিটা হ'ল আয়োজক অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। অহা ২৩ জুনত গুজৰাটৰ বিৰুদ্ধে অসমৰ দ্বিতীয়খন মেচ। আনহাতে, ২৫ জুনত অসমে খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। প্ৰতিযোগিতাৰ বাবে অসম দলটোৰ প্ৰশিক্ষণ তথা বাছনি শিবিৰ ডিমাকুছি ষ্টেডিয়ামতে যোৱা দুসপ্তাহ ধৰি চলি আছে। অসম ফুটবল সন্থাই প্ৰতিযোগিতাৰ বাবে ঘোষণা কৰা অসম দলটোৰ অধিনায়ক হিচাপে আছে তুষামণি গগৈ আৰু সহঃঅধিনায়কৰ দায়িত্বত আছে মৌচুমী ব্ৰহ্ম। দলটোৰ অন্য খেলুৱৈ হল ঃ মম্পী সোণোৱাল, ৰেশ্মী ৰয়, সোণম ডালমা লামা, পূৰ্ণিমা ৰেগন, চয়নিকা সোণোৱাল, কে জুলি চংলয়, ৰেমালী বড়ো, ৰাজশ্ৰী সোণোৱাল, উদাংশ্ৰী নাৰ্জাৰী, চুমি দাস, হেৰিনা বসুমতাৰী, অঞ্জুলী বহ্ম, মাইনু বসুমতাৰী, সোণম দত্ত, জানমণি পাংগিং, অংকিতা মেচ, মীনা কাছাৰী আৰু সবিতা ৰাভা। অসমৰ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে আছে লোচন শইকীয়া। মেনেজাৰ আৰু সহঃমেনেজাৰৰ দায়িত্বত আছে ক্ৰমে - ফিলাচেম বড়ো আৰু ৰয়েল বসুমতাৰী।

# ৰাষ্ট্ৰীয় কাৰাটেৰ অসম দল ঘোষণা

**গুৱাহাটী, ২০ জুন ঃ** অহা সাত আগষ্টত হায়দৰাবাদত হ'বলগীয়া কিয়ো জাপান শ্বটোকান কাৰাটে নেচনেল চেম্পিয়নশ্বিপৰ বাবে অসম দলটো আজি বৰপেটা সাহিত্য সভা ভৱনত বাচনি কৰা হয়। মুঠ ১৭ জন প্ৰতিযোগী এই চেম্পিয়নশ্বিপৰ বাবে নিৰ্বাচিত হয়। উকাৰ যুটীয়া সাধাৰণ সম্পাদক হাসমত আলী আৰু কিয়ো জাপান শ্বটোকান কাৰাটে এচোছিয়েশ্যনৰ অসমৰ সভাপতি বিনয় অধিকাৰীৰ উপস্থিতিত খেলুৱৈ সকলৰ নাম ঘোষণা কৰা হয়। ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে খেলুৱৈ সকলে যথেষ্ট অনুশীলন কৰিছে। খেলুৱৈ সকলক হায়দৰাবাদত হ'বলগীয়া প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰি অসমলৈ পদক বুটলি আনি আন্তৰ্জাতিক পৰ্যায়ত যাতে অংশগ্ৰহণ কৰিব পাৰে সেই লক্ষ্যৰে খেলিবলৈ উকাৰ যুটীয়া সাধাৰণ সম্পাদক হাসমত আলীয়ে আহ্বান জনায়। নিৰ্বাচিত হোৱা খেলুৱৈ সকল হ'ল ঃ অৰ্ণৱজিৎ দাস, কৃষ্ণাংগন পাঠক, অনুৰাগ প্ৰীতম, জাকিৰ আলী, জৰ্জিনা বৰ্মন, চেলি তালুকদাৰ, নিশিতা বৰ্মন, ময়ুৰী তালুকদাৰ, দীপশিখা দাস, প্ৰাঞ্জু ভৰদ্বাজ, মাজিদুল ইছলাম, মণিৰুল ইছলাম, ময়নাল আলী, দীপক মাহাতো, ভূমিকা বৰ্মন, জ্ঞানদ্বীপ বৰ্মন আৰু অনন্যা দাস। দলটোৰ প্ৰশিক্ষক হিৰণ দাস আৰু টীম মেনেজাৰ প্ৰশান্ত তালুকদাৰ।

# নগৰবেৰা চেণ্ট্ৰেল বেংকত উতপ্ত পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২০ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাত এখন মাত্ৰ চেণ্ট্ৰেল বেংক থকাত জিলাখনৰ বকো সমষ্টিৰ লগতে দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ বিভিন্ন প্ৰান্তৰ লক্ষ্যাধিক গ্ৰাহকে আজি পুৱাই বেংকটোত আধাৰ কাৰ্ডৰ লিং কৰিবলৈ আৰু নিজৰ জমা ধন ওলিয়াবলৈ সমবেত হয়। কিন্তু বেংকটোত পৰ্যাপ্ত বিষয়া-কৰ্মচাৰী নথকাৰ বাবেই বিগত এসপ্তাহ ধৰি পুৱাৰ পৰা বিয়লিলৈ দীঘলীয়া শাৰী পাতিও অৱশেষত কাম নোহোৱাকৈ বিমুখে ঘৰলৈ ঘূৰি যাবলগীয়া হৈছে গ্ৰাহকসকলে, যাৰ বাবে নগৰবেৰা চেণ্ট্ৰেল বেংকৰ একাংশ কৰ্মচাৰীৰ গাফিলতিৰ বাবে কাম নোহোৱাত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। নগৰবেৰাৰ বিভিন্ন প্ৰান্তৰ গ্ৰাহকে বানৰ মাজতো বেংকলৈ আহিছে আধাৰ কাৰ্ডৰ লিং কৰিবলৈ, আন একাংশই আহিছে ধন ওলিয়াবলৈ, কিন্তু পুৱাৰে পৰা দীঘলীয়া শাৰী পতাই দিছে বেংকৰ কৰ্মচাৰীয়ে তথাপিও কোনোধৰণৰ কাম নোহৱাৰ বাবে শাৰীত থকা গ্ৰাহক বেংকৰ কৰ্মচাৰীৰ ওপৰত অতিষ্ঠ হৈ এনেদৰে ঠেলাহেঁচা কৰি এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। আৰু হুলস্থুলীয়া পৰিৱেশৰ মাজতে শাৰীত থকা বহু গ্ৰাহকৰ এনে ঠেলাহেঁচাৰ ফলত একাংশ গ্ৰাহক আঘাতপ্ৰাপ্তও হোৱাও বুলি জানিব পৰা গৈছে। কোলাত কেচুৱা লৈ লাইনত থিয় হৈও কৰিব পৰা নাই কাম। আৰু কিমান দিলৈ চলিব বেংকৰ এনে অৰাজকতা। শীঘ্ৰেই নগৰবেৰাত এটা ষ্টেট বেংকৰ শাখাৰ কাৰ্যালয় স্থাপন কৰিবলৈ ৰাইজে চৰকাৰক দাবী জনাইছে।

# মেৰাপানীৰ পঞ্জাৱ নেচনেল বেংকত গ্ৰাহকৰ ধন হৰলুকি ঘটনাক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২০ জুন ঃ** গোলাঘাটৰ মেৰাপানীস্থিত পঞ্জাৱ নেচনেল বেংকৰ (IFSC-PUNB-0204020) মেৰাপানী শাখাত বহু সংখ্যকৰ একাউন্টৰ পৰা গ্ৰাহকৰ ধন ৰহস্যজনকভাৱে হৰলুকি হোৱাৰ তথ্য লাভ কৰাৰ পাছত বাতৰি কাকতসমূহত সবিষ্ঠাৰে বাতৰি প্ৰকাশ পোৱাৰ পাছতেই যোৱা ১৮ জুনত পঞ্জাৱ নেচনেল বেংক মেৰাপানীৰ শাখাটোত আঞ্চলিক পৰ্যায়ৰ বিষয়া ডিজিএম (যোৰহাট)য়ে অনুসন্ধান চলোৱাত অঞ্চলটোৰ সচেতন ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছে। উল্লেখ্য, উক্ত শাখাটোত আজি কিছুদিনৰ আগৰ পৰা গ্ৰাহকৰ অজ্ঞাতে পাচবুকৰ ধন হৰলুকিৰ দৰে ঘটনা সংঘটিত হৈ অহাৰ লগতে বহু গ্ৰাহকৰ একাউন্টৰ পৰা জমাধন নোহোৱা হৈছে বুলি অভিযোগ উঠিছিল। এই ক্ষেত্ৰত পূৰ্বৰ শাখা পৰিচালক লাকী শইকীয়া আৰু বেংকৰ কেচিয়াৰ ধন হৰলুকি কাণ্ডত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত থকাৰ অভিযোগ উত্থাপিত হোৱাৰ সমান্তৰালভাৱে বেংকৰ এজন অস্থায়ী কৰ্মচাৰী ভাস্কৰ বৰা জড়িত থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। এই ক্ষেত্ৰত ৰাইজে বিশেষকৈ এই ধন হৰলুকি ঘটনাত অস্থায়ী ভাবে নিযুক্ত ভাস্কৰ বৰাৰ ওপৰত সন্দেহৰ আঙুলি তুলিছিল আৰু পৰৱৰ্তী সময়ত সেইয়া সত্য প্ৰমাণিতও হৈছিল। যিহেতু কেইবাজনো ভুক্তভোগী গ্ৰাহকৰ ৰোষত পৰি অস্থায়ী কৰ্মী ভাস্কৰ বৰাই বিষয়টো গোপনে মীমাংসা কৰাৰ স্বাৰ্থত বেংকৰ বাহিৰতে বহু কেইজনক গ্ৰাহকক তেওঁলোকৰ হেৰুৱা ধন ঘূৰাই দিয়া বুলি গ্ৰাহকে স্বীকাৰ কৰিছে। বৰ্তমানেও কৰ্মীজনে আন কেইবাজনো গ্ৰাহকক তেওঁ চহী জালিয়াতিৰে উলিয়াই নিয়া ধন ঘূৰাই দিবলৈ বাকী আছে। ইফালে অস্থায়ী কৰ্মীজনে বেংক পৰিচালকৰ কৰ্তৃত্বতেই বেংকৰ কম্পিউটাৰ চলোৱা, একাউন্ট খোলা, হিচাব পৰীক্ষা কৰা ইত্যাদি কামবোৰ কৰি আহিছিল। অস্থায়ী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী জনেই বেংকৰ পাচবুক খোলা কামবোৰ বেংকৰ পৰা নিজৰ বঞ্জ্যক্তিগত দোকানলৈ লৈ গৈ তাতে গ্ৰাহকৰ পৰা বেংকত ধন জমা দিয়াৰ নামত ৫০০-১০০০ হাজাৰকৈ টকা লৈ এমাহ মানৰ পাছত এটকাও পইছা জমা নোহোৱা জিৰ' বেলেঞ্চৰ একাউন্ট খুলি নিজস্বভাৱেই বেংক পৰিচালনা কৰি আহিছিল। এনেবোৰ কাৰনতে শাখা পৰিচালকজনৰ জ্ঞাতেই অস্থায়ী কৰ্মীজনে বেংকৰ কেচিয়াৰ, বেংক মেনেজাৰৰ চত্ৰছায়াতে গ্ৰাহকৰ ধন হৰলুকি হোৱা বুলি ৰাইজে দাবী কৰিছে। গ্ৰাহকৰ কষ্টোৰ্পাজিত ধন সঞ্চয়ৰ সুৰক্ষাৰ স্বাৰ্থত কেৱল ডিজিএমৰ তদন্তই যথেষ্ট নহয় আৰু এই ক্ৰাইমৰ লগত জড়িত সকলো ব্যক্তিক চিনাক্ত কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ গুৱাহাটীৰ পানবাৰীস্থিত জৰ্নেল মেনেজাৰৰ হস্তক্ষেপ আৰু তদন্তৰ বাবে সচেতন মহলে দাবী তুলিছে।


শুশ্ৰূষা Neuro Rehab
lets walk together...
A Physiotherapy clinic & Rehabilitation centre
An ISO : 9001:2015 Certified
Physiotherapy
Speech Therapy
Occupational Therapy
Nursing Care
www.husrukhaneurorehab.org
:Husrukha Neuro Rehab
84740-15727
Near Kali Mandir,S.K Baruah Road,H.no.:1, Rukminigaon,Guwahati

অসম চৰকাৰ
Azadi Ka Amrit Mahotsav

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস
২১ জুন, ২০২২



শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ উৎকৰ্ষৰ বাবে যোগক আমাৰ দৈনন্দিন জীৱনৰ এক অভ্যাসত পৰিণত কৰোঁ আহক।
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি ৱাটছএপ কৰক
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us @diprassam dipr.assam.gov.in
Janasanyog /D/5978/22

অসম চৰকাৰ
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

স্বাস্থ্য সেৱা সম্বন্ধীয় অভিযোগৰ হেল্পলাইন নম্বৰ

জিলাৰ যিকোনো স্বাস্থ্য কেন্দ্ৰলৈ যোৱাৰ সময়ত আপোনাৰ যদি স্বাস্থ্য সেৱা সম্বন্ধীয় কোনো অভিযোগ নাইবা পৰামৰ্শ থাকে তেন্তে অনুগ্ৰহ কৰি তলত দিয়া ফোন নম্বৰসমূহত যোগাযোগ কৰক। এই ফোন নম্বৰসমূহত যোগাযোগ কৰি বানপানী আৰু ক'ভিড সম্পৰ্কীয় তথ্যও লাভ কৰিব পাৰিব। নম্বৰসমূহত যোগাযোগ কৰি যদি আপুনি সন্তুষ্টিকৰ সঁহাৰি লাভ কৰা নাই তেন্তে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ মুখ্য কাৰ্যালয়ত আপোনাৰ অভিযোগ দাখিল কৰক।

| Sl. | District | Helpline Number | Sl. | District | Helpline Number |
|---|---|---|---|---|---|
| 1 | Baksa | 9394560970 | 18 | Jorhat | 9387528923 |
| 2 | Bajali | 9101174117 | 19 | Kamrup (R) | 9101174474 |
| 3 | Barpeta | 9394244425 | 20 | Kamrup (M) | 0361-2735547, 6000218910 |
| 4 | Biswanath | 9387796011 | 21 | Karbi Anglong | 9864194934 |
| 5 | Bongaigaon | 6901787111 | 22 | Karimganj | 9707229055 |
| 6 | Cachar | 9394339406 | 23 | Kokrajhar | 9394900648 |
| 7 | Charaideo | 6900879500 | 24 | Lakhimpur | 9365180784 |
| 8 | Chirang | 9508799045 | 25 | Majuli | 8099352310 |
| 9 | Darrang | 9435959829 | 26 | Morigaon | 9101026200 |
| 10 | Dhemaji | 8638718109 | 27 | Nagaon | 9435063117 |
| 11 | Dhubri | 7002877406 | 28 | Nalbari | 9435129485 |
| 12 | Dibrugarh | 9395077971 | 29 | Sivasagar | 9707583805 |
| 13 | Dima Hasao | 8099462915 | 30 | Sonitpur | 6002873922 |
| 14 | Goalpara | 7099526661 | 31 | South Salmara | 8402861492 |
| 15 | Golaghat | 8822005506 | 32 | Tinsukia | 9395017536 |
| 16 | Hailakandi | 7099252972 | 33 | Udalguri | 9387457678 |
| 17 | Hojai | 6003256039 | 34 | West Karbi Anglong | 03677-230051, 036771077, 9864165478 |

বানপানী/দুৰ্যোগৰ সময়ত স্বাস্থ্য সেৱা সম্বন্ধীয় যিকোনো প্ৰশ্নৰ বাবে
৬০০২৯৯৪৯৫৯
২৪x৭ নিয়ন্ত্ৰণ কক্ষৰ নম্বৰত যোগাযোগ কৰক।
স্বাস্থ্য সম্বন্ধীয় পৰামৰ্শৰ বাবে ১০৪ ডায়েল কৰক
এম্বুলেন্স সেৱাৰ বাবে ১০৮ ডায়েল কৰক
(NHM/D/2022-23/113)



Caps®
100% DEPENDABLE... That's our guarantee !

CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES
Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811. 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492
Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)
■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি